# খচৰা ৰাষ্ট্ৰীয় শিক্ষা নীতি, 2016-ৰ বাবে

# কিছু ইনপুট

মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়

**ভাৰত চৰকাৰ**

# সূচী

1. প্ৰস্তাৱনা
2. শিক্ষা খণ্ডৰ মূল প্ৰত্যাহ্বানসমূহ
3. পৰিকল্পনা, মিছন, লক্ষ্য আৰু উদ্দেশ্য
4. নীতি সংৰচনা
   - 4.1 প্ৰাক-বিদ্যালয় শিক্ষা
   - 4.2 শিশু আৰু কৈশোৰ শিক্ষাৰ অধিকাৰৰ ৰক্ষণাৱেক্ষণ
   - 4.3 শিক্ষাত শিকনৰ ফলাফল
   - 4.4 স্কুলীয়া শিক্ষা
   - 4.5 পাঠ্যক্ৰম নবীকৰণ আৰু পৰীক্ষা ব্যৱস্থাৰ সংশোধন
   - 4.6 সমাবেশী শিক্ষা আৰু বিদ্যাৰ্থীলৈ সমৰ্থন
   - 4.7 সাক্ষৰতা আৰু জীৱনজোৰা শিক্ষা
   - 4.8 শিক্ষা আৰু নিয়োজনৰ কৌশল
   - 4.9 শিক্ষাত ICT-ৰ ব্যৱহাৰ
   - 4.10 শিক্ষকৰ বিকাশ আৰু পৰিচালনা
   - 4.11 শিক্ষাত ভাষা আৰু সংস্কৃতি
   - 4.12 সৰ্বাংগীন শিক্ষাৰ যোগেদি স্ব-বিকাশ
   - 4.13 স্কুল মূল্যায়ন আৰু প্ৰশাসন
   - 4.14 উচ্চ শিক্ষাৰ প্ৰশাসনীয় সংস্কাৰ
   - 4.15 উচ্চ শিক্ষাৰ প্ৰবিধান
   - 4.16 উচ্চ শিক্ষাত মানদণ্ড নিশ্চিতকৰণ
   - 4.17 মুক্ত আৰু দূৰৱৰ্তী শিক্ষণ ও MOOC
   - 4.18 শিক্ষাৰ আন্তঃৰাষ্ট্ৰীয়কৰণ
   - 4.19 উচ্চ শিক্ষাৰ লগত জড়িত শিক্ষকৰ বিকাশ
   - 4.20 গৱেষণা, সৃষ্টিশীলতা আৰু নব্য জ্ঞান
   - 4.21 শিক্ষাত বিত্তীয় অনুদান
5. ৰূপায়ণ আৰু সমাকৰণ

## অধ্যায়-1

# প্ৰস্তাৱনা

ভাৰতে সদায়েই শিক্ষাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰি আহিছে। প্ৰাচীন ভাৰতত প্ৰথমে বিকাশ লাভ কৰা শিক্ষা পদ্ধতিক বৈদিক পদ্ধতি বুলি জনা যায়। ইহলোক বা পৰলোক জীৱনৰ প্ৰস্তুতিৰ বাবে জ্ঞান অৰ্জন কৰাটো প্ৰাচীন ভাৰতৰ শিক্ষাৰ চূড়ান্ত লক্ষ্য নাছিল, বৰঞ্চ ইয়াৰ লক্ষ্য আছিল সম্পূৰ্ণ স্ব-উপলব্ধি। গুৰুকুল পদ্ধতিয়ে গুৰু আৰু শিষ্যৰ মাজত সৃষ্টি কৰিছিল এক বান্ধোনৰ আৰু ই এনে এক শিক্ষককেন্দ্ৰিক পদ্ধতিৰ প্ৰচলন কৰিছিল য'ত ছাত্ৰই কঠিন নিয়মৰ মাজত থাকিবলগীয়া হোৱাৰ লগতে নিজৰ শিক্ষকৰ প্ৰতি নিৰ্দিষ্ট কৰ্তব্য পালন কৰিবলগীয়া হৈছিল।

তক্ষশীলাত খ্ৰীষ্টপূৰ্ব সপ্তম শতিকাত বিশ্বৰ প্ৰথমখন বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাত স্থাপিত নালন্দা বিশ্ববিদ্যালয় বা নালন্দা মহাবীৰ (সেইসময়ত এই নামেৰে জনা গৈছিল) আছিল বিশ্বৰ মহান বিশ্ববিদ্যালয়সমূহৰ ভিতৰত এখন। খ্ৰীষ্টাব্দ সপ্তম শতিকাত নালন্দা বিশ্ববিদ্যালয়ৰ সোণালী দিনৰ সময়ত ইয়াত প্ৰায় 10,000 শিক্ষাৰ্থী আৰু 2000 জন শিক্ষক আছিল। নালন্দা বিশ্ববিদ্যালয়ত শিক্ষাদান কৰা বিষয়সমূহে বিজ্ঞান, জ্যোৰ্তিবিজ্ঞান, চিকিৎসা বিজ্ঞান আৰু যুক্তিশাস্ত্ৰকে আদি কৰি শিক্ষাৰ বিভিন্ন ক্ষেত্ৰক সাঙুৰি লৈছিল আৰু সেই বিষয়ৰ জ্ঞানক অধিবিদ্যা, দৰ্শন, সাংখ্য, যোগ-শাস্ত্ৰ, বেদ আৰু বৌদ্ধধৰ্ম আৰু বিদেশী দৰ্শনৰ শাস্ত্ৰসমূহৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হৈছিল। নালন্দা বিশ্ববিদ্যালয়ে জাতি বা সম্প্ৰদায়গত আৰু ভৌগলিক সীমা অতিক্ৰমি চীন, ইন্দোনেচিয়া, কোৰিয়া, জাপান, পাৰস্য, তুৰ্কী আৰু বিশ্বৰ অন্য ঠাইৰ পৰা ছাত্ৰ তথা শিক্ষকক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল।

চৰক আৰু সুশ্ৰুত, আৰ্যভট্ট, ভাস্কৰাচাৰ্য, চাণক্য, পতঞ্জলি, বাৎসায়ন আৰু আন অসংখ্য ভাৰতীয়

পণ্ডিতে গণিত, পদাৰ্থবিদ্যা, ৰসায়নবিদ্যা, চিকিৎসাবিদ্যা আৰু শৈল চিকিৎসা, চাৰু কলা, যান্ত্ৰিক আৰু উৎপাদন প্ৰযুক্তি, চিভিল অভিযান্ত্ৰিকবিদ্যা আৰু স্থাপত্যবিদ্যা, জাহাজ নিৰ্মাণ আৰু দিক-নিৰ্ণয়, ক্ৰীড়া আৰু খেল-ধেমালিৰ দৰে বিভিন্ন ক্ষেত্ৰত বিশ্বৰ জ্ঞান ভাণ্ডাৰলৈ লেখত ল'বলগীয়া অৱদান আগবঢ়াই থৈ গৈছে। স্বাধীনতা সংগ্ৰামৰ সময়ত গোখলে, ৰাম মোহন ৰয়, পণ্ডিত মদন মোহন মালব্য আৰু গান্ধীজীৰ দৰে বহু নেতাই ভাৰতীয় লোকৰ বাবে উন্নত শিক্ষা উপলব্ধ কৰি তোলাৰ দিশত কাম কৰি গৈছিল।

স্বাধীনতা লাভৰ সময়ৰে পৰা শিক্ষাৰ ক্ষেত্ৰত উন্নতিয়ে ভাৰতৰ বিকাশৰ পৰিকল্পনাৰ শীৰ্ষ স্তৰত স্থান লাভ কৰি আহিছে। শিক্ষাত সৰ্বসাধাৰণৰ যোগদান উন্নত কৰিবলৈ আৰু শিক্ষাৰ মানদণ্ডৰ বিকাশ সাধন কৰাৰ বাবে নীতি আৰু কাৰ্যসূচী নিৰ্ণয় কৰিবলৈ সময়ে সময়ে ভাৰত চৰকাৰে কেইবাটাও আয়োগ গঠন কৰিছিল। সেইসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল: বিশ্ববিদ্যালয় শিক্ষা আয়োগ (1948-49), মাধ্যমিক শিক্ষা আয়োগ (1952-53), শিক্ষা আয়োগ (1964-66), আৰু শিক্ষকৰ বাবে ৰাষ্ট্ৰীয় আয়োগ I & II (1983-85)।

শিক্ষা ব্যৱস্থাৰ চৰম পুনঃগঠনৰ ওপৰত গুৰুত্ব প্ৰদান কৰি শিক্ষাৰ ৰাষ্ট্ৰীয় নীতিৰ প্ৰস্তাৱ (1968) শিক্ষাৰ সকলো স্তৰতে মানদণ্ড উন্নত কৰিবলৈ, বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশ কৰিবলৈ, নৈতিক আৰু সামাজিক মূল্যবোধৰ উৎকৰ্ষ সাধন কৰিবলৈ, জনসাধাৰণৰ জীৱন আৰু শিক্ষাৰ মাজত এক নিকট সম্পৰ্কৰ সৃষ্টি কৰিবলৈ শিক্ষা আয়োগৰ পৰামৰ্শৰ ভিত্তিত নিৰ্ধাৰণ কৰা হৈছিল। এই প্ৰস্তাৱে ৰাষ্ট্ৰীয় উন্নতি, সমগোত্ৰীয় নাগৰিকত্ব আৰু সংস্কৃতিৰ ভাৱনা, আৰু ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতিৰ ক্ষেত্ৰত শিক্ষাৰ গুৰুত্বক প্ৰতিফলিত কৰিছিল। *শিক্ষাৰ ৰাষ্ট্ৰীয় নীতি 1986*-এ (*1992 চনত সংশোধিত*) এনে এটা ৰাষ্ট্ৰীয় শিক্ষা পদ্ধতিৰ পৰিকল্পনা কৰিছিল যিটোৰ অধীনত “এক নিৰ্দিষ্ট পৰ্যায়লৈকে, জাতি, বৰ্ণ, অৱস্থান আৰু লিংগ নিৰ্বিশেষে তুলনামূলকভাৱে একে মানৰ শিক্ষা লাভ

কৰিবলৈ সক্ষম হ'ব"।

1972 চনৰ 42 তম সংবিধান সংশোধনে শিক্ষাক ৰাজ্যৰ তালিকাৰ পৰা সমকালিন তালিকালৈ স্থানান্তৰ কৰি এক মৌলিক পৰিৱৰ্তনৰ সূচনা কৰাৰ লগতে শৈক্ষিক লক্ষ্যৰ পৰিসৰ বৃদ্ধিৰ বাবে আমাৰ দেশৰ যুক্তৰাজ্যীয় গঠনক বাহাল ৰাখি হিতাধিকাৰী হিচাপে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰক সমান গুৰুত্ব প্ৰদান কৰিছিল। শিক্ষা সম্পৰ্কীয় যিকোনো নীতিয়েই সম্পূৰ্ণ শিক্ষা প্ৰক্ৰিয়াৰ আন্তঃবিভাগ আৰু আন্তঃমন্ত্ৰালয় চৰিত্ৰক স্বীকৃতি প্ৰদান কৰিব লাগিব আৰু লগতে ৰাজ্যসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। এই নীতিয়ে আন ৰাষ্ট্ৰীয় স্তৰৰ নীতি, যেনে 2013 চনত আৰম্ভ কৰা *নেচনেল পলিচি অন আৰ্লি চাইল্ডহুড কেয়াৰ এণ্ড ইডুকেশ্বন* (ECCE), *ৰাষ্ট্ৰীয় যুৱ নীতি (NYP), 2014* আৰু *কৌশল বিকাশ আৰু এণ্টাৰপ্ৰেনিঅ'ৰশ্বিপ, 2015* আৰু আন বহুতো ৰাজ্যিক স্তৰৰ নীতিয়ে পালন কৰিবলগীয়া ভূমিকাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে।

ৰাষ্ট্ৰীয় শিক্ষা নীতি, 1986/92, নিৰ্ধাৰণ কৰাৰ সময়ৰ পৰা ভাৰত আৰু সমগ্ৰ বিশ্ব বহু পৰিৱৰ্তনৰ মাজেদি আগবাঢ়ি গৈছে। ভাৰতৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক বিকাশ এনে এক সময়ৰ মাজেদি আগুৱাই গৈছে, য'ত এক শক্তিশালী আৰু সুদূৰপ্ৰসাৰী শিক্ষা ব্যৱস্থাৰ অতীব প্ৰয়োজন। ভাৰতত শিক্ষা খণ্ড সম্বন্ধীয় এক লেখত ল'বলগীয়া পদক্ষেপ হ'ল সাৰ্বজনীন প্ৰাথমিক শিক্ষা নিশ্চিত কৰিবৰ বাবে সাংবিধানিক আৰু আইনী ব্যৱস্থাৰ প্ৰচলন। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ 21-A-ত সংযোগ কৰা সংবিধান (ছয়াশী তম সংশোধন) আইন, 2002-এ ছয় বছৰ বয়সৰ পৰা চৌধ বছৰ বয়সলৈকে সকলো শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা এক মৌলিক অধিকাৰ ৰূপে প্ৰতিষ্ঠা কৰাৰ লক্ষ্য স্থিৰ কৰিছে আৰু ইয়াক ৰাজ্যই আইনৰ জৰিয়তে নিৰ্ধাৰণ কৰিব। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ 21-A-ৰ অধীনত পৰিকল্পিত শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ (RTE) আইন, 2009 হ'ল এক গুৰুত্বপূৰ্ণ আইন আৰু ই

ছয় বছৰৰ পৰা চৌধ বছৰ পৰ্যন্ত বয়সৰ শিশুক এক নিকটৱৰ্তী বিদ্যালয়ত বুনিয়াদী শিক্ষা সম্পূৰ্ণ নকৰা পৰ্যন্ত বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ প্ৰদান কৰিছে।

শিক্ষা খণ্ডত বহু গুৰুত্বপূৰ্ণ পৰিৱৰ্তন সাধিত হৈছে। শৈক্ষিক কাৰ্যকলাপ আৰু শিক্ষা-গ্ৰহণ প্ৰক্ৰিয়া আজি কেৱল শ্ৰেণীকোঠাৰ ভিতৰতে আৱদ্ধ হৈ থকা নাই আৰু ফলস্বৰূপে শিক্ষা বিষয়টো কেৱল আনুষ্ঠানিক বিদ্যালয় শিক্ষা আৰু উচ্চ শিক্ষাৰ ভিতৰতে সীমাবদ্ধ নহয়। কেৱল শ্ৰেণীকোঠা-আধাৰিত পাঠ্যক্ৰমৰ আদান-প্ৰদানৰ দ্বাৰাই শৈক্ষিক প্ৰক্ৰিয়া চালিত নহয়, বৈদ্যুতিন আৰু মুদ্ৰণ দুয়োবিধ মিডিয়া, তথ্য আৰু প্ৰচাৰ প্ৰযুক্তি, গ্ৰন্থ আৰু গৱেষণা পত্ৰিকা আদিয়েও ইয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। আজিৰ শিক্ষাৰ্থীয়ে অনানুষ্ঠানিক মাধ্যমৰ যোগেদি অধিক সাম্প্ৰতিক জ্ঞান আহৰণ কৰাৰ সুবিধা লাভ কৰে।

নব্য জ্ঞানৰ দ্ৰুত সৃজন আৰু প্ৰয়োগ, বিশেষকৈ বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত, আৰু জনসাধাৰণৰ দৈনন্দিন জীৱনত ইয়াৰ প্ৰভাৱে দ্ৰুতভাৱে পৰিৱৰ্তিত জ্ঞান বিশ্বৰ লগত শিক্ষাৰ্থীসকলক পৰিচয় কৰি দিয়াৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব বৃদ্ধি কৰি তুলিছে। শেহতীয়াকৈ বিকাশ লাভ কৰা জ্ঞান অৰ্থনীতি আৰু সমাজৰ চাহিদা পূৰণ কৰিব পৰাকৈ জীৱন সম্পৰ্কীয় কৌশলসমূহক সামৰি ব্যক্তি কৌশলৰ বিকাশৰ প্ৰয়োজনীয়তাৰ বাবে শিকাৰুক তেওঁলোকৰ সমগ্ৰ জীৱনৰ বাবে সদা-পৰিৱৰ্তিত কৌশলৰ প্ৰয়োজনীয়তাৰ লগত ফেৰ মাৰিব পৰাকৈ জ্ঞান আহৰণ কৰিবলৈ অনুপ্ৰাণিত কৰাটো অত্যন্ত দৰকাৰী হৈ পৰিছে। সমতা আৰু ব্যাপকতাৰ লক্ষ্যত উপনীত হ'ব পৰাকৈ শিক্ষাৰ পৰিৱৰ্তনশীল সামাজিক প্ৰাসংগিকতা আৰু লগতে ৰাষ্ট্ৰীয় আশংকা নিৰাময়ৰ বাবে সকলো শিক্ষাৰ্থী শিক্ষালাভৰ অভিজ্ঞতাত সফল হ'ব পৰাকৈ সা-সুবিধা বৃদ্ধি কৰিবলৈ আৰু সকলোৰে বাবে সমতাসম্পন্ন শৈক্ষিক ফলাফল নিশ্চিত কৰিব পৰাকৈ বিভিন্ন শিক্ষাৰ্থীৰ প্ৰয়োজনৰ প্ৰতি শৈক্ষিক প্ৰতিষ্ঠানসমূহক সচেতন কৰি তোলাৰ বাবে শিক্ষাৰ প্ৰতি এক পৰিৱৰ্তিত দৃষ্টিপাতৰ আৱশ্যক।

যোৱা কিছুবছৰ ধৰি নব্য তথ্য আৰু প্ৰচাৰ প্ৰযুক্তি, বিশেষকৈ ইন্টাৰনেটে দ্রুত প্ৰসাৰ লাভ কৰিছে। নব্য প্ৰযুক্তিয়ে মানুহৰ জীৱন ধাৰণ, কাম-কাজ আৰু ভাৱপ্ৰকাশৰ প্ৰক্ৰিয়াৰ পৰিৱৰ্তন সাধন কৰিছে। এই নব্য প্ৰযুক্তিয়ে নতুন তথ্যপাতি আৰু শিক্ষণ সমল সহজতে উপলব্ধ কৰি তোলাৰ লগতে শিক্ষাৰ্থীৰ বাবে নব্য শিক্ষালাভৰ সম্ভাৱনা বৃদ্ধি কৰি তুলিছে। শৈক্ষিক পদ্ধতিত এই নব্য প্ৰযুক্তিৰ ব্যৱহাৰ এই সময়ত শিক্ষা খণ্ডৰ বাবে এক অতি প্ৰয়োজনীয় পদক্ষেপ হৈ পৰিছে।

উপৰত উল্লেখ কৰা তথ্যসমূহে এটা কথা নিশ্চিত কৰে যে পৰিৱৰ্তিত সময় আৰু প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰি শিক্ষা নীতি আৰু সমল আৰু শিক্ষাৰ প্ৰক্ৰিয়াত বিৱৰ্তনৰ প্ৰয়োজন। অতীতৰ অভিজ্ঞতাৰ ভিত্তিত আৰু শিশু, যুৱক আৰু প্ৰাপ্তবয়স্কৰ পৰিৱৰ্তিত শৈক্ষিক প্ৰয়োজনীয়তাক সামৰি স্থানীয়, ৰাষ্ট্ৰীয়, ক্ষেত্ৰীয় আৰু বিশ্বজনীন বাস্তৱিকতা আৰু পৰিৱৰ্তনৰ গতিশীলতাৰ লগতে ৰাষ্ট্ৰীয় বিকাশৰ লক্ষ্য আৰু সামাজিক প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত থকা শংকা আৰু গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাৰ লক্ষ্য, গঠন, সমল আৰু প্ৰক্ৰিয়াৰ নবীকৰণ অতিশয় প্ৰয়োজনীয় হৈ পৰিছে। 2016 চনত ভাৰতত শিক্ষাৰ নবীকৰণ প্ৰক্ৰিয়াত আগভাগ লোৱাৰ উদ্দেশ্য প্ৰস্তুত কৰি উলিওৱা ৰাষ্ট্ৰীয় শিক্ষা নীতি হ'ল এই লক্ষ্যৰ দিশত এটা সুদৃঢ় পদক্ষেপ।

ৰাষ্ট্ৰীয় শিক্ষা নীতি, 2016-এ এনে এক নিৰ্ভৰযোগ্য শিক্ষা ব্যৱস্থাৰ পৰিকল্পনা কৰিছে যি সংহত মানদণ্ডসম্পন্ন শিক্ষা নিশ্চিত কৰি সকলোৰে বাবে জীৱনজোৰা শিক্ষালাভৰ সুবিধা সৃষ্টি কৰাৰ লগতে এটা অৰ্থবহ জীৱন ধাৰণ, দেশৰ বিকাশৰ প্ৰক্ৰিয়াত অংশগ্ৰহণ, সদা-পৰিৱৰ্তিত, সদা-বিশ্বায়নিত, জ্ঞান-আধাৰিত সমাজৰ প্ৰয়োজনীতা পূৰণ তথা ভাৰতৰ ঐতিহ্য, সংস্কৃতি আৰু ইতিহাসৰ বৈচিত্ৰিক আঁকোৱালি লোৱাৰ ভাৰতীয় পৰম্পৰাক সন্মান আৰু সামাজিক সদ্ভাৱ আৰু ধৰ্মীয় সম্প্ৰীতি প্ৰসাৰৰ বাবে সামৰ্থবান দায়বদ্ধ নাগৰিক প্ৰস্তুত কৰি তুলিবলৈ জ্ঞান, কৌশল, মানসিকতা আৰু মূল্যবোধসম্পন্ন শিক্ষাৰ্থী/স্নাতক সৃষ্টি কৰাত সক্ষম। এই পৰিকল্পনাই ভাৰতৰ

সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক বিকাশত শিক্ষাৰ মূল ভূমিকাক প্ৰতিফলিত কৰিছে। মহাত্মা গান্ধীয়ে কৈছিল, *"প্ৰকৃত সমস্যাটো হ'ল- আচল শিক্ষা সম্পৰ্কে মানুহৰ কোনো ধাৰণাই নাই। আমি মাটি বা ষ্টক-একচেঞ্জ বজাৰত শ্বেয়াৰৰ মূল্য যিদৰে নিৰ্ধাৰণ কৰো, সেই একেদৰেই শিক্ষাৰ মূল্যও নিৰ্ধাৰণ কৰো। আমি শিক্ষাৰ্থীক কেৱল এনে শিক্ষাহে প্ৰদান কৰিব খোজো যি তেওঁলোকক অধিক উপাৰ্জন কৰাত সামৰ্থবান কৰি তোলে। আমি শিক্ষালাভ কৰাজনৰ চৰিত্ৰৰ বিকাশ সাধন কৰাৰ বাবে একেবাৰেই চেষ্টা নকৰো।"* জাতিৰ পিতাৰ ভাৱধাৰাৰ দ্বাৰা অনুপ্ৰাণিত হৈ, এই নীতিয়ে নাগৰিকক কৌশল আৰু সমৰ্থতা প্ৰদান কৰি ৰাষ্ট্ৰৰ কল্যাণৰ ক্ষেত্ৰত অৱদান আগবঢ়াবলৈ প্ৰয়োজনীয় মূল্যবোধৰ বিকাশত শিক্ষাৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। শিক্ষা ব্যৱস্থাই সৃষ্টি কৰা ব্যক্তিসকলৰ মানদণ্ডৰ ওপৰত যে দেশৰ দীৰ্ঘকালীন অৰ্থনৈতিক প্ৰগতি আৰু বিকাশ নিৰ্ভৰ কৰাটোকে ধৰি মানদণ্ড আৰু সমতাৰ ওপৰত ভিত্তি কৰি নিৰ্মাণ কৰা এটা শিক্ষা ব্যৱস্থা ধাৰণক্ষম বিকাশ আৰু সাম্প্ৰতিক জ্ঞান অৰ্থনীতি আৰু সমাজৰ বাবে অতি প্ৰয়োজনীয়, সেই কথাও উল্লেখ কৰিছে। ই শিক্ষাক আৰ্থ-সামাজিক গতিশীলতাৰ বাবে সবাতোকৈ ক্ষমতাশালী সঁজুলি আৰু এক ন্যায়সংগত মানৱীয় সমাজ নিৰ্মাণৰ এক মূল আধাৰশিলা হিচাপে চিহ্নিত কৰিছে। ই লগতে শিক্ষাক সমাজত এক সুসংহত শক্তি হিচাপে স্বীকৃতি দিয়াৰ লগতে সামাজিক সংসক্তি আৰু ৰাষ্ট্ৰীয় পৰিচয় নিৰ্মাণৰ বাবে প্ৰয়োজনীয় মূল্যবোধৰ প্ৰসাৰণত ইয়াৰ ভূমিকাত গুৰুত্ব প্ৰদান কৰিছে। এই পৰিকল্পনা তথা চিন্তা-চৰ্চাই এই কথাও বুজায় যে উচ্চ মানৰ শিক্ষাই ভাৰতৰ শিশু আৰু যুৱকৰ চিন্তাধাৰা ভাৰতীয় সংস্কৃতি আৰু পৰম্পৰাৰ লগত যুক্ত কৰি তোলাৰ লগতে বিশ্ব নাগৰিকত পৰিণত হোৱাৰ ক্ষেত্ৰত সক্ষম কৰি তুলি বিশ্বায়নক স্থানীয়কৰণৰ লগত সংযুক্ত কৰি তোলাত সহায় কৰিব।

ৰাষ্ট্ৰীয় শিক্ষা নীতি, 2016-এ অনাগত কিছু বছৰৰ বাবে ভাৰতত শিক্ষা বিকাশৰ এটা আধাৰ

প্ৰদান কৰিবলৈ সক্ষম হ'ব। ই শিক্ষাৰ পূৰ্বৱৰ্তী নীতিসমূহত নিৰ্ধাৰিত লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কীয় আৰু লগতে সদ্য-প্ৰচলিত ৰাষ্ট্ৰীয় বিকাশ আৰু শিক্ষা খণ্ড-সম্পৰ্কীয় প্ৰত্যাহ্বান, এই দুয়োটা অসমাপ্ত কাৰ্যক্ৰমক সমাপ্ত কৰাত গুৰুত্ব আৰোপ কৰিছে। ৰাষ্ট্ৰীয় বিকাশৰ ক্ষেত্ৰত মানদণ্ডসম্পন্ন শিক্ষাৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰি NEP 2016-এ সকলো স্তৰতে শিক্ষাৰ মানদণ্ড উল্লেখযোগ্যভাৱে বৃদ্ধি আৰু সমাজৰ সকলো অংশলৈ শৈক্ষিক সা-সুবিধা উপলব্ধি কৰি তোলাৰ ক্ষেত্ৰত অভূতপূৰ্ব গুৰুত্ব প্ৰদান কৰিছে।

শ্ৰী অৰবিন্দৰ ভাষাৰেই, *"ভাৰত উন্নতিৰ পথত অগ্ৰসৰ হৈ এক মহান দেশত পৰিণত হ'ব বুলি আৰু ঘটিত হোৱা সকলোবিলাক ঘটনা, প্ৰতিটো সমস্যা, প্ৰতিটো বিপৰ্যয় ইয়াৰ সহায়ক হৈ উঠিব বুলি ভাৰতীয়সকলৰ দৃঢ় বিশ্বাস থকা উচিত. ... ... . দোকমোকালি সোনকালেই সম্পূৰ্ণ হ'ব আৰু দিগন্তত সূৰ্যৰ উদয় হ'ব। ভাৰতৰ ভাগ্যৰ সূৰুয উদয় হ'ব আৰু সমগ্ৰ ভাৰত আলোকেৰে উজলাই তুলিব, ভাৰত, এছিয়া আৰু বিশ্বক প্লাবিত কৰি তুলিব।"* তেনেক্ষেত্ৰত 21 শতিকাৰ বাকী থকা সময়খিনি ভাৰতৰ সময় হৈ পৰিব পাৰে।

## অধ্যায়-2

# শিক্ষা খণ্ডৰ মূল প্ৰত্যাহ্বানসমূহ

শিক্ষাৰ পূৰ্বৱৰ্তী নীতিসমূহে স্পষ্ট লক্ষ্য আৰু উদ্দেশ্য আগবঢ়াই আহিছে, যি কি নহওঁক সেইবিলাকৰ বেছিভাগকেই সম্পূৰ্ণৰূপে ৰূপায়িত কৰা হোৱা নাই। যদিও ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাই সকলো স্তৰ বা দিশতে গুণগত মানদণ্ড প্ৰাপ্তি আৰু অংশগ্ৰহণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে তথাপি ইয়াৰ সামগ্ৰিক ছৱিখন এতিয়াও ধূসৰ। ইয়াৰ অন্তৰালত জড়িত হৈ আছে কিছু অন্তঃহীন শংকা আৰু প্ৰত্যাহ্বান। ইয়াৰ ভিতৰত অন্যতম হ'ল - গুণগত শিক্ষাৰ প্ৰচলন, শৈক্ষিক ন্যায়, প্ৰণালীজনিত দক্ষতা, নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনা, গৱেষণা আৰু উন্নয়ন, শৈক্ষিক উন্নয়নৰ বাবে অৰ্থনৈতিক চুক্তি ইত্যাদি।

### প্ৰৱেশ আৰু অংশগ্ৰহণ

বিশ্বৰ বিভিন্ন গৱেষণাই প্ৰাক-শিশু কালৰ শিক্ষাৰ গুৰুতৰ দিশটোৰ প্ৰতি আঙুলিয়াই যদিও প্ৰাক-বিদ্যালয় শিক্ষাত অংশগ্ৰহণৰ দিশটো গুৰুত্বহীন হৈয়েই থাকি যায়। প্ৰাক-শিশু কালৰ শিক্ষা প্ৰাপ্তি বৃদ্ধি কৰিবৰ বাবে সকলো ল'ৰা-ছোৱালীকে সমান সা-সুবিধা প্ৰদান কৰি আনুষ্ঠানিক স্কুলৰ পৰ্য্যায়লৈ অধিক উন্নত ৰূপত প্ৰস্তুত কৰি উলিয়াই অনাটো এটা গুৰুত্বপূৰ্ণ দায়িত্ব।

2000 চনৰ পৰা 6-ৰ পৰা 13 বছৰ বয়সৰ স্কুল বৰ্হিঃভূত ল'ৰা-ছোৱালীৰ শতকৰা হাৰৰ প্ৰতি লক্ষ্যণীয়ভাৱে মনোযোগ আতৰাই অনা হৈছে। কিন্তু স্কুল বৰ্হিঃভূত ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত সংখ্যা সদাই ঊৰ্ধগামীয়েই হৈ আছে। আপেক্ষিকভাৱে প্ৰাথমিক শিক্ষাৰ পঞ্জীয়নতকৈ উচ্চ-প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ পঞ্জীয়ন কম হোৱাটো এটা শংকাৰ বিষয়। ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিকৰ পৰা বিশ্বজনীন মাধ্যমিক শিক্ষালৈ, মাধ্যমিকৰ পৰা উচ্চ শিক্ষালৈ কৰা এই তিনি থলপীয়া ঊৰ্ধগামী

যাত্ৰাত নিজকে খাপ খোৱাই লোৱাত নিশ্চিতভাৱে প্ৰত্যাহ্বানৰ সন্মূখীন হৈ আহিছে।

উচ্চ-শিক্ষা পদ্ধতিত ভাৰতবৰ্ষৰ স্থান পৃথিৱীৰ ভিতৰত দ্বিতীয়। ভাৰতবৰ্ষৰ উচ্চ-শিক্ষা ব্যৱস্থাই ইতিমধ্যে উচ্চ-শিক্ষা বৰ্ধনৰ দিশত এটা স্তৰত উপনীত হৈছে যদিও উচ্চ-শিক্ষাৰ মুঠ পঞ্জীয়নৰ (Gross Enrolment Ratio - GER) হাৰ এতিয়াও নিম্নমানৰ। 2014-15 চনত ইয়াৰ শতকৰা হাৰ আছিল 23.6 শতাংশ। বৰ্তমানে 2017-18 চনৰ ভিতৰত GER 25.2 শতাংশলৈ আৰু ভৱিষ্যতে 2020-21 চনৰ ভিতৰত 30 শতাংশ পৰ্যন্ত বৃদ্ধিৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

আপেক্ষিকভাৱে সাক্ষৰহীনতাৰ হাৰ হ্ৰাসকৰণৰ ক্ষেত্ৰত লেহেমীয়া গতি অব্যাহত থকাটো এক লক্ষণীয় দিশ। বিশ্বৰ ভিতৰত ভাৰতবৰ্ষতেই অসাক্ষৰ লোকৰ জনসংখ্যা বৃহৎ। 2011 চনৰ তথ্য অনুসৰি 7 বছৰ আৰু ইয়াৰ ঊৰ্ধৰ লোকৰ ভিতৰত অসাক্ষৰ লোকৰ জনসংখ্যা 282.6 মিলিয়ন। যুৱ আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ ক্ষেত্ৰত ভাৰতবৰ্ষতেই বিশ্বৰ ভিতৰত সৰ্বাধিক পদক্ষেপ গ্ৰহণ কৰা হৈছে। 2011 চনৰ তথ্য অনুসৰি যুৱ সাক্ষৰতাৰ (15-24 বছৰ বয়সৰ) হাৰ 86.1 শতাংশ আৰু প্ৰাপ্তবয়স্ক সাক্ষৰতাৰ (15 বছৰ আৰু তাতোধিক) হাৰ আছিল 69.3 শতাংশ।

## গুণগত সমস্যাৱলী

নিম্ন গুণসম্পন্ন শিক্ষাৰ ফলত দেখা দিয়া অসন্তুষ্টিমুলক শিক্ষণ এক মন কৰিবলগীয়া বিষয়। অনুপযুক্ত পাঠ্যক্ৰম, প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ আৰু প্ৰভাৱহীন শিক্ষণবিজ্ঞান আদি গুণগত বিষয়-সম্বন্ধীয় অভাৱ সদায়েই প্ৰাক-বিদ্যালয় শিক্ষাৰ বাবে প্ৰত্যাহ্বান হৈ আহিছে। প্ৰাক-বিদ্যালয় শিক্ষা সাং কৰা কিছুসংখ্যক বিশেষ গুণসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰাথমিক বিদ্যালয়ত কোনোধৰণৰ প্ৰস্তুতি, সজাগতা আদি দেখা নাযায়, আৰু ভাষাৰ দিশটোৰ প্ৰতিও আওকাণ কৰা হয়। বেছিভাগ প্ৰাক-প্ৰাথমিক শিক্ষককেই উপযুক্তভাৱে প্ৰশিক্ষণ দিয়া নহয়। বহুক্ষেত্ৰত প্ৰাথমিক শিক্ষাৰ

পাঠ্যক্ৰমকেই তলৰ প্ৰাক-প্ৰাথমিক পৰ্য্যায়ত ব্যৱহাৰ কৰি থকা পৰিলক্ষিত হয়।

স্কুলৰ শিক্ষাই সন্মুখীন হোৱা আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বানটো ছাত্ৰ-ছাত্ৰীৰ শিক্ষণত দেখা দিয়া অসন্তুষ্টিমূলক স্তৰৰ লগত জড়িত। নেচনেল এছিভমেণ্ট ছাৰ্ভেৰ (NAS) তথ্য আৰু পৰামৰ্শ অনুসৰি তৃতীয়, চতুৰ্থ, পঞ্চম, অষ্টম আৰু দশম শ্ৰেণীৰ বিশেষ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ শিকনৰ স্তৰক আশা কৰা ধৰণে মাপ কৰিব নোৱাৰি। প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক স্তৰত লাভ কৰা নিম্ন মানৰ শিক্ষণে মাধ্যমিক স্তৰত বিৰূপ প্ৰভাৱ পেলায়। মাধ্যমিক স্তৰৰ নিম্নমানৰ শিক্ষণ মহাবিদ্যালয়, বিশ্ববিদ্যালয় পৰ্য্যায়লৈ বিয়পি উচ্চ-শিক্ষা খণ্ডতো নিম্ন শিক্ষণৰ প্ৰভাৱ অব্যাহত থাকে।

বিদ্যালয় শিক্ষাৰ অসন্তুষ্টিমূলক গুণৰ প্ৰতি বহুতো উপাদানে বৰঙণি আগবঢ়াইছে। ইয়াৰ ভিতৰত কিছুমান এনেধৰণৰ – এনে বৃহৎ সংখ্যক স্কুল আছে যি বিদ্যালয়ৰ বাবে নিৰ্ধাৰণ কৰা নীতি আৰু মান ৰক্ষা কৰি নচলে, ছাত্ৰ আৰু শিক্ষকৰ অনিয়মীয়া উপস্থিতি, শিক্ষকক নিজস্ব আদৰ্শত তিষ্ঠি ৰাখিব পৰা ব্যৱস্থা আৰু প্ৰশিক্ষণৰ অভাৱ আৰু ইয়াৰ পৰিণাম স্বৰূপে দেখা দিয়া শিক্ষকৰ গুণ আৰু প্ৰদৰ্শনৰ অভাৱ, শিক্ষাখণ্ডত তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ ব্যৱহাৰৰ লেহেমীয়া গতি, ব্যক্তিগত ৰুচিৰ ব্যৱস্থাপনা, কাম-কাজ দৰ্শনৰ বাবে নিৰীক্ষক-পৰ্যবেক্ষকৰ মনোযোগৰ অভাৱ ইত্যাদি। সদ্গুণসম্পন্ন শিক্ষা বিতৰণত চৰকাৰী পদ্ধতি বিফল হোৱাৰ অন্যতম এক কাৰণ হ'ল- ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহ যিবোৰৰ বেছিভাগতেই আন্তঃগাঁথনি, শৈক্ষিক পৰিবেশ আৰু উপযুক্ত শিক্ষকৰ অভাৱ নাথাকে।

বৃহৎ সংখ্যক উচ্চ-শিক্ষাৰ শৈক্ষিক প্ৰতিষ্ঠানে আগবঢ়োৱা শিক্ষাৰ গুণাৱলী সম্পৰ্কীয় দিশটো বিশেষভাৱে মন কৰিবলগীয়া বিষয়। ভাৰতবৰ্ষত 1994 চনত উচ্চ-শিক্ষাৰ গুণাৱলী নিৰূপণ কৰি মানদণ্ড উন্নত কৰিবৰ বাবে মূল্যায়নৰ সংস্থা গঠন কৰা হৈছিল। এতিয়ালৈকে ৰাষ্ট্ৰীয় মূল্যায়ন

আৰু প্ৰত্যায়ন পৰিষদে ((NAAC) 140 খন বিশ্ববিদ্যালয়ৰ মূল্যায়ন কৰিছে।

মাত্ৰ 32 শতাংশইহে A গ্ৰেড পাবলৈ সক্ষম হৈছে। NAAC-ৰ দ্বাৰা মূল্যায়িত হোৱা 2780 খন মহাবিদ্যালয়ৰ ভিতৰত মাত্ৰ 9 শতাংশই A গ্ৰেড লাভ কৰে। NAAC-ৰ দ্বাৰা মূল্যায়িত হোৱা প্ৰতিষ্ঠানসমূহৰ ভিতৰত 68 শতাংশ বিশ্ববিদ্যালয় আৰু 91 শতাংশ মহাবিদ্যালয়ক গুণগত মানক গড় হিচাপত বা তাতোতকৈ তলত ৰখা হ'ল। বৰ্তমানে কাঠফুলাৰ দৰে বাঢ়ি অহা ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহৰ বহুতৰে গুণগত সম্পৰ্কীয় কোনোধৰণৰ নিৰ্দিষ্ট গুৰুত্ব বা লক্ষ্য নাই। উচ্চ-শিক্ষাৰ উপ-খণ্ডসমূহ খালী পদবীবোৰ পূৰ্ণ নোহোৱাৰ বাবে গুণসম্পন্ন ব্যক্তিৰ অভাৱত ভুক্তভুগী; ব্যক্তিগত নিম্ন আন্তঃগাঁথনিৰ লগে লগে সাৰ্বজনীন উচ্চ-শিক্ষা প্ৰতিষ্ঠানৰ লক্ষণীয় অনুপাত; পৰিবৰ্তনশীল অৰ্থনীতিয়ে দাবী কৰা কৌশলসমূহৰ লগত খাপ খাব পৰাকৈ উচ্চ-শিক্ষাৰ পাঠ্যক্ৰমত নৱীকৰণৰ লেহেমীয়া গতি; আৰু গৱেষণা আৰু উন্নয়নৰ বাবে উপযুক্ত পুঁজিৰ অভাৱ।

## কৌশল আৰু নিয়োগযোগ্যতা

মুঠ জনসংখ্যাৰ 58 শতাংশতকৈ অধিক 25 বছৰৰ তলৰ লোকে বাস কৰা ভাৰতবৰ্ষ পৃথিৱীৰ কনিষ্ঠ ৰাষ্ট্ৰসমূহৰ ভিতৰত অন্যতম। ই দেশখনৰ যুৱশক্তিক কৌশল অৰু জ্ঞানৰ সহায়ত শিক্ষা আৰু প্ৰশিক্ষণৰ দ্বাৰা কৰ্মশক্তিত প্ৰৱেশ কৰোৱাৰ প্ৰয়োজনীয়তা নিৰ্দেশ কৰে। যি কি নহওঁক কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষাৰ সহায়ক হ'ব পৰাকৈ প্ৰতিষ্ঠানসমূহৰ ব্যৱস্থাপনা এতিয়াও পৰ্যাপ্ত নহয়। আনুষ্ঠানিকভাৱে বৃত্তিমূখী ক্ষেত্ৰখনত উন্নয়নৰ কৌশল অৰ্ন্তভুক্ত কৰি আৰু এক বিদ্যায়তনিক সমতালৈ বৃত্তিমূখী চৰ্চাক আগবঢ়াই উলম্ব আৰু সৰলৰৈখিক পথেৰে ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই নিয়াৰ প্ৰয়াস নতুনকৈহে গঢ় লৈ উঠিছে। উচ্চ মানৰ বৃত্তিমূখী প্ৰশিক্ষণৰ বাবে এতিয়াও প্ৰয়োজন

আছে উন্নত গুণ আৰু সামাজিক স্বীকৃতিৰ।

শিক্ষা ব্যৱস্থাই উৎপন্ন কৰা বৃহৎ অংশ এটাৰ ক্ষেত্ৰত নিয়োজ্য কৌশলৰ অভাৱ পৰিলক্ষিত হয়। ইয়াৰ ফলত উচ্চ-শিক্ষা পদ্ধতিৰ প্ৰতি থকা আস্থা কমি আহিছে। উচ্চ-শিক্ষাৰ উপযোগিতাই নিয়োগৰ ক্ষেত্ৰখনত আস্থা জন্মাব পৰাটো এতিয়াও এক বৃহৎ প্ৰশ্ন। স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰী বহু ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ নিজ-নিজ ক্ষেত্ৰত সংস্থাপন লাভ নকৰে। শিক্ষা ব্যৱস্থাই উৎপন্ন কৰা নিবনুৱাৰ সংস্থাপন বৃদ্ধি অতিশয় প্ৰয়োজনীয়।

## পাঠ্যক্ৰম আৰু মূল্যায়ন

উচ্চ-শিক্ষাৰ পাঠ্যক্ৰম আৰু প্ৰচলিত স্কুলৰ মাজত থকা গুৰুতৰ ফাঁট এটা লাহে লাহে বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। উন্নত জীৱনধাৰণৰ বাবে ক্ৰমবৰ্দ্ধমান পৰিবৰ্তনশীল বিশ্বৰ লগত থাপ খোৱাই ছাত্ৰ-ছাত্ৰীৰ ৰুচিমূলক কাৰ্য্যৰ দক্ষতা আহৰণ আৰু উন্নয়নৰ বাবে পাঠ্যক্ৰম সাল-সলনিৰ প্ৰয়োজনীয়তা আহি পৰিছে।

এই প্ৰসংগত থকা মূখ্য প্ৰত্যাহ্বান হ'ল কৰ্ম আৰু এণ্টাৰপ্ৰেনিঅ'ৰশ্বিপৰ বাবে দৰকাৰী কৌশলক সামৰি প্ৰয়োজনীয় কৌশল আহৰণৰ বাবে সুযোগ-সুবিধাৰ বিস্তাৰ; শিক্ষাৰ্থীক অধিক সৃষ্টিশীল আৰু উদ্ভাৱনীশক্তিসম্পন্ন হ'বলৈ, পুংখানুপুংখভাৱে চিন্তা কৰিবলৈ, উচিতভাৱে ভাৱ-প্ৰকাশ কৰিবলৈ, স্বাধীনভাৱে সমস্যাৰ সমাধান বিচাৰিবলৈ সক্ষম কৰি তুলিব পৰা কৌশল আৰু দক্ষতাসমূহ; সাংস্কৃতিক বৈচিত্ৰক আকোৱালি ল'বলৈ নিজকে দায়বদ্ধ নাগৰিকৰ ৰূপত গঢ়ি তোলাৰ লগতে জীৱন আৰু কৰ্মক সৌহাৰ্দ্যজনকভাৱে গ্ৰহণ কৰিবলৈ প্ৰয়োজনীয় জীৱনৰ কৌশলসমূহ। স্কুল আৰু মহাবিদ্যালয়/বিশ্ববিদ্যালয়ৰ পৰ্যায়ত মূল্যাংকনৰ অভ্যাসসমূহ এতিয়াও অসন্তোষজনক হৈয়ে আছে। অধিক ক্ষেত্ৰতে, শিকন লাভা-লাভৰ মূল্যাংকন মুখস্তৰ দ্বাৰা শিক্ষা অৰ্জন কৰি তাৰ পুনঃপ্ৰকাশ

কৰিব পৰা সক্ষমতাৰ ওপৰতে নিৰ্ভৰশীল হৈ আছে। শিক্ষা আৰু সহ-বিদ্যামাৰ্গৰ লগত জড়িত শিকন ফলাফলক সামৰি শিক্ষাৰ্থীৰ সামগ্ৰিক মূল্যাংকন সম্ভৱ কৰি তুলিবৰ বাবে সমগ্ৰ মূল্যায়ন পদ্ধতিৰ আমূল পৰিৱৰ্তনৰ প্ৰয়োজনীয়তা আছে।

## তথ্য আৰু প্ৰচাৰ প্ৰযুক্তি (ICT)

যোৱা কেইটামান দশক ধৰি তথ্য আৰু প্ৰচাৰ প্ৰযুক্তি খুব খৰ গতিত আগবাঢ়িছে। সমগ্ৰ দেশতে বহু পৰীক্ষা-নিৰীক্ষা সম্পন্ন কৰাৰ লগতে শিক্ষা খণ্ডত তথ্য আৰু প্ৰচাৰ প্ৰযুক্তি ব্যৱহাৰৰ বাবে এক বুজন পৰিমাণৰ জ্ঞানৰ ভাণ্ডাৰ অৰ্জন কৰা হ'ল। তথাপি তথ্য আৰু প্ৰচাৰ প্ৰযুক্তি শিক্ষাৰ সম্ভাৱনীয় সকলো গুণ এতিয়ালৈকে সম্পূৰ্ণৰূপে ব্যৱহাৰ হোৱা নাই। তথ্য আৰু প্ৰচাৰ প্ৰযুক্তি শিক্ষাৰ ব্যৱহাৰ এতিয়াও সীমিত হৈয়েই আছে আৰু উচ্চ গুণসম্পন্ন ICT শিক্ষাৰ বাবে এতিয়াও প্ৰয়োজন খৰতকীয়া লক্ষ্যৰ। আৰ্থিক দিশত লাভান্বিত নোহোৱা লোকসকলৰ ল'ৰা-ছোৱালীয়ে প্ৰাক-বিদ্যালয় শিক্ষা লাভ কৰাৰ সুযোগ কম।

## শিক্ষক উন্নয়ন আৰু ব্যৱস্থাপনা

শিক্ষকৰ গুণ আৰু দক্ষতা উন্নীতকৰণৰ বাবে ধাৰাবাহিক লক্ষ্য থকা স্বত্তেও প্ৰাৰম্ভিক বৃত্তিমূলক প্ৰস্তুতিৰ ব্যৱস্থা আৰু চলি থকা বৃত্তিমূলক উন্নয়নৰ ক্ষেত্ৰত বিদ্যালয় শিক্ষকসমূহ এতিয়াও বহুতো গুণগত অভাৱৰ পৰা মুক্ত নহয়। শিক্ষকসকলৰ ওপৰত ন্যস্ত কৰা নতুন দায়িত্ব আৰু ভুমিকা পালনৰ বাবে জৰুৰী ক্ষমতাৰ দ্বাৰা তাক সু-সজ্জিত কৰা তথা বিবিধতাযুক্ত সামাজিক, অৰ্থনৈতিক, সংস্কৃতিক আৰু প্ৰযুক্তিগত পৰিবেশত নিজৰ দায়িত্ব বহন কৰাত, তাক সাৰ্থক কৰাৰ দৃষ্টিৰে বৰ্তমান শিক্ষক শিক্ষা আৰু প্ৰশিক্ষণ কাৰ্যক্ৰমবোৰ পৰ্যাপ্ত নহয়। সংস্থানৰ ক্ষমতা আৰু শিক্ষকৰ আৱশ্যকীয় সংখ্যাৰ মাজত সংগতি নথকাৰ বাবে শিক্ষকৰ অভাৱ পৰিলক্ষিত হয়। এই

সমস্যাটো দেশৰ পূৱ ভাগত বেছি গভীৰ, য'ত বহু সংখ্যক অপৈণত প্ৰশিক্ষণহীন শিক্ষক দেখা পোৱা য়ায়। এই ৰাজ্যবোৰৰ শিক্ষক প্ৰশিক্ষণৰ সামৰ্থও সীমিত। শিক্ষক শিক্ষাত গৱেষণা, অনুসন্ধান, উদ্ভাৱনী শক্তি ইত্যাদিৰ এতিয়াও অভাৱ। এই অভাৱে শিক্ষকৰ বৃত্তিগত চিনাকি তথা আৰ্থিক দিশত শিক্ষকতাৰ বৃত্তিটোৰ ক্ষতি সাধন কৰিছে। শিক্ষণৰ পৰিণামৰ আসোঁৱাহসমূহ দূৰ কৰিবলৈ শিক্ষকৰ ক্ষমতা, অভিপ্ৰেৰণা, কাৰ্য্যাৱলী আদিৰ স'তে জড়িত বিষয়সমূহৰ প্ৰতি তাৎক্ষণিক মনোযোগ দিয়াৰ প্ৰয়োজন আছে।

## সমতা সম্পৰ্কীয় বিষয়

যদিও স্কুল-পূৰ্ব শিক্ষাত নামভৰ্ত্তিৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰাটো সম্ভৱপৰ হৈ উঠিছে তথাপি সুবিধাৰ পৰা বঞ্চিত বহু লোকৰ ল'ৰা-ছোৱালী এতিয়াও বিদ্যালৰ-পূৰ্ব শিক্ষাৰ পৰা বঞ্চিত। আৰ্থিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ শিশুৱে প্ৰাক-প্ৰাথমিক শিক্ষাত অংশগ্ৰহণ কৰাৰ কম সুবিধা লাভ কৰা সম্ভাৱনা থাকে।

উল্লেখযোগ্য প্ৰগতিৰ পাছতো কিছুমান ৰাজ্যৰ উচ্চ-প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাত পঞ্জীয়নৰ গড় ৰাষ্ট্ৰীয় গড়ৰ তুলনাত যথেষ্ট কম। যদিও মাধ্যমিক শিক্ষাৰ আৱশ্যকতা বৃদ্ধি আৰু মাধ্যমিক শিক্ষাৰ স্কুলৰ সংখ্যা বৃদ্ধি হৈ আছে তথাপি মাধ্যমিক শিক্ষাৰ প্ৰচাৰত বিষমতা এতিয়াও বিৰাজমান। ক্ষেত্ৰীয় অসমানতাৰ লগে-লগে ছাত্ৰ-ছাত্ৰীৰ সামাজিক-অৰ্থনৈতিক পৃষ্ঠভুমিৰ আধাৰত শিক্ষা প্ৰাপ্তিৰ পাৰ্থক্য বিদ্যমান।

যদিও 2000 চনৰ পৰা স্কুল-বৰ্হিভুত ছাত্ৰ-ছাত্ৰী (OOSC)ৰ সংখ্যা উল্লেখযোগ্যভাৱে কম হোৱা দেখা গৈছে তথাপি কিছমান ৰাজ্যত স্কুল-বৰ্হিভুত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বা অনুপাত ৰাষ্ট্ৰৰ গড়ৰ তুলনাত বহু বেছি। OOSC-ৰ অনুপাত অনুসূচীত জাতি, অনুসূচীত জনজাতিৰ আৰু মুছলমান

ছাত্ৰ-ছাত্ৰীৰ ৰাষ্ট্ৰীয় গড়ৰ তুলনাত অধিক। ই এইটোৱেই নিৰ্দেশ কৰে যে এই ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত বিশেষ মনোযোগ প্ৰদান কৰাৰ আৱশ্যকতা আছে।

উচ্চ-শিক্ষাত মুঠ পঞ্জীয়ন অনুপাতত (Gross Enrolment Ratio, GER) ক্ষেত্ৰীয় অসমতা অধিক। 2011-12 বৰ্ষৰ সময়ত উচ্চ-শিক্ষাৰ GER আছিল ঝাৰখণ্ডৰ 8.4 শতাংশ আৰু চণ্ডীগড়ৰ 53 শতাংশৰ মাজত। একেদৰে সামাজিক গোটসমূহৰ ভিন্নতাসমূহো এক বিবেচনাৰ বিষয়। উচ্চ শিক্ষাত GER-ৰ অনুপাত এতিয়াও নিম্নমানৰ। 2014-15 বৰ্ষত ইয়াৰ অনুপাত 23.6 শতাংশ (ল'ৰাৰ 24.5%, ছোৱালীৰ 22.7%, অনুসূচীত জাতিৰ 18.5% আৰু অনুসূচীত জনজাতিৰ 13.5%) আছিল। ভাৰতবৰ্ষৰ উচ্চ-শিক্ষা খণ্ডই সন্মূখীন হোৱা প্ৰত্যাহ্বানসমূহৰ ভিতৰত এক প্ৰত্যাহ্বান হ'ল- সাম্যতাৰ বিচাৰ বিবেচনাৰ স'তে বিস্তৰ প্ৰয়োজনীয়তাৰ সমন্বয়।

বহু ৰাজ্যই প্ৰাথমিক শিক্ষাৰ লাভ বঞ্চিত জনসংখ্যাৰ পঞ্জীয়ন আৰু নিয়ন্ত্ৰণ সুবিধাজনক কৰিবৰ বাবে সমাবেশী কাৰ্যনীতি সফলতাৰে পূৰ্ণ কৰিছে। এই প্ৰয়াসৰ পাছতো কিছুমান জনসংখ্যা গোটৰ ল'ৰা-ছোৱালী যেনে- বিশেষ ভাৱে সক্ষম, ভিতৰুৱা অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, অঘৰী লোকৰ ল'ৰা-ছোৱালী, প্ৰৱাসী ল'ৰা-ছোৱালী আৰু অন্যান্য অসুৰক্ষিত/লাভ বঞ্চিত গোটৰ ল'ৰা-ছোৱালীয়ে শিক্ষাৰ সুবিধাসমূহ সম্পূৰ্ণৰূপে লাভ কৰাৰ পৰা বঞ্চিত হৈ আছে। নগৰৰ দুখীয়া ল'ৰা-ছোৱালীয়ে এনে এটা অন্য গোট গঠন কৰে শিক্ষা-ক্ষেত্ৰত যাৰ অংশগ্ৰহণ এতিয়াও নিম্নমানৰ। জনসংখ্যাৰ সকলোতকৈ অভাৱগ্ৰস্থ লোকসকলৰ বাবে শিক্ষাৰ সুলভতা সুনিশ্চিত কৰা, সকলোৰে বাবে প্ৰাৰম্ভিক আৰু মাধ্যমিক শিক্ষা প্ৰাপ্ত কৰাৰ প্ৰয়াস হ'ল মুখ্য প্ৰাথমিকতাসমূহৰ ভিতৰত এটা।

ৰাষ্ট্ৰীয় শিকন ফলাফল চাৰ্ভে (National Learning Achievement Survey)এ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ গড় প্ৰাপ্তিৰ মাজত থকা উল্লেখযোগ্য পাৰ্থক্য দাঙি কৰিছে। তেওঁলোকে এইটোও ব্যক্ত কৰিছে যে চহৰৰ ছাত্ৰ-ছাত্ৰীয়ে গাঁৱৰ তুলনাত অধিক ভাল ফল

দেখুৱাবলৈ সক্ষম হৈছে; চৰকাৰী খণ্ডৰ বিদ্যালয়তকৈ সাহায্যহীন ব্যক্তিগত বিদ্যালয়ে কিছু ভাল ফল দেখুৱাইছে; ST, SC ছাত্ৰ-ছাত্ৰীৰ তুলনাত সাধাৰণ (জেনেৰেল) আৰু OBC ছাত্ৰ-ছাত্ৰীয়ে কিছু ভাল ফল দেখুৱাবলৈ সক্ষম হৈছে; 'শিক্ষণ সমতা'ৰ লক্ষ্যৰ প্ৰতি এই তথ্যই এক বৃহৎ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। ঐতিহাসিকভাৱে সমাজৰ পিছপৰা শ্ৰেণী আৰু অৰ্থনৈতিকভাৱে দুৰ্বল গোটসমূহৰ লগতে প্ৰথম প্ৰজন্মৰ শিক্ষাৰ্থীয়ে দুৰ্বল শৈক্ষিক ফলাফল প্ৰদৰ্শন কৰিছে।

বিদ্যালয় বৰ্হিভুত শিশুৰ মূঠ সংখ্যাৰ এক বুজন সংখ্যক শিশুৱেই হ'ল বিশেষভাৱে সক্ষম আৰু বিশেষ সুবিধাৰ প্ৰয়োজন হোৱা শিশু। এই পৰিবেশে সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা বিশেষভাৱে সক্ষম শিশুৰ প্ৰত্যাহ্বানমূলক প্ৰয়োজনৰ সন্মুখীন হ'বৰ বাবে স্কুলসমূহক সক্ষম কৰি তোলাৰ প্ৰয়োজনীয়তাকে সূচাইছে।

যদিও সকলো বৰ্গৰ শিক্ষাৰ্থীৰ ক্ষেত্ৰতে স্কুল-ত্যাগৰ হাৰ এটা উদ্বেগজনক বিষয়, স্কুল-ত্যাগৰ হাৰ আৰ্থিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ মাজত, বিশেষকৈ এই শ্ৰেণীসমূহৰ পৰা অহা কণ্যা শিশুৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় গড়তকৈ অধিক হৈয়ে আছে। সামাজিক আৰু আৰ্থিকভাৱে অনগ্ৰসৰ সম্প্ৰদায়সমূহৰ পৰা অহা শিশুক স্কুলত ধৰি ৰখাৰ ব্যৱস্থা উন্নত কৰি তুলিবলৈ উপযুক্ত পন্থা হাতত লোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা দৰকাৰ।

বিশেষকৈ প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক স্তৰৰ শিক্ষাৰ অংশগ্ৰহণত লিংগ ভিত্তিক বৈষম্য দূৰ ক্ষেত্ৰত অধিকাংশ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে আদৰণীয় সফলতা লাভ কৰিছে। যি কি নহওক, উচ্চ মাধ্যমিক পৰ্যায়ত এনে বৈষম্য এতিয়াও অটুত আছে। অধিকাংশ কণ্যাকে স্কুললৈ প্ৰেৰণ কৰা নহয়; আৰু মাধ্যমিক শিক্ষা সম্পূৰ্ণ কৰাসকলেও উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালয় পৰ্যায়ত ভৰ্তি হৈ শিক্ষালাভ জাৰী ৰাখিবলৈ সক্ষম হোৱা নাই। স্কুলত থকাৰ সময়ত, বিশেষকৈ মাধ্যমিক স্তৰত, কণ্যা শিশু এনে কিছুমান সমস্যাৰ সন্মুখীন হয়, যিবিলাকে এক বুজন সংখ্যক

কণ্যা শিশুক স্কুলত উপস্থিত থকাৰ পৰা বাৰণ কৰে। লিংগ আৰু সামাজিক বৰ্গৰ মাজৰ এই প্ৰভেদ আঁতৰাবলৈ হাতত লোৱা কাৰ্যসমূহৰ গতি ত্বৰিত কৰাৰ লগতে স্কুলীয়া শিক্ষাত কণ্যাশিশু আৰু সমাজৰ পিছপৰা বৰ্গৰ শিশুৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ বাবে উপযুক্ত উপায় গ্ৰহণ কৰা উচিত।

যুৱ আৰু প্ৰাপ্তবয়স্ক শিক্ষাত থকা উচ্চ লিংগভিত্তিক ব্যৱধান এক মূখ্য প্ৰত্যাহ্বানৰ ৰূপত থিয় দিছে। ভাৰতৰ যুৱ সাক্ষৰতাৰ ক্ষেত্ৰত থকা লিংগ ভিত্তিক ব্যৱধান অধিক (8.2 শতাংশ)। নাৰী আৰু পুৰুষৰ ক্ষেত্ৰত (15-24 বছৰৰ ভিতৰত) 2011 চনৰ যুৱ সাক্ষৰতাৰ হাৰ আছিল ক্ৰমান্বয়ে 90 শতাংশ আৰু 81.8 শতাংশ। ইয়াৰ উপৰিও, প্ৰাপ্তবয়স্ক শিক্ষাত ভাৰতৰ লিংগভিত্তিক ব্যৱধান যথেষ্ট বেছি (19.5 শতাংশ)। নাৰী আৰু পুৰুষৰ ক্ষেত্ৰত (15 বছৰৰ অধিক) 2011 চনৰ এই হাৰ আছিল ক্ৰমান্বয়ে 78.8 শতাংশ আৰু 59.3 শতাংশ। এটা কথা স্পষ্ট যে কণ্যা আৰু নাৰীৰ সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰিবলৈ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা উচিত।

## ব্যৱস্থাজনিত দক্ষতা

শিক্ষাৰ বুনিয়াদী আৰু মাধ্যমিক স্তৰত স্কুল-ত্যাগৰ হাৰ নিম্নগামী হলেও এক বৃহৎ সংখ্যক শিক্ষাৰ্থীয়ে বুনিয়াদী শিক্ষা সমাপ্ত কৰাৰ আগতেই স্কুল ত্যাগ কৰাটো অব্যাহত আছে। 2014-15 চনত, প্ৰাথমিক স্তৰত শিক্ষাৰ্থী ধৰি ৰাখিব পৰা ক্ষমতাৰ হাৰ আছিল 83.7 আৰু বুনিয়াদী স্তৰত ই আছিল 67.4। ইয়াৰ দ্বাৰা এটা কথাই প্ৰমাণ হয় যে গ্ৰেড I-ত নামভৰ্তি কৰা 10 টাৰ ভিতৰ প্ৰায় চাৰিটা শিশুৱেই গ্ৰেড III সম্পূৰ্ণ কৰাৰ আগতে স্কুল ত্যাগ কৰে। মাধ্যমিক স্তৰত স্কুল-ত্যাগৰ হাৰ এতিয়াও উচ্চ হৈয়েই আছে, বিশেষকৈ আৰ্থিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ ক্ষেত্ৰত। যদিও এই ক্ষেত্ৰত সকলো বৰ্গৰ শিক্ষাৰ্থীৰ স্কুল-ত্যাগৰ হাৰ এক চিন্তাজনক বিষয়, তথাপিও

সামাজিক আৰু আৰ্থিকভাৱে অনগ্ৰসৰ শ্ৰেণী, বিশেষকৈ এই শ্ৰেণীৰ কণ্যা শিশুৰ ক্ষেত্ৰত, এই স্কুল-ত্যাগৰ হাৰ ৰাষ্ট্ৰীয় গড়তকৈ যথেষ্ট অধিক। ই এটা কথাৰে প্ৰমাণ কৰে যে স্কুলত সামাজিক আৰু আৰ্থিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ শিক্ষাৰ্থী ধৰি ৰাখিব পৰা ক্ষমতাৰ উন্নতি সাধনৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা দৰকাৰ। নাম-ভৰ্তি কৰা সকলো শিক্ষাৰ্থীৰ বাবে বুনিয়াদী, মাধ্যমিক আৰু উচ্চ মাধ্যমিক শিক্ষা নিশ্চিত কৰাটো এক অতি জৰুৰী কাম ৰূপে পৰিগণিত হৈছে।

## প্ৰশাসন আৰু পৰিচালনা

কেইবাটাও অধ্যয়নে এটা কথা দেখুৱাইছে যে শিক্ষকৰ অভাৱ, স্কুল/মহাবিদ্যালয়/বিশ্ববিদ্যালয়ৰ বাবে বিলম্বিত পুঁজি মুকলি আৰু নিম্ন স্তৰৰ প্ৰশাসনীয় দক্ষতাই শিক্ষাৰ ব্যৱস্থাপনাৰ সমস্যাক অধিক গম্ভীৰ কৰি তুলিছে। কাৰ্যকৰী কাৰ্যসূচীৰ পৰিকল্পনা আৰু ৰূপায়নৰ লগত সম্পৰ্কিত ব্যৱস্থাজনিত সীমাবদ্ধতা এতিয়াও এটা চিন্তাৰ বিষয়েই হৈ আছে। ফলত পৰিকল্পিত কাৰ্যসূচীৰ ৰূপায়নৰ অগ্ৰগতি এতিয়াও অসমান হৈয়েই আছে। প্ৰদানকাৰী আৰু কাৰ্যক্ৰমৰ ভিন্নতা, অনুদানৰ বিবিধতাৰ বাবে শিক্ষা ব্যৱস্থা আৰু প্ৰতিষ্ঠানৰ প্ৰশাসন আৰু পৰিচালনা, বিশেষকৈ তৃতীয় শিক্ষাৰ স্তৰত, জটিল হৈ পৰিছে। এটা কথা সঁচা যে কিছুমান ৰাজ্যই উল্লেখযোগ্য পদক্ষেপ আৰু সৃজনীশীল পৰিচালনাৰ দায়িত্ব ল'বলৈ সক্ষম হৈছে যদিও দেশৰ সামগ্ৰিক চিত্ৰখন এতিয়াও মিশ্ৰিত বুলিয়েই ক'ব পাৰি। ব্যৱস্থা আৰু আনুষ্ঠানিক পৰ্যায়ত প্ৰশাসন আৰু পৰিচালনা নীতিৰ এটা নিৰ্ভৰযোগ্য অধ্যয়নৰ প্ৰয়োজনীয়তা দিনক দিনে অধিক হৈ পৰিছে।

স্কুল আৰু উচ্চ শিক্ষাৰ উপ-ক্ষেত্ৰসমূহত ব্যক্তিগতকৰণৰ মাত্ৰা অত্যাধিক আৰু ব্যক্তিগত প্ৰতিষ্ঠাসমূহে আদায় কৰা মাচুলৰ পৰিমাণেই এই কথাৰ প্ৰমাণ দাঙি ধৰে। শিক্ষা ব্যৱস্থাৰ বিশ্বাসযোগ্যতা নাশ কৰাৰ ক্ষেত্ৰত নিম্ন-মানসম্পন্ন শিক্ষা প্ৰতিষ্ঠানসমূহৰ দ্ৰুত বৃদ্ধিয়ে বিশেষ

অহিৰণা আগবঢ়াইছে।

## গৱেষণা আৰু বিকাশ

ভাৰতৰ বিশ্ববিদ্যালয়সমূহত গৱেষণা আৰু বিকাশৰ পদক্ষেপসমূহ এতিয়াও দুৰ্বল হৈয়েই আছে। ইতিমধ্যে কৰ্মৰত শিক্ষকৰ কৌশল বৃদ্ধি; শিক্ষণ আৰু গৱেষণাৰ দুয়ো ক্ষেত্ৰতে উৎকৰ্ষতাৰ বৃদ্ধি; উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহক উদগণি আৰু সমৰ্থন প্ৰদান কৰি আন্তঃৰাষ্ট্ৰীয়কৰণৰ প্ৰসাৰ আৰু সেইবিলাকৰ শিক্ষকক বিশ্বৰ আন প্ৰতিষ্ঠানৰ লগত সহযোগিতাৰ দ্বাৰা গৱেষণাৰ মান বৃদ্ধি কৰিবলৈ অনুপ্ৰেৰণা; গৱেষণাৰ বাবে সহযোগিতাৰ সৃষ্টি; জ্ঞান বিকাশৰ প্ৰক্ৰিয়া ত্বৰিত কৰিবলৈ গৱেষণা প্ৰতিষ্ঠান আৰু উদ্যোগৰ সৈতে বিশ্ববিদ্যালয়ৰ বিভাগসমূহ সংযোগ কৰাৰ বাবে এই পৰ্যন্ত সীমিত পদক্ষেপহে হাতত লোৱা হৈছে।

## বাজেটজনিত সীমাবদ্ধতা

শিক্ষাৰ বাবে পৰ্যাপ্ত নোহোৱা পুঁজি আবণ্টনে শিক্ষাক সকলোৰে বাবে মুক্ত কৰি তোলাৰ লগতে ইয়াৰ মান বৰ্ধনৰ চেষ্টা বিৰূপ প্ৰভাৱ পেলাইছে। কেইবাটাও অধ্যয়নত এটা কথা উল্লেখ কৰা হৈছে যে স্কুল/মহাবিদ্যালয়/বিশ্ববিদ্যালয়ৰ বাবে বিলম্বিত পুঁজি মুকলিয়ে শিক্ষা প্ৰশাসনৰ প্ৰত্যাহ্বানসমূহ দুগুণে বৃদ্ধি কৰি তুলিছে। পূৰ্বৰ শিক্ষা নীতিসমূহে GDP-ৰ নুন্যতম 6 শতাংশ শিক্ষা খণ্ডৰ বাবে আবণ্টন দিবলৈ পৰামৰ্শ প্ৰদান কৰিছিল। কিন্তু এই লক্ষ্যত কেতিয়াও উপনীত হ'ব পৰা নগ'ল। পুঁজিৰ উপলব্ধতাৰ ক্ষেত্ৰত থকা সমস্যাসমূহ স্কুল, উচ্চ আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ প্ৰসাৰ আৰু শিক্ষাত এক যুক্তিসংগত মানদণ্ড বৰ্তাই ৰখাৰ বাবে দৰকাৰী কিছুমান কাৰ্যসূচী ৰূপায়ন কৰাৰ পথত হেঙাৰ হৈ পৰিছে। সময়মতে কাৰ্যসূচী ৰূপায়ন কৰাৰ ক্ষেত্ৰত দুখলগা ধৰণে বিফল হোৱাৰ ফলত প্ৰদানিত সম্পদৰো উচিত ব্যৱহাৰ সম্ভৱ হৈ উঠা নাই।

# বিশ্বজনীন প্ৰতিশ্ৰুতি

এজেণ্ডা 2030-ত অন্তৰ্ভুক্ত বিশ্ব ধাৰণক্ষম বিকাশ লক্ষ্য 4 (SDG 4)এ 'সকলোৰে বাবে সৰ্বব্যাপী আৰু নাৰ্য মানসম্পন্ন শিক্ষা নিশ্চিত আৰু জীৱনজোৰা শিক্ষণ সুবিধা প্ৰদান' কৰিব বিচাৰিছে। 2000 চনত আৰম্ভ কৰা EFA এজেণ্ডা এতিয়াও অসম্পূৰ্ণ হৈ আছে আৰু ই বিশেষকৈ যুৱক আৰু প্ৰাপ্তবয়স্ক সাক্ষৰতা, স্কুল ব্যৱস্থাৰ বাহিৰত থকা শিশু, প্ৰাক শৈশৱ যত্ন আৰু শিক্ষা, কৌশল বিকাশৰ বাবে অপৰিসীম সুবিধাৰ অভাৱ, শিক্ষাৰ অসন্তোষজনক মানদণ্ড আৰু শিক্ষাৰ্থীৰ শিকন পৰ্যায় আদিৰ লগত সম্পৰ্কিত। সেইবাবে, NEP-এ অসমাপ্ত EFA এজেণ্ডা আৰু SDG4-ৰ লগত সম্বন্ধিত লক্ষ্য প্ৰাপ্তিৰ বাবে চেষ্টা কৰিব।

শিক্ষা খণ্ডই সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ নিৰ্মূলৰ বাবে সামগ্ৰিকভাৱে শিক্ষা বিকাশ আৰু মানদণ্ড বজাই ৰখা নিশ্চিত কৰিবলৈ আৰু প্ৰৱেশ আৰু নাৰ্যতাৰ ক্ষেত্ৰত কোনো আপোচ নকৰাৰ বাবে সৃষ্টিশীল পদক্ষেপ আৰু নেৰানেপেৰা চেষ্টাৰ প্ৰয়োজন। ভাৰতত শিক্ষাৰ বিকাশ সাধন আৰু দেশৰ 'জনতাত্বিক লাভা-লাভ'ৰ সম্পূৰ্ণ সুযোগ লাভ কৰিবলৈ ভিন্ন প্ৰকাৰৰ প্ৰত্যাহ্বানসমূহৰ সমাধান নিৰ্ণয়ৰ বাবে সফল কৌশলৰ প্ৰয়োগত বিশেষ গুৰুত্ব প্ৰদান কৰা উচিত।

## অধ্যায়-3

# পৰিকল্পনা, মিছন, লক্ষ্য আৰু উদ্দেশ্য

### পৰিকল্পনা

ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP), 2016-এ এটা কাৰ্যক্ষম জীৱন যাপন কৰিবলৈ, দেশৰ বিকাশ প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰিবলৈ, দ্ৰুত পৰিৱৰ্তিত, সদা-বিশ্বায়িত, জ্ঞান-আধাৰিত অৰ্থনীতি আৰু সামাজিক প্ৰয়োজনীয়তাৰ প্ৰতি সঁহাৰি জনাবলৈ দৰকাৰী জ্ঞান, কৌশল, মনোভাৱ আৰু মূল্যবোধেৰে সু-সজ্জিত শিক্ষাৰ্থী/স্নাতক সৃষ্টি কৰাৰ লগতে সকলোৰে বাবে সৰ্বব্যাপী মানসম্পন্ন শিক্ষা আৰু জীৱনজোৰা শিক্ষালাভৰ সুবিধা প্ৰদান কৰিব পৰা এটা বিশ্বাসযোগ্য আৰু উচ্চ-দক্ষতাসম্পন্ন শিক্ষা ব্যৱস্থাৰ কল্পনা কৰিছে।

### মিছন

- শিশু, যুৱক আৰু প্ৰাপ্তবয়স্ক – এই সকলোৰে বাবে নাৰ্য, সৰ্বব্যাপী আৰু মানসম্পন্ন শিক্ষা আৰু জীৱনজোৰা শিক্ষালাভৰ সুবিধা নিশ্চিত কৰা – আৰু নিৰপেক্ষতা আৰু উৎকৰ্ষতাৰ সৈতে দেশৰ মানৱসম্পদৰ সম্পূৰ্ণ সম্ভাৱনাৰ উপলব্ধিক প্ৰচাৰ কৰা;
- স্কুল আৰু উচ্চ শিক্ষাৰ লগতে প্ৰাপ্তবয়স্ক শিক্ষা কাৰ্যসূচীসমূহে শিশু, যুৱক আৰু প্ৰাপ্তবয়স্ক লোকৰ মাজত ভাৰতৰ সমৃদ্ধ ঐতিহ্য, গৌৰৱময় অতীত, মহান পৰম্পৰা আৰু নানাধৰ্মী সংস্কৃতি সম্পৰ্কে সচেতনতাৰ সৃষ্টি কৰা, আৰু সকলো স্তৰৰে শিক্ষাৰ্থীৰ দ্বাৰা এনে মূল্যবোধসম্পন্ন শিক্ষালাভ সম্ভৱ কৰি তোলা যি বিশ্ব নাগৰিক সৃষ্টি আৰু ধাৰণক্ষম বিকাশত সহায়ক হ'ব পৰাকৈ দায়বদ্ধ নাগৰিক, শান্তি, সহিষ্ণুতা, ধৰ্মনিৰপেক্ষতা, ৰাষ্ট্ৰীয় সংহতি, সামাজিক সংসক্তি, সকলো ধৰ্মৰ প্ৰতি পাৰস্পৰিক সন্মান আৰু লগতে সাৰ্বজনীন

মূল্যবোধৰ নিশ্চিত প্ৰদান কৰিব পাৰে;

- পাঠ্যক্ৰম, শিক্ষণ সামগ্ৰী, বিদ্যায়তনিক প্ৰক্ৰিয়া, শিক্ষালাভৰ মূল্যায়ন, শিক্ষকৰ মানদণ্ড আৰু দক্ষতাৰ সৈতে সম্পৰ্কিত সংস্কাৰ, আৰু শিক্ষাৰ সকলো স্তৰৰ সকলো শিক্ষাৰ্থীয়ে এটা ফলদায়ক জীৱন যাপন কৰা, দেশৰ বিকাশৰ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰা আৰু সাম্প্ৰতিক বিশ্বজনীন প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱা সম্ভৱ কৰি তুলিব পৰা শিক্ষালাভৰ নিৰ্দিষ্ট ফলসমূহ (জ্ঞান, কৌশল, মনোভাৱ আৰু মূল্যবোধ) প্ৰাপ্ত কৰিবলৈ সক্ষম কৰি তোলাৰ বাবে আনুষ্ঠানিক নেতৃত্ব আৰু ব্যৱস্থাপনৰ সৈতে সম্পৰ্কিত সংস্কাৰৰ ওপৰত উপযুক্ত গুৰুত্বৰ সৈতে মানসম্পন্ন শিক্ষাৰ প্ৰসাৰ;
- কাম আৰু এন্টাৰপ্ৰেনিঅ'ৰশ্বিপৰ বাবে কাৰিকৰী আৰু বৃত্তিগত কৌশলক সামৰি সকলো প্ৰয়োজনীয় কৌশল শিক্ষাৰ্থীয়ে লাভ কৰিব পৰাৰ ব্যৱস্থা কৰাৰ লগতে মুখস্ত বিদ্যাৰ অৱসান ঘটাই কৌশল আৰু দক্ষতাৰ বিকাশ সাধন কৰি শিক্ষাৰ্থীক অধিক সৃষ্টিশীল আৰু উদ্ভাৱনশীল হ'বলৈ, যুক্তিসহকাৰে চিন্তা কৰিবলৈ, সফলভাৱে ভাৱৰ আদান-প্ৰদান কৰিবলৈ, স্বাধীনভাৱে সমস্যাৰ সমাধান কৰিবলৈ আৰু ৰাষ্ট্ৰীয় বিকাশলৈ অৱদান আগবঢ়াবলৈ সক্ষম কৰি তোলা;

## লক্ষ্য আৰু উদ্দেশ্য

সামগ্ৰিক লক্ষ্য হ'ল শিক্ষাৰ মান আৰু প্ৰয়োজনীয়তা আৰু ভাৰতৰ শিক্ষা ব্যৱস্থাৰ বিশ্বাসযোগ্যতা বৃদ্ধি কৰা, স্কুল আৰু উচ্চ শিক্ষা ব্যৱস্থাৰ পৰা অহাসকলৰ নিয়োগযোগ্যতা বৃদ্ধি কৰা, কাৰিকৰী আৰু বৃত্তিগত শিক্ষা আৰু প্ৰশিক্ষণক (TVET) সামৰি আগতীয়া বাল্য শিক্ষাৰ পৰা তৃতীয় পৰ্যায়ৰ শিক্ষালৈকে সকলোতে নাৰ্য প্ৰৱেশাধিকাৰৰ লগতে জীৱনজোৰা শিক্ষালাভৰ সুবিধা, আৰু শৈক্ষিক সুবিধাসমূহ সমাজৰ সকলো স্তৰৰ বাবে উপলব্ধ কৰি তোলাতো নিশ্চিত কৰা,

পৰিকল্পনা আৰু মিছন সফল কৰি তুলিবৰ বাবে শিক্ষাৰ মূল উদ্দেশ্যসমূহ হ'ল তলত দিয়া ধৰণৰ:

- আগতীয়া বাল্য শিক্ষা সেৱাৰ বিস্তাৰ সাধন কৰা যাতে সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ শিশুৰ প্ৰতি বিশেষ মনোযোগ প্ৰদান কৰি প্ৰাক-বিদ্যালয় বয়সীয়া 4-5 বছৰৰ সকলো শিশুৱে প্ৰাথমিক শিক্ষা পৰ্যায়লৈ মসৃণভাৱে আগুৱাবৰ বাবে প্ৰয়োজনীয় শিক্ষা আৰু বিকাশ লাভ কৰিব পাৰে;
- সাৰ্বজনীন বুনিয়াদী আৰু মাধ্যমিক শিক্ষা উপলব্ধ কৰাৰ লগতে মাধ্যমিক শিক্ষা সমাপ্ত কৰা সকলো স্নাতকৰ বাবে উচ্চতৰ মাধ্যমিক শিক্ষালৈ প্ৰৱেশ সম্ভৱ কৰি তোলা আৰু সকলো উচ্চতৰ মাধ্যমিক স্নাতকৰ বাবে উচ্চ শিক্ষা লাভৰ নাৰ্য অধিকাৰ সম্ভৱপৰ কৰি তুলি নাম ভৰ্তি কৰা সকলো শিক্ষাৰ্থীক তেওঁলোকৰ প্ৰত্যাশিত শৈক্ষিক ফলাফলৰ সৈতে সফলভাৱে শিক্ষা সম্পূৰ্ণ কৰিবলৈ সহায় আগবঢ়োৱা;
- সামাজিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ শিশুৰ প্ৰতি, বিশেষকৈ বিভিন্ন ধৰণৰ বিকলতাত ভোগা শিশু, নাবালক আৰু যুৱকৰ বিশেষ প্ৰয়োজনীয়তাৰ ওপৰত বিশেষ মনোযোগ প্ৰদান কৰি সকলো শিক্ষা কাৰ্যসূচী সুলভ, সৰ্বব্যাপী আৰু শিশু আৰু যুৱকৰ বিভিন্ন গোটৰ প্ৰয়োজন অনুসৰি সংবেদনশীল কৰি তোলাতো নিশ্চিত কৰাৰ লগতে নামভৰ্তি কৰা সকলো শিক্ষাৰ্থীক তেওঁলোকৰ প্ৰত্যাশিত শৈক্ষিক ফলাফলৰ সৈতে সফলভাৱে শিক্ষা সম্পূৰ্ণ কৰিবলৈ সহায় আগবঢ়োৱা;
- শিক্ষাত থকা সামাজিক, ক্ষেত্ৰীয় আৰু লিংগ বৈষম্য নাশ কৰাটো নিশ্চিত কৰাৰ লগতে সমগ্ৰ শিক্ষা ব্যৱস্থাত লিংগৰ সমানাধিকাৰ আৰু ছোৱালী আৰু নাৰীৰ সবলীকৰণত অগ্ৰাধিকাৰ প্ৰদান কৰা;

- কৌশল বিকাশৰ বাবে সুযোগ-সুবিধাৰ বিস্তাৰ আৰু যুৱক আৰু প্ৰাপ্তবয়স্ক লোকৰ দ্বাৰা নিজকে নিয়োগযোগ্য, কাম আৰু এণ্টাৰপ্ৰেনিঅ'ৰশ্বিপ আৰু সদা-পৰিৱৰ্তিত কৰ্মৰ জগতৰ লগত যুক্ত কৰি তোলাৰ বাবে প্ৰয়োজনীয় কাৰিকৰী আৰু বৃত্তিগত কৌশলৰ আহৰণৰ বাবে দৰকাৰী কৌশল আৰু সক্ষমতাৰ বিকাশ নিশ্চিত কৰি তোলা;
- আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ বাহিৰত থকা যুৱক (15-24 বছৰ) আৰু প্ৰাপ্তবয়স্ক (15 বছৰ বা তাতোধিক) লোকক সামৰি অৰ্থনীতিৰ অনানুষ্ঠানিক ক্ষেত্ৰত কাম কৰি থকা সকলোকে নিয়োগযোগ্য হ'বৰ বাবে কৌশল আহৰণৰ সুবিধা প্ৰদান নিশ্চিত কৰি তোলা;
- কাৰিকৰী আৰু পেচাদাৰী শিক্ষাক সামৰি তৃতীয় পৰ্যায়ৰ শিক্ষালৈ সৰ্বব্যাপী প্ৰৱেশ নিশ্চিত কৰিবলৈ উচ্চ শিক্ষা ব্যৱস্থাৰ সংস্কাৰসাধন, উচ্চ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত বিভিন্ন গোটৰ অসমতা সংকোচন, আৰু নামভৰ্তি কৰা সকলো শিক্ষাৰ্থীক তেওঁলোকৰ প্ৰত্যাশিত শৈক্ষিক ফলাফল লাভৰ লগতে নিয়োগযোগ্য কৌশলৰ বিকাশ সাধন কৰিবলৈ শিক্ষাদান আৰু গৱেষণা উন্নত কৰি সকলো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানত নব্য জ্ঞানৰ সৃজন সম্ভৱ কৰি তোলা;
- শিক্ষকৰ প্ৰশিক্ষণ আৰু শৈক্ষিক পৰিকল্পনা আৰু ব্যৱস্থাপনৰ সবল কৰাৰ বাবে শিক্ষাত তথ্য আৰু প্ৰচাৰ প্ৰযুক্তিৰ (ICT) সংযোজন নিশ্চিতকৰণ, বিশেষকৈ শিক্ষালৈ প্ৰৱেশ উন্নত কৰা, শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ মান বৃদ্ধি কৰাৰ বাবে;
- শিক্ষকৰ বাবে নিৰ্ধাৰিত সামৰ্থ আৰু পেচাদাৰী মানৰ অধিকাৰী যোগ্যতাসম্পন্ন আৰু সক্ষম শিক্ষকৰ পৰ্যাপ্ত উপলব্ধতা নিশ্চিত কৰিবলৈ শিক্ষকৰ ক্ৰমাগত পেচাদাৰী উন্নতিক সামৰি শিক্ষকৰ বিকাশ আৰু ব্যৱস্থাপনৰ পদ্ধতিৰ সংস্কাৰসাধন নিশ্চিত কৰা;
- সকলো যুৱক আৰু পুৰুষ-মহিলাক সামৰি অতি কমেও 90% প্ৰাপ্তবয়স্কই প্ৰাপ্তবয়স্ক শিক্ষা কাৰ্যসূচীৰ দ্বাৰা নিৰ্ধাৰিত স্তৰৰ সাক্ষৰতা আৰু সংখ্যা-সম্বন্ধীয় কৌশল প্ৰাপ্ত কৰাটো

নিশ্চিত কৰি তোলা;

- শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসন আৰু ব্যৱস্থাপনৰ এক সংবেদনশীল, অংশগ্ৰহণমূলক আৰু দায়বদ্ধ প্ৰণালী আনুষ্ঠানিকভাৱে স্থাপন কৰা আৰু শিক্ষা খণ্ডৰ পৰিকল্পনা আৰু ব্যৱস্থাপনাৰ বাবে ৰাষ্ট্ৰীয়, উপ-ৰাষ্ট্ৰীয় আৰু স্থানীয় স্তৰত থকা শৈক্ষিক পৰিকল্পনা আৰু ব্যৱস্থাপনা অনুশীলন পৰিগাঁথনিসমূহ উন্নত কৰি তোলাটো নিশ্চিত কৰি তোলাৰ লগতে সাম্প্ৰতিক শৈক্ষিক অগ্ৰাধিকাৰ আৰু সদা-সম্প্ৰসাৰিত শিক্ষা খণ্ডৰ প্ৰয়োজনীয়তাসমূহ পূৰণৰ বাবে সংবেদনশীল কৰি তোলা;
- প্ৰতিষ্ঠানিক নেতৃত্বৰ পেচাদাৰীকৰণ আৰু উন্নতি সাধনৰ লগতে সাম্প্ৰতিক শৈক্ষিক অগ্ৰাধিকাৰ আৰু সদা-সম্প্ৰসাৰিত শিক্ষা খণ্ডৰ প্ৰয়োজনীয়তাসমূহ পূৰণ কৰিবলৈ ৰাষ্ট্ৰীয়, উপ-ৰাষ্ট্ৰীয় আৰু প্ৰতিষ্ঠানিক স্তৰত শিক্ষা ক্ষেত্ৰৰ নেতৃত্বৰ সবলীকৰণ নিশ্চিত কৰি তোলা;
- শৈক্ষিক বিকাশ কাৰ্যসূচীসমূহৰ বাবে বৰ্ধিত আৰু উচিত-লক্ষ্যযুক্ত অৰ্থ-যোগান নিশ্চিত কৰা।

ভৱিষ্যতৰ শিক্ষা কাৰ্যক্ৰমৰ দিক জীৱনজোৰা আৰু সামগ্ৰিক পৰিপেক্ষাৰে নিৰ্ণয় কৰা হৈছে। এই নীতিয়ে কৰ্মৰ জগতখনৰ লগত সম্পৰ্কিত হ'ব পৰাকৈ শিকাৰুৰ পচন্দ আৰু সম্ভাৱনীয়তাৰ ওপৰত নিৰ্ভৰ কৰি শিক্ষালাভৰ বিভিন্ন পথত তেওঁলোকৰ সহায়ক হ'ব পৰাকৈ শিক্ষাৰ সুযোগ প্ৰসাৰিত কৰি তোলাৰ পৰিকল্পনা কৰিছে। লগতে মুক্ত আৰু দূৰৱৰ্তী শিক্ষালাভৰ প্ৰক্ৰিয়াক সামৰি আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষালাভৰ কাৰ্যবিধিৰ যোগেদি শিকাৰুৱে লাভ কৰা শৈক্ষিক ফলাফলৰ স্বীকৃতি প্ৰদান আৰু প্ৰামাণীকৰণৰো নিশ্চয়তা প্ৰদান কৰিছে।

## অধ্যায়-৪

# নীতি সংৰচনা

উল্লিখিত খণ্ডসমূহত আমি ভৱিষ্যত পৰিকল্পনা, সাম্ভাব্য প্ৰত্যাহ্বান আৰু নীতি তথা উদ্দেশ্যৰ ৰূপৰেখা এটা দাঙি ধৰিছো আৰু সুনির্দিষ্ট প্ৰয়োগৰ দ্বাৰা ইয়াক ভালদৰে অনুধাৱন কৰিব পৰা যাব। ইয়াৰ ভিতৰৰ ভালেখিনি কাৰ্য আৰম্ভ হৈছে আৰু ই বহুবছৰ ধৰি চলাৰ উপৰিও কিছু ক্ষেত্ৰত কেইবা দশক ধৰি চলি থাকিব। আমাৰ শিক্ষাব্যৱস্থাৰ বিস্তৃতি আৰু ৰাজ্যভেদে থকা ইয়াৰ আভ্যন্তৰীণ বিধিব্যৱস্থাৰ বিভিন্নতাক আমি স্বীকাৰ কৰিবই লাগিব। ইয়াৰ উপৰিও এই ব্যৱস্থাৰ দিকনিৰ্ণয়কাৰী পৰিৱৰ্তন কৰিবলৈ ইয়াৰ মাজত থকা বহুধাবিভক্ত প্ৰত্যাহ্বান গ্ৰহণ কৰা, তাক অন্তৰ্ভুক্ত কৰা আৰু উৎকৰ্ষ সাধনৰ বাবে এটা নির্দিষ্ট উপায় বা সমাধান পোৱা নাযায়। দেশখনত এই শিক্ষাব্যৱস্থাৰ প্ৰসাৰ তথা বিভিন্ন দিশ অন্তৰ্ভুক্ত কৰাৰ বাবে যি প্ৰচেষ্টা চলি আছে তাৰ লাভালাভৰ নিদৰ্শন ইতিমধ্যে পোৱাৰ দৰে এই নীতিৰ বিশ্বাসযোগ্যতাও শিক্ষাৰ মানদণ্ডৰ ওপৰত নিৰ্ভৰ কৰিব। বৃত্তিমুখীতা এটা অতি গুৰুত্বপূৰ্ণ দিশ আৰু শিক্ষাব্যৱস্থাক বৃত্তিমুখী কৰাত বিশেষভাৱে গুৰুত্ব দিয়া হৈছে। বিশ্বব্যাপী ঘটা পৰিৱৰ্তন আৰু প্ৰযুক্তিগত বিকাশৰ ওপৰত দৃষ্টি ৰাখি তথা বিভিন্ন লক্ষ্য অনুধাৱনৰ অৰ্থে কিছুমান নতুন ক্ষেত্ৰ অন্তৰ্ভুক্ত কৰাৰ প্ৰচেষ্টা কৰা হৈছে।

কেন্দ্ৰীয়, ৰাজ্যিক, কেন্দ্ৰীয় শাসিত অঞ্চল তথা স্থানীয়-সকলো চৰকাৰী স্তৰৰ প্ৰতিখন সুনির্দিষ্ট ক্ষেত্ৰতে প্ৰয়োগ কৰিব পৰা বিধি প্ৰস্তুত কৰা হ'ব। ৰাষ্ট্ৰীয় শিক্ষা নীতি 2016-ৰ সৈতে সংগতি ৰাখি, বিশেষকৈ ৰাজ্যিক আৰু স্থানীয় চৰকাৰী ব্যৱস্থাক নিজৰ নিজৰ বিধি-ব্যৱস্থা আৰু প্ৰায়োগিক নীতি নিৰ্ধাৰণৰ বাবে উৎসাহিত কৰা হ'ব।

মুখ্য ক্ষেত্ৰ আৰু গ্ৰহণ কৰিবলগীয়া কাৰ্যপ্ৰণালীসমূহ তলৰ ছেদসমূহত উল্লেখ কৰা হ'ল। এইটো

উল্লেখ কৰাৰ প্ৰয়োজন নাই যে, এইবোৰ বিৱৰণধৰ্মী নহয় আৰু সাম্ভাব্য অন্যান্য কাৰ্যপ্ৰণালী সম্পৰ্কে পৰৱৰ্তী সময়ত বিবেচনা কৰা হ'ব।

**শাখা নং বিষয়**

**4.1 প্ৰাক-বিদ্যালয় শিক্ষা**

পূৰ্বতে প্ৰাক-বিদ্যালয় শিক্ষাই বিশেষ গুৰুত্ব লাভ কৰা নাছিল আৰু লগতে চৰকাৰী বিদ্যালয়ত প্ৰাক-বিদ্যালয় শিক্ষা প্ৰদানৰ ব্যৱস্থাও নাছিল। স্ত্ৰী আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ অন্তৰ্গত সংহত শিশু বিকাশ সেৱা (Integrated Child Development Services)ৰ কাৰ্যক্ৰমৰ মাজেৰে শিশু শিক্ষা প্ৰদানৰ প্ৰয়াস কৰা হৈছিল। এইটো সাৰ্বজনগ্ৰাহ্য যে, প্ৰাৰম্ভিক কালচোৱাতে শিশুৰ মানসিক আৰু শাৰীৰিক বিকাশৰ মাত্ৰা অধিক হয় আৰু সেইবাবে এই সময়চোৱা অতি গুৰুত্বপূৰ্ণ।

ইয়াৰ বাবে তলত উল্লেখ কৰা নীতিসমূহ বিবেচনা কৰা হৈছে:

1. স্ত্ৰী আৰু শিশু বিকাশ মন্ত্ৰালয়ৰ সহযোগত 4-ৰ পৰা 5 বছৰ বয়সৰ শিশুসকলৰ বাবে প্ৰাক্ বিদ্যালয় শিক্ষাৰ কাৰ্যক্ৰম কাৰ্যকৰী কৰাত অগ্ৰাধিকাৰ দিয়া হ'ব।

2. বৰ্তমানে দেখা গৈছে যে, সংহত শিশু বিকাশ সেৱাৰ অন্তৰ্গত অংগনবাদী প্ৰাক্ বিদ্যালয় শিক্ষাৰ বাবে উপযুক্ত নহয়। অংগনবাদীত অন্তৰ্ভুক্ত প্ৰাক-বিদ্যালয় শিক্ষা ব্যাৱস্থাক শক্তিশালী কৰিবলৈ ৰাজ্যসমূহৰ সৈতে কিছুমান কাৰ্যব্যৱস্থা হাতত লোৱা হ'ব।

3. ৰাজ্য চৰকাৰে প্ৰাক্ প্ৰাথমিক শিক্ষক গোট তৈয়াৰ কৰিব আৰু তেওঁলোকৰ বাবে প্ৰয়োজনীয় সুবিধা আৰু নিযুক্তি-পূৰ্ব তথা চাকৰিৰ অন্তৰ্বৰ্তীকালীন

প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব। অংগনবাদীৰ পৰা প্ৰাথমিক স্তৰলৈ স্থানান্তৰ ক্ৰমাগত তথা অবিচ্ছিন্ন হ'ব আৰু ইয়াক সফল কৰি তোলাৰ সময়সীমা নিৰ্ধাৰণৰ দায়িত্ব প্ৰতিখন ৰাজ্য ওপৰত এৰি দিয়া হ'ব।

4. যথা সময়ত সকলোবোৰ প্ৰাথমিক বিদ্যালয়ে প্ৰাক্ প্ৰাথমিক শিক্ষাকো সামৰি ল'ব। ইয়াৰ বাবে সকলোবোৰ অংগনবাদীকে হয় বিদ্যালয়ৰ লগত চামিল কৰা হ'ব নহয় যথাসাধ্য বিদ্যালয়ৰ ওচৰ চপাই অনা হ'ব।
5. ব্যক্তিগত খণ্ডৰ প্ৰাক্ বিদ্যালয়ৰ বাবে উপযুক্ত পৰিচালনা আৰু পৰ্যৱেক্ষণ নীতি আৰু পদ্ধতি নিৰ্ধাৰণ কৰা হ’ব।

## 4.2 শিশু আৰু কৈশোৰ শিক্ষাৰ অধিকাৰৰ ৰক্ষণাৱেক্ষণ

শিশুৰ অধিকাৰৰ নিৰাপত্তা, শিশুৰ ব্যক্তিগত সুৰক্ষাৰ উপৰিও সামূহিক শাস্তিৰ পৰা নিবৃত্তি, মানসিক আৰু শাৰীৰিক আতিশয্য, স্কুলত থকাৰ সময়ত পাব পৰা আঘাত, সুৰক্ষিত আন্তঃগাঁথনি, শিশু উপযোগী ভাষা তথা আচৰণ আৰু কাৰ্যব্যৱস্থা, শিশুসকলৰ মাজত বিভাজনৰ সৃষ্টি, শাৰীৰিকভাৱে অপদস্থকৰণ, তিৰষ্কাৰ, উৎপীড়ণ আদিৰ পৰা দূৰত ৰখাৰ গুৰুত্বপূৰ্ণ দিশো জড়িত হৈ থাকে। ইয়াৰ অৰ্থ হ’ল উপযুক্ত পৰিৱেশ সৃষ্টি কৰা যিটো শিশু অধিকাৰৰ ক্ষেত্ৰত স্পৰ্শকাতৰ আৰু গ্ৰহণযোগ্য। ইয়াৰ বাবে নিম্নলিখিত নীতিসমূহ বিবেচনা কৰা হৈছে:

1. বিদ্যালয়ত শিশুৰ সুৰক্ষা আৰু ৰক্ষণাৱেক্ষণ কিছুমান বিধি আৰু নিৰ্দেশনাৰ দ্বাৰা নিশ্চিত কৰিব লাগিব আৰু বিদ্যালয়ৰ পঞ্জীয়ন আৰু স্বীকৃতি প্ৰদানৰ ক্ষেত্ৰত ইয়াক যোগ্যতা পৰিমাপকৰ অংশ স্বৰূপে গ্ৰহণ কৰিব লাগিব।
2. শিক্ষকৰ শিক্ষণ প্ৰক্ৰিয়া, প্ৰশিক্ষণ কাৰ্য আৰু ৰিফ্ৰেচাৰ কাৰ্যক্ৰমৰ জৰিয়তে শিশুৰ অধিকাৰৰ সৈতে সংযুক্ত বিধি, নিয়ম, অধিনিয়ম আদিৰ বিষয়ে

প্ৰতিগৰাকী অধ্যক্ষ তথা শিক্ষকেই অৱগত হ'ব লাগিব।

3. কৈশোৰ শিক্ষাৰ কাৰ্যক্ৰম আৰু ৰাষ্ট্ৰীয় জনসংখ্যা শিক্ষাক পৰ্যায়ক্ৰমে সংযুক্ত ৰূপত পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হ'ব।
4. মাধ্যমিক শিক্ষকসকলক নিযুক্তিৰ পূৰ্বে আৰু চাকৰীৰ অন্তৰ্ৱতীকালীন প্ৰশিক্ষণত কৈশোৰ শিক্ষাক অন্তৰ্ভুক্ত কৰা হ'ব।
5. ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকৰ হিতাৰ্থে শিশুৰ অধিকাৰৰ বিষয়ে স্ব-শিকন অনলাইন কাৰ্যক্ৰমৰ ব্যৱস্থা কৰা হ'ব।
6. উঠি অহা কিশোৰ-কিশোৰীৰ বয়ঃসন্ধি কালৰ সমস্যাসমূহৰ সমাধানৰ বাবে গোপনে উপদেশ দিবলৈ বিদ্যালয়সমূহত প্ৰশিক্ষণপ্ৰাপ্ত পৰামৰ্শদাতা নিযুক্তি দিয়া হ'ব।

## 4.3 শিক্ষাত শিকনৰ ফলাফল

প্ৰাথমিক শিক্ষাত নিম্নমানৰ ফলাফল এক গুৰুতৰ বিষয় হৈ পৰিছে। অধ্যয়নৰ পৰা দেখা গৈছে যে, ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ৰ এই পৰ্যায়ত পঢ়া, লিখা আৰু গণনাৰ প্ৰাথমিক জ্ঞানখিনিও আয়ত্ব কৰিবলৈ অপাৰগ হয়। এই ক্ষেত্ৰত ৰাজ্যসমূহে পদক্ষেপ গ্ৰহণ কৰিছে। উদাহৰণস্বৰূপে শিকন প্ৰক্ৰিয়াৰ ফলাফল নিৰ্ণয় আৰু প্ৰথম পৰ্যায়ৰ পঠন, লিখন, ধাৰণাশক্তি পৰীক্ষণ আৰু অংকৰ কাৰ্যক্ৰম আদিৰ উত্তৰণ ঘটোৱা। তত্ৰাচ, এইসমূহ প্ৰচেষ্টাৰ অন্ততো নিম্নমানৰ ফলাফল এক প্ৰত্যাহ্বান ৰূপে দেখা দিছে। সেইবাবে, শিকনৰ ফলাফলৰ উন্নতিৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ দিলে প্ৰাথমিক শিক্ষাৰ মান উন্নত হ'ব।

ইয়াৰ বাবে নিম্নলিখিত নীতিসমূহ বিবেচনা কৰা হৈছে:

1. RTE অধিনিয়মত নিৰ্দিষ্ট কৰি দিয়া আন্তঃগাঁথনিৰ মানৰ লগতে শিকনৰ

ফলাফলৰ মানৰ উন্নতি ঘটোৱা হ'ব আৰু ইয়াক ব্যক্তিগত আৰু চৰকাৰী উভয় প্ৰকাৰৰ বিদ্যালয়ৰ ক্ষেত্ৰত সমানভাৱে প্ৰয়োগ কৰা হ'ব।

2. RTE অধিনিয়মৰ দ্বাৰা নিৰ্দেশিত মানদণ্ডৰ আধাৰত, ৰাজ্যসমূহে স্থানীয় পৰিস্থিতিৰ প্ৰতি দৃষ্টি ৰাখি নিজাকৈ আন্তঃগাঁথনিৰ পৰিকল্পনা আৰু আৰ্হি প্ৰস্তুত কৰাত নমনীয়তা অৱলম্বন কৰা হ'ব। প্ৰয়োজন সাপেক্ষে, বিশেষ শ্ৰেণীৰ অত্যাধিক ক্ষতিগ্ৰস্ত আৰু প্ৰৱজিত, আৰু নিম্নমানৰ পৰিৱেশত বসবাস কৰা শিশুসকলৰ বাবে শৈক্ষিক কাৰ্যত ব্ৰতী বিকল্প বিদ্যালয়ৰ বাবে RTE অধিনিয়মৰ সংশোধন ঘটাই হলেও স্থানীয় পৰিস্থিতিৰ আধাৰত স্থানীয় মান নিৰ্ধাৰণৰ বিকাশ ঘটোৱা হ'ব।
3. ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দক্ষতাৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলোৱা আৰু বৰ্তমানে চলি থকা পৰীক্ষাবিহীন ব্যৱস্থাৰ সংশোধন ঘটোৱা হ'ব। পৰীক্ষাবিহীন শিক্ষানীতি পঞ্চম শ্ৰেণীতেই সীমাবদ্ধ ৰখা হ'ব আৰু এই পদ্ধতি উচ্চ-প্ৰাথমিক স্তৰত প্ৰয়োগ কৰা হ'ব। প্ৰতিকাৰমূলক পাঠদানৰ বাবে বিদ্যালয় নিয়ন্ত্ৰিত CCE-ৰ আধাৰত শিক্ষা আহৰণত দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলক চিনাক্ত কৰা হ'ব।
4. শিক্ষাৰ মান উন্নত কৰিবলৈ ফলদায়ক পদক্ষেপ গ্ৰহণ কৰা হ'ব, বিশেষ শৈক্ষিক সাহাৰ্যৰ জৰিয়তে শিশুসকলক সহায় কৰাৰ অৰ্থে কাৰ্যপ্ৰণালী প্ৰস্তুত কৰা হ'ব আৰু ইন্টাৰনেট-সমলকে ধৰি জ্ঞান-বিজ্ঞানৰ বিভিন্ন সমল লাভ কৰিব পৰাৰ ব্যৱস্থা কৰা হ'ব।

## 4.4 স্কুলীয়া শিক্ষা

সাৰ্বজনীন প্ৰাথমিক শিক্ষা বাস্তৱত পৰিণত হ'বলৈ ধৰিছে আৰু ইয়াৰ লগে লগে

মাধ্যমিক শিক্ষাৰ সম্প্ৰসাৰনো অনিবাৰ্য। স্থান নিৰ্বিশেষে নিৰ্দিষ্ট মানসম্পন্ন মাধ্যমিক শিক্ষাব্যৱস্থা আৰু সকলো উপযুক্ত ছাত্ৰ-ছাত্ৰীকে স্থান দিব পৰাকৈ অনুষ্ঠান পৰিচালিত হোৱা প্ৰয়োজন৷ মাধ্যমিক পৰ্যায়ত ধৰি ৰখা আৰু স্থানান্তৰৰ পৰিমাণৰ উন্নতি ঘটোৱা কাৰ্য এটা প্ৰত্যাহ্বান। বৰ্তমানৰ পৰীক্ষা ব্যৱস্থাও বিভিন্ন ব্যাধি আৰু নকল কাৰ্যৰ দ্বাৰা প্ৰদূষিত। যদিও কিছুমান ৰাজ্যত পৰীক্ষা ব্যৱস্থাক নিকা আৰু স্বচ্ছ কৰিবলৈ অহোপুৰুষাৰ্থ কৰা হৈছে, তথাপি সামগ্ৰিক ব্যৱস্থাৰ ব্যাপক সংশোধনৰ প্ৰয়োজন আছে৷

ইয়াৰ বাবে নিম্নলিখিত নীতিসমূহ বিবেচনা কৰা হৈছে:

1. প্ৰতিখন ৰাজ্যই অনুপযুক্ত আন্তঃগাঁথনি আৰু কম নামভৰ্তিকৰণ হোৱা বিদ্যালয়সমূহ বিচাৰি উলিওৱাৰ বাবে বিস্তৃত অধ্যয়ন চলাব। সৰ্বাধিক লোক নিয়োজিত হ'ব পৰাকৈ, ভৌতিক আৰু আন্তঃগাঁথনিগত সমল, ভাল শৈক্ষিক ফলাফল আৰু ফলদায়কভাৱে ব্যয় পৰিচালনা কৰিব পৰাকৈ অক্ষম বিদ্যালয়বোৰক য'তেই প্ৰয়োজন হয় তাতেই সংযুক্ত বিদ্যালয়লৈ পৰিৱৰ্তন কৰিব লাগে। বিদ্যালয়বোৰক এনেদৰে চামিল কৰাৰ পাছত একেটা স্থানতে সংস্থাপিত কৰিব লাগে। ৰাজ্যসমূহৰ সৈতে কৰা আলোচনাৰ আধাৰত RTE অধিনিয়ম উলংঘা নকৰাকৈ এই চামিলকৰণ আৰু সৰলীকৰণৰ বাবে উমৈহতীয়া নিৰ্দেশনা প্ৰস্তুত হ'ব লাগে। এই সৰলীকৰণ প্ৰক্ৰিয়াৰ দ্বাৰা অদূৰ ভৱিষ্যতে এক শ্ৰেণী-এক শিক্ষক মানদণ্ডলৈ উন্নীত হ'ব।
2. অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ প্ৰতি বৃহৎ ৰাষ্ট্ৰীয় দায়িত্ববোধৰ দায়িত্ব পালন কৰাৰ বাবে RTE অধিনিয়মৰ পৰিবৰ্ধিত অনুচ্ছেদ 12 (1) (c) চৰকাৰী

সাহায্যপ্ৰাপ্ত সংখ্যালঘুৰ অনুষ্ঠানসমূহলৈ (ধৰ্মীয় আৰু ভাষিক) সম্প্ৰসাৰিত কৰাৰ বিষয়ে বিচাৰ-বিবেচনা কৰা হ'ব।

3. ৰাজ্যই RTE অধিনিয়মত মাধ্যমিক স্তৰৰ শিক্ষা ব্যৱস্থাক সামৰিব পৰাকৈ এটা উপযুক্ত বয়সলৈ সম্প্ৰসাৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰিব।

4. ছাত্ৰ-ছাত্ৰীৰ সুবিধা আৰু ফলাফলৰ বাবে স্কুলীয়া শিক্ষাৰ সকলোবোৰ স্তৰতে নূন্যতম মান নিৰ্ধাৰণ কৰা হ'ব।

5. কেন্দ্ৰীয় বিদ্যালয়, জৱাহৰ নবোদয় বিদ্যালয় আৰু কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ৰ সম্প্ৰসাৰণ আৰু বিকাশ ঘটোৱা হ'ব আৰু সম্ভৱক্ষেত্ৰত শৈক্ষিকভাৱে অনগ্ৰসৰ অঞ্চলত মাধ্যমিক পৰ্যায়লৈ ইয়াৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। জৱাহৰ নবোদয় বিদ্যালয়ৰ সফলতাৰ কাৰণসমূহ অধ্যয়ন কৰা হ'ব আৰু ৰাজ্যৰ দ্বাৰা তাক পুণৰ প্ৰতিষ্ঠা কৰা হ'ব।

6. পূৰ্ণকালীন আনুষ্ঠানিক বিদ্যালয়ৰ অবিহনে স্কুল ত্যাগ অথবা কৰ্মৰত ল'ৰা-ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰিব পৰাকৈ মুক্ত বিদ্যালয়ৰ সুবিধা সম্প্ৰসাৰণ কৰা হ'ব।

7. বেছিভাগ ক্ষেত্ৰতে দেখা যায় যে, ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ মেধা আৰু ৰুচি অনুসৰি শৈক্ষিক ক্ষেত্ৰ বাছনিত দোদূল্যমান অৱস্থাত পৰে। ইয়াৰ ফলত, অসফলতা, অনীহা আৰু চাপৰ দ্বাৰা প্ৰভাৱিত হৈ তেওঁলোকে নিজৰ প্ৰকৃত সম্ভাৱনীয়তা অনুধাৱন কৰাত বিফল হয়। তেওঁলোকৰ প্ৰকৃত সম্ভাৱনীয়তা আৰু ৰুচিৰ ক্ষেত্ৰ বিচাৰি উলিওৱাৰ বাবে আৰু এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰাৰ অৰ্থে বিভিন্ন স্তৰত শৈক্ষিক দক্ষতা পৰীক্ষণৰ ব্যৱস্থা কৰা হ'ব। ছাত্ৰ-ছাত্ৰীসকলৰ সীমাবদ্ধতাক অতিক্ৰম কৰিবলৈ আৰু

বিশেষ প্ৰয়োজনীয়তা, শিক্ষা আহৰণত মন্থৰ গতিৰ অসফল ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত ক্ষেত্ৰ বাছনিত সহায় কৰিবলৈ বৃত্তিধাৰী উপদেষ্টাৰ দ্বাৰা গঠিত সহায়ক-ক্ষেত্ৰ প্ৰতিষ্ঠা কৰা হ'ব। ইয়াৰ উপৰিও দক্ষতা-প্ৰধান কাৰিকৰী শিক্ষাৰ কাৰ্যক্ৰমো ইয়াৰ সৈতে সংযুক্ত কৰা হ'ব আৰু মাধ্যমিক আৰু উচ্চ-মাধ্যমিকৰ ছাত্ৰ-ছাত্ৰীৰ নিয়োগৰ সুবিধাৰ্থে পথ-প্ৰদৰ্শকৰ ব্যৱস্থা কৰা হ'ব।

**4.5 পাঠ্যক্ৰম নবীকৰণ আৰু পৰীক্ষা ব্যৱস্থাৰ সংশোধন**

স্বামী বিৱেকানন্দৰ মতে- *"শিক্ষা তথ্য সমগ্ৰ নহয়, যাক আমাৰ সমগ্ৰ জীৱনত অনুধাৱন নকৰাকৈ আমি মগজুত ধাৰণ কৰো আৰু বিশৃংখলভাৱে ব্যৱহাৰ কৰো। আমাৰ এনে এটা জীৱন আছে, য'ত নিৰ্মাণ, মানৱ সৃষ্টি, চৰিত্ৰ গঠন, ধাৰণাৰ আত্মীকৰণ জড়িত হৈ থাকে। আপুনি যদি পাঁচটা ধাৰণা আত্মীকৰণ কৰিছে আৰু আপোনাৰ জীৱন আৰু চৰিত্ৰক তৈয়াৰ কৰিছে, তেন্তে আপুনি সমস্ত পুথিভঁৰাল আত্মস্থ কৰা এগৰাকী ব্যক্তিতকৈ অধিক শিক্ষিত। যদি শিক্ষা আৰু তথ্য একে হয়, তেন্তে গ্ৰন্থাগাৰিকেই হ'ব বিশ্বৰ আতাইতকৈ জ্ঞানী ব্যক্তি আৰু বিশ্বকোষই হ'ব আটাইতকৈ মহান ঋষি।"* বিৱেকানন্দৰ এই বাণী ইন্টাৰনেটৰ আবিৰ্ভাৱতকৈও অধিক গুৰুত্বপূৰ্ণ। আনকি প্ৰযুক্তিৰ সংযোগৰ সম্প্ৰসাৰণ ফলত আমি গ্ৰন্থাগাৰলৈ যোৱাৰো প্ৰয়োজন নোহোৱা হৈছে আৰু এটা বুটাম টিপিয়েই সকলোবোৰ তথ্য লাভ কৰিবলৈ সক্ষম হৈছো। সেইবাবে বৰ্তমানে জীৱন-বীক্ষা সংযুক্ত কৰিবলৈ মানৱ সম্পদ আৰু জাতি নিৰ্মাণৰ অৰ্থে তথ্যভিত্তিক শিক্ষাৰ পৰা প্ৰমূল্যভিত্তিক শিক্ষালৈ উত্তৰণ ঘটোৱাৰ প্ৰয়োজন হৈছে।

নতুনকৈ উত্থান ঘটা শিকন ক্ষেত্ৰসমূহৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰি শিক্ষাৰ

সকলো স্তৰৰ পাঠ্যক্ৰম নবীকৰণ কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। কিছুমান গুৰুত্বপূৰ্ণ পাঠক্ৰমত বিশ্বায়নৰ প্ৰভাৱ সম্পৰ্কে শিক্ষাৰ্থীসকলৰ মতামত অন্তৰ্ভুক্ত কৰা আৰু সন্মুখত দেখা দিয়া জ্ঞানভিত্তিক অৰ্থনীতি আৰু সমাজৰ প্ৰয়োজনীয়তাও আহি পৰিছে। ই বিভিন্ন গোটৰ শিক্ষাৰ্থীৰ শৈক্ষিক প্ৰয়োজনীয়তা পূৰণ কৰিব, জীৱন-বীক্ষাৰ সৈতে শিক্ষাক সংযোগ কৰিব আৰু কৰ্মৰ পৃথিৱী, উৎপাদনশীলতাৰ সৈতে সম্পৰ্কিত অবিচ্ছিন্ন বিকাশ আদিৰ ক্ষেত্ৰত নমনীয় আৰু ব্যক্তিগত বিষয়লৈ পৰ্যবসিত হ'ব। উচ্চ পৰ্যায়ৰ আন্তৰ্জাতিক বিদ্যায়তনিক পদ্ধতিত বিশেষ সফলতাৰ বাবে এই পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীসকললৈ বিশেষ সুবিধা আনি দিব। এই পাঠ্যক্ৰমে শিক্ষা ব্যৱস্থাৰ কাৰ্যকৰিতাৰ মান নিৰ্ণয় কৰাৰ লগতে শিক্ষাৰ লক্ষ্য অনুধাৱনৰ দ্বাৰা শিকনৰ সফলতা নিৰ্ণয় কৰা প্ৰয়োজন আৰু পাঠ্যক্ৰমৰ পৰীক্ষণ, পৰ্যৱেক্ষণৰ সহায়ত ইয়াৰ পুনৰীক্ষণ আৰু বিকাশ সাধন কৰিব পৰা যাব।

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ বিকাশ সাধনৰ ক্ষেত্ৰত এটা কথা ক'ব পাৰি যে শিকনৰ ফলাফলৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা উচিত। পদ্ধতিগতভাৱে দশম আৰু একাদশ শ্ৰেণীৰ বছৰেকীয়া আৰু কালাংশ পৰীক্ষাত ধাৰাবাহিকভাৱে প্ৰত্যয়জনক আৰু সামগ্ৰিক মূল্যাংকন কৰা হৈছে। তথাপি স্কুলীয়া স্তৰত সামগ্ৰিক মূল্যাংকন সন্তোষজনক হৈ উঠা নাই। বেছিভাগ ক্ষেত্ৰতে ছাত্ৰ-ছাত্ৰীৰ বিষয় সম্বন্ধীয় জ্ঞানৰ সম্পৰীক্ষা কৰিবলৈ মূল্যাংকন পদ্ধতি অতি সীমিত। ছাত্ৰ-ছাত্ৰীসকলৰ বিস্তৃত মূল্যাংকন নিশ্চিতকৰণৰ বাবে সমগ্ৰ পদ্ধতিকে শুধৰোৱাৰ প্ৰয়োজন। ইয়াৰ লগতে বিদ্যামাৰ্গ আৰু সহ-বিদ্যামাৰ্গ ক্ষেত্ৰসমূহো জড়িত হৈ থাকে। ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যামাৰ্গ আৰু সহ-বিদ্যামাৰ্গৰ মূল্যাংকন পদ্ধতিৰ বছৰেকীয়া ক্ৰম ৰক্ষা কৰিবলৈ ইয়াক আনুষ্ঠানিকতা প্ৰদান কৰা উচিত।

ইয়াৰ বাবে নিম্নলিখিত নীতিসমূহ বিবেচনা কৰা হৈছে:

1. সামাজিক মিলাপ্ৰীতি, ধৰ্মীয় সৌহাৰ্দ্য আৰু ৰাষ্ট্ৰীয় সংহতিৰ ক্ৰমবৰ্ধিত আকাংখ্যাৰ বাবে পাঠ্যক্ৰমৰ সংশোধন ঘটোৱা আৱশ্যক। পাঠ্যক্ৰম ফলাফল নিৰ্ভৰ হোৱা উচিত আৰু প্ৰযুক্তিৰ দ্বাৰা পৰিচালিত পৰিৱেশত বিশ্ব তথা দেশৰ বাবে ই ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক উন্নতিৰ লক্ষ্য হোৱা প্ৰয়োজন।
2. নেশ্যনেল কাউঞ্চিল অব ৰিচাৰ্চ এণ্ড ট্ৰেইনিং (NCERT)-এ নিম্নগামী মানৰ স্কুলৰ শিক্ষাৰ বিভিন্ন দিশ পুণৰীক্ষণৰ ব্যৱস্থা গ্ৰহণ কৰিব আৰু নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে পাঠ্যক্ৰমৰ নবীকৰণ কৰাৰ লগতে মুখস্থবিদ্যাৰ দ্বাৰা গ্ৰহণ কৰা শিক্ষাক প্ৰজ্ঞাত্মক আৰু কৌতুহল উদ্দীপক শিক্ষাপ্ৰণালীলৈ পৰ্যৱসিত কৰিব।
3. বিজ্ঞান, অংক আৰু ইংৰাজী বিষয়ৰ উমৈহতীয়া ৰাষ্ট্ৰীয় পাঠ্যক্ৰম প্ৰস্তুত কৰা হ'ব। সমাজবিজ্ঞানৰ দৰে বাকী বিষয়বোৰৰ বাবে পাঠ্যক্ৰমৰ এটা অংশ দেশৰ সকলো অংশকে সামৰি উমৈহতীয়া ৰূপত আৰু বাকীবোৰ ৰাজ্যভিত্তিক প্ৰস্তুত কৰা হ'ব।
4. পঞ্চম শ্ৰেণীৰ পৰা পাঠ্যক্ৰমত ক্ৰম অনুসাৰে ডিজিটেল সাক্ষৰতা অন্তৰ্ভুক্ত কৰা হ'ব। তথাপি ICT-ক এটা বিষয়ৰূপে পঞ্চম শ্ৰেণীৰ পৰা দিব পৰা যাব। ICT-ৰ পাঠ্যক্ৰম প্ৰায়োগিক কৰি তুলিবলৈ সকলো স্তৰতে ইয়াৰ সংশোধন ঘটোৱা হ'ব।
5. এইটো সৰ্বজনগ্ৰাহ্য যে, বিজ্ঞান শিক্ষা প্ৰদৰ্শন তথা গৱেষণাগাৰত কৰা পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰাহে ভালদৰে বুজা যায়। সেইবাবে বিজ্ঞান বিষয়ৰ বাবে হাতে কামে কৰিব পৰাকৈ ষষ্ঠ শ্ৰেণীৰ পৰাই অন্তৰ্ভুক্ত কৰা হ'ব।

6. লিংগ, সমাজ, সংস্কৃতি আৰু আঞ্চলিক বৈষম্যৰ দিশবোৰত বৈচিত্ৰৰ মাজত ঐক্যৰ ধাৰণাৰ ওপৰত গুৰুত্ব দিয়া হ'ব। সামাজিক বৈষম্য ৰোধ কৰিবলৈ পাঠ্যক্ৰমত সামাজিক ন্যায়, আইনী ব্যৱস্থা আদি বিষয়বোৰ অন্তৰ্ভুক্ত কৰা হ'ব। পাঠ্যক্ৰম আৰু পাঠ্যপুথি প্ৰণয়ন সংস্থাসমূহৰ দ্বাৰা এইটো নিশ্চিত কৰা হ'ব যাতে, পাঠ্যপুথিয়ে সহযোগিতা বৃদ্ধি কৰে আৰু ইয়াত লিংগ, অক্ষমতা, জাতি, ধৰ্ম আদি ক্ষেত্ৰত কোনো প্ৰকাৰৰ বিভাজনমুখী দিশ, ঘটনা, উদাহৰণ সন্নিৱিষ্ট নহয়। সুনাগৰিক হোৱাৰ শিক্ষা, শান্তিৰ শিক্ষা, পৰিৱেশৰ গ্ৰহণযোগ্যতা আৰু সকলোবোৰ বিষয়ক্ষেত্ৰৰ জৰিয়তে অন্যান্য উমৈহতীয়া মুখ্য বিষয়ৰ উন্নতি সাধন কৰিব পৰা দিশবোৰ সন্নিৱিষ্ট কৰা হ'ব।
7. বিস্তৃতৰূপত সচেতনতা সৃষ্টি, বোধ আৰু ধাৰণা সৃষ্টি আৰু উচ্চপৰ্যায়ৰ সমস্যা সমাধানৰ দক্ষতা আৰু কেৱল পাঠ্যপুথি প্ৰণয়ন দক্ষতাৰ মাজতে সীমাবদ্ধ নৰখাকৈ পৰীক্ষা পদ্ধতিৰ আৰ্হি প্ৰস্তুত কৰা হ'ব। ধাৰাবাহিক মূল্যায়ন, মানসম্পন্ন প্ৰশ্নকাকত প্ৰস্তুতকৰণ, স্বচ্ছ পৰীক্ষণ নীতি আদি কিছুমান পদক্ষেপ এই দিশত গ্ৰহণ কৰা হ'ব। নমনীয়তা আৰু বছৰেকীয়া পৰীক্ষাৰ হেঁচা কমাবলৈ চৰকাৰে দাবী অনুসৰি বোৰ্ড পৰীক্ষা পদ্ধতিৰ প্ৰৱৰ্তনৰ কথা বিৱেচনা কৰিছে।
8. দশম শ্ৰেণীৰ পৰীক্ষাত আটাইতকৈ বেছি অকৃতকাৰ্য হোৱা তিনিটা বিষয়, যেনে- গণিত, বিজ্ঞান আৰু ইংৰাজীৰ নিম্নমানৰ ফলাফল হেতু নিৰ্ধাৰণ কৰা হ'ব। এই তিনিটা বিষয়ত অকৃতকাৰ্যতাৰ পৰিমাণ কমাবলৈ বিষয়কেইটাক A স্তৰ - উচ্চ আৰু B স্তৰ - নিম্ন এই দুটা স্তৰত ভাগ কৰা হ'ব। যিসকল ছাত্ৰ-ছাত্ৰীয়ে দশম শ্ৰেণীৰ পাচত কাৰিকৰী শিক্ষাত

অন্তৰ্ভুক্ত হ'ব বিচাৰে তেওঁলোকে খ স্তৰৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব।

9. বৰ্তমানে কেন্দ্ৰীয় আৰু ৰাজ্যিক শিক্ষা বোৰ্ডে নৱম আৰু দশম শ্ৰেণীৰ বাবে বোৰ্ডৰ পৰীক্ষা অনুষ্ঠিত কৰি আহিছে। বোৰ্ডৰ অন্তৰ্ভুক্ত বিদ্যালয়সমূহৰ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে বোৰ্ডে অনুষ্ঠিত কৰা পৰীক্ষাত বহাটো বাধ্যতামূলক। দশম শ্ৰেণীৰ বোৰ্ড পৰীক্ষাত এই শ্ৰেণীৰ সম্পূৰ্ণ পাঠক্ৰম অন্তৰ্ভুক্ত হ'ব।

10. বিভিন্ন স্তৰৰ শিক্ষা ব্যৱস্থাত বিভিন্ন বোৰ্ডে প্ৰদান কৰা প্ৰমানপত্ৰবোৰৰ মানৰ যথেষ্ট পাৰ্থক্য দেখা যায়। ইয়াৰ উপৰিও, গ্ৰেচ নম্বৰৰ দিয়া কাৰ্যক বৈধতা প্ৰদান কৰি কৃত্ৰিমভাৱে উত্তীৰ্ণৰ হাৰ বৃদ্ধি কৰিবলৈ চেষ্টা কৰা বুলি বিভিন্ন অভিযোগ উত্থাপিত হৈছে। এই পদ্ধতিৰ বিলুপ্তি ঘটোৱা প্ৰয়োজন, কিন্তু প্ৰতিখন বোৰ্ড তথা প্ৰতিটো পৰীক্ষাৰ ক্ষেত্ৰতে ছাত্ৰ-ছাত্ৰীসকলৰ তুলনামূলক ধাৰণাৰ উন্নতিৰ বাবে এই পদ্ধতিৰ উন্নতি সাধন কৰিব লাগিব। মাপকাঠী নিৰ্ণয় ইয়াৰ এটা বিকল্প। কেন্দ্ৰীয় পৰীক্ষা পদ্ধতিত কিছুমান বিকল্প দশম আৰু দ্বাদশ শ্ৰেণীৰ অন্তত প্ৰয়োগ কৰা হৈছে অথবা প্ৰতিখন বোৰ্ডৰ দ্বাৰা শতাংশ ভিত্তিত নম্বৰ প্ৰকাশো এটা বিকল্প হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীৰ কৃতকাৰ্যতাৰ মান নিৰ্ধাৰণ কৰি ইয়াৰ সমাধানৰ উপায় নিৰ্ণয় কৰি শিক্ষা বিশেষজ্ঞৰ দ্বাৰা সকলোবোৰ বিকল্পৰ বিষয়ে অধ্যয়ন কৰা হ'ব।

11. পদ্ধতিগত সংশোধন গ্ৰহণ কৰা হ'ব, যেনে- ছাত্ৰ-ছাত্ৰীসকলে যাতে যিকোনো অনুষ্ঠানত সহজে প্ৰৱেশ কৰিব পাৰে তাৰ বাবে পৰিক্ৰমণ প্ৰমাণপত্ৰ, বিদ্যালয় এৰাৰ প্ৰমাণপত্ৰ আদি ব্যৱস্থাৰ বিলোপ সাধন কৰা হ'ব।

## 4.6 সমাবেশী শিক্ষা আৰু বিদ্যাৰ্থীলৈ সমৰ্থন

এইটো এটা প্ৰতিষ্ঠিত সত্য যে, শিক্ষা ব্যৱস্থা প্ৰধানত গুণ আৰু সমদৰ্শিতাৰ ওপৰত

প্ৰতিষ্ঠিত। বৰ্তমানে উত্থান ঘটা জ্ঞানৰ অৰ্থকাৰী দিশত সামগ্ৰিক সফলতা ইয়াৰ কেন্দ্ৰবিন্দু। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই প্ৰধানকৈ গ্ৰাম্যাঞ্চলত বিভিন্নতাৰ পৰিৱেশ সৃষ্টি কৰা নাই। সামাজিকভাৱে অনুন্নত সমাজত শিশুৰ শৈক্ষিক প্ৰয়োজনীয়তা ক্ষেত্ৰত সমাবেশী শিক্ষাৰ গুৰুত্ব আছে। সাম্প্ৰতিক দশকত যদিও গ্ৰাম্যাঞ্চলত শিক্ষা লাভৰ ব্যৱস্থাৰ উন্নতি ঘটিছে তথাপি শিক্ষাগ্ৰহণৰ সুবিধাৰ বৈষম্যৰ বাবে সামাজিক আৰু অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে দূৰ্ভোগৰ সন্মুখীন হ'বলগীয়া হৈছে। ই প্ৰায়েই সামাজিক আৰু পৰিস্থিতিগত কাৰণৰ বাবে হৈছে।

জনগোষ্ঠীয় ল'ৰা-ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত ই এটা গভীৰভাৱে ল'বলগীয়া বিষয়। বিশেষভাৱে গুৰুত্বপূৰ্ণ বিষয়সমূহ, যেনে সাক্ষৰতাৰ নিম্ন হাৰ, নামভৰ্ত্তিকৰণৰ নিম্ন হাৰ, স্কুল ত্যাগৰ মাত্ৰাধিক্য, অত্যাধিক হাৰত ঘটা জনগোষ্ঠীয় শিশুৰ মৃত্যু আদি উল্লেখযোগ্য। ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বৃত্তিপ্ৰদান ব্যৱস্থাকে ধৰি সকলো প্ৰচেষ্টাৰ বিপৰীতে ৰাজ্যিক জনগোষ্ঠীয় শিক্ষাৰ মান সন্তোষজনক নহয়। এইবোৰ অঞ্চলত জনগোষ্ঠীয় ল'ৰা-ছোৱালীৰ শিক্ষাৰ বাবে শিক্ষকৰ অভাৱেই ইয়াৰ প্ৰধান কাৰণ। জনগোষ্ঠীয় অঞ্চলত কাম কৰা অজনগোষ্ঠীয় শিক্ষকৰ ভাষা আৰু ভাৱ-বিনিময়ো এক সমস্যাৰূপে থিয় দিছে।

মেধাবী ছাত্ৰ-ছাত্ৰীসকলক শিকন জাৰী ৰখিবলৈ অৰ্থনৈতিক দিশত নিশ্চিতি প্ৰদানৰ বাবে বৃত্তি অথবা ঋণপ্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

ইয়াৰ বাবে নিম্নলিখিত নীতিসমূহ বিবেচনা কৰা হৈছে:

1. লিংগ, সমাজ, সাংস্কৃতিক আৰু আঞ্চলিক বৈষম্যৰ দিশবোৰ পাঠ্যক্ৰম আৰু ইয়াৰ অংশবোৰত বৈচিত্ৰৰ ওপৰত গুৰুত্ব প্ৰদানৰ দ্বাৰা উপযুক্তভাৱে প্ৰকাশ কৰা হ'ব। সামাজিক ন্যায় আৰু সমাযোজন আৰু আইনী ব্যৱস্থা আদি

বিষয়বোৰ সামাজিক বৈষম্য ৰোধৰ অৰ্থে পাঠ্যক্ৰমত সামৰি লোৱা হ'ব।

2. ল'ৰা-ছোৱালীৰ মাজত শ্ৰমৰ মৰ্যাদা সম্পৰ্কে ধাৰণা প্ৰদান কৰা আৰু দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত যোগাত্মক দৃষ্টিভংগী সৃষ্টিৰ বাবে প্ৰাক-কাৰিকৰী ভিত্তিক কাৰ্য পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হ'ব।

3. সমদৰ্শিতা বৃদ্ধি আৰু বুদ্ধি-বৃত্তিক উৎসাহিত কৰাৰ উদ্দেশ্যে, বিশেষকৈ দহ লাখ ছাত্ৰ-ছাত্ৰীক সামৰি লোৱাকৈ শিক্ষা মাচুল, শিক্ষা সামগ্ৰী আৰু দৈনন্দিন খৰচৰ বাবে ৰাষ্ট্ৰীয় বৃত্তি পুঁজি গঠন কৰা হ'ব। এই পুঁজি অৰ্থনৈতিকভাৱে অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ব্যৱহাৰ কৰা হ'ব। সকলো বিষয়ৰ ক্ষেত্ৰতে দশম শ্ৰেণী উত্তীৰ্ণ হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰীক্ষাৰ দ্বাৰা বাছনি কৰি উলিওৱা সকলো মেধাবী ছাত্ৰ-ছাত্ৰীৰ বাবে বেলেগে এটা ৰাষ্ট্ৰীয় মেধাবৃত্তিৰ আঁচনি হাতত লোৱা হ'ব।

4. সহযোগিতা বৃদ্ধি আৰু সংযোগ ৰক্ষাৰ বাবে আশ্ৰম শালা আৰু সমীপৱৰ্তী মাধ্যমিক বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয়, কেন্দ্ৰীয় বিদ্যালয়, নবোদয় বিদ্যালয় আদিৰ মাজত পৃষ্ঠপোষকতা আৰু উপদেশৰ আদান-প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

5. জনগোষ্ঠীয় এলেকাৰ ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বৃদ্ধিত গুৰুত্ব প্ৰদান কৰা আৱশ্যক আৰু ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগমৰ সহযোগিতাত স্কুলৰ নিয়মিত সময়ৰ বাহিৰত অধিক কাৰ্যদক্ষতা ভিত্তিক পাঠ্যক্ৰমৰ সুবিধা প্ৰদানৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব।

6. অভিজ্ঞতাৰ দ্বাৰা এইটো দেখা গৈছে যে, জনগোষ্ঠীয় শিশুসকলে সাধাৰণতে শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ হোৱা আঞ্চলিক ভাষাত শিকিবলৈ আৰু

বুজিবলৈ কষ্ট পায়। এই সমস্যাৰ পৰা পৰিত্ৰান লাভৰ উদ্দেশ্যে যতেই প্ৰয়োজন হয় তাতেই বহুভাষিক শিক্ষাব্যৱস্থা প্ৰৱৰ্তনৰ পদক্ষেপ লোৱা হ'ব।

7. সামাজিকভাৱে অৱহেলিত বিশেষভাৱে সক্ষম আৰু শিক্ষাগ্ৰহণত অক্ষম, ঘৰুৱাভাৱে পাবলগীয়া সহায়ৰ পৰা বঞ্চিত, উপযুক্ত সা-সুবিধাৰ পৰা বঞ্চিত আৰু বিশেষ সুবিধা নথকা সৰু নগৰ তথা গ্ৰাম্যাঞ্চলৰ বিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন সমস্যাৰ মুখামুখি হৈছে, তেওঁলোকৰ শৈক্ষিক প্ৰয়োজনীয়তাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

8. বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ বাবে বৰ্তমানে কাৰ্যক্ষম হৈ থকা কেন্দ্ৰীয় আঁচনিসমূহ চলি থাকিব আৰু ইয়াৰ পৰিসৰ আৰু অনুদান বৃদ্ধি কৰা হ'ব। বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ বাবে চলি থকা বিভিন্ন আঁচনিৰ সীমাবদ্ধতা আৰু ত্ৰুটি চিনাক্ত কৰিবলৈ ৰাজ্যিক আৰু জিলা স্তৰত কিছুমান কাৰ্যপ্ৰণালী প্ৰস্তুত কৰা হ'ব।

9. স্থানীয় স্তৰত শিশু আৰু চিকিৎসা মনোবিজ্ঞানীক লৈ একো একোখন অংশকালীন উপসমিতি গঠন কৰা হ'ব, যাতে যিকোনো স্কুল তথা জিলা শিক্ষা বিষয়াই তৃতীয় পক্ষৰ প্ৰতিবিধানৰ বাবে প্ৰেৰণ কৰিব পাৰে। এই উপসমিতিয়ে, বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ স্পৰ্শকাতৰ দিশ পৰিচালনা কৰিবলৈ উপযুক্ত শিক্ষক-প্ৰশিক্ষণৰ পৰামৰ্শ দিব পাৰে।

10. কেন্দ্ৰীয় চৰকাৰে শিক্ষাগ্ৰহণৰ ক্ষেত্ৰত থকা অক্ষমতাৰ সমাধানৰ বাবে সমস্যা নিৰ্ধাৰণ, গৱেষণা কাৰ্যত ধন বিনিয়োগ কৰিবলৈ আৰু প্ৰয়োজনীয় সমল উপলব্ধ কৰাৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ কৰাৰ ক্ষেত্ৰত আগভাগ লোৱা প্ৰয়োজন।

11. সামাজিক আৰু অৰ্থনৈতিকভাৱে অসুবিধাজনক পৰিস্থিতিত থকা শিশুসকলৰ শিক্ষাগ্ৰহণৰ সমস্যা দূৰ কৰিবলৈ অতিৰিক্ত শিক্ষণব্যৱস্থা আৰু উপদেশমূলক সুবিধা প্ৰদান কৰা হ'ব।
12. বিভিন্ন ঠাইৰ পৰা অহা শিশুসকলৰ শিক্ষাৰ বাবে তেওঁলোকৰ নিজৰ স্থানত আবাসিক স্কুলৰ সুবিধা অথবা বা আন কোনো উপযুক্ত উপায়েৰে সমান সুবিধা আৰু বিভেদহীন ব্যৱস্থাপনা উপলব্ধ কৰাৰ বাবে গ্ৰহণ কৰা হ'ব।
13. লিংগবৈষম্য, অতিশয্য কোনো পৰিস্থিতিতে সহ্য নকৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। বিভিন্ন যোগাত্মক পদক্ষেপৰ দ্বাৰা নাৰীসমাজ আগুৱাই অহাৰ বাবে উৎসাহিত তথা তেওঁলোকৰ ক্ষমতা বৃদ্ধি কৰি উচ্চশিক্ষা ব্যৱস্থাত সামৰি লোৱা হ'ব। ইয়াৰ বাবে বিশ্ববিদ্যালয়ৰ প্ৰশাসনত মহিলাৰ নিযুক্তি ব্যৱস্থা নিশ্চিত কৰা হ'ব।
14. উচ্চ শিক্ষাত অক্ষমতাৰ কাৰণ অধ্যয়ন কৰিবলৈ R&D বাবে বিশেষ পুঁজি থাকিব। পৰিগাঁথনি, বিদ্যায়তনিক প্ৰৱেশাধিকাৰ আৰু প্ৰদৰ্শনৰ বাবে অক্ষমতা প্ৰৱেশৰ সামাজিক আৰু গৱেষণা গণনা হাতত লোৱা হ'ব।
15. আঞ্চলিক সন্তুলনহীনতা, বিভিন্ন অঞ্চল, যেনে পাহাৰীয়া অঞ্চল, জনগোষ্ঠীয় ক্ষেত্ৰ, উপকূলীয় অঞ্চলৰ বাবে বেলেগ বেলেগ আঁচনি হাতত লোৱা হ'ব। ব্লক আৰু জিলা স্তৰৰ শৈক্ষিক অনগ্ৰসৰতা নিৰূপণৰ বাবে নিৰ্ধাৰিত নীতি পুনৰীক্ষণ কৰাৰ লগতে নতুন মান নিৰ্ধাৰণ কৰা হ'ব। শিক্ষাগত দক্ষতাৰ পাৰ্থক্য নিৰ্ণয় কৰিবলৈ আৰু সামাজিকভাৱে, অৰ্থনৈতিকভাৱে অনগ্ৰসৰ অংশবোৰৰ লগতে শৈক্ষিকভাৱে অনগ্ৰসৰ অঞ্চলৰ বাবে বিশেষ সুবিধা প্ৰদানৰ অৰ্থে জিলাভিত্তিক মেপ প্ৰস্তুত কৰা হ'ব।

## 4.7 সাক্ষৰতা আৰু জীৱনজোৰা শিক্ষা

ৰাষ্ট্ৰীয় প্ৰাপ্তবয়স্ক সাক্ষৰতা মিছনৰ প্ৰতিষ্ঠাকালৰ পৰা অৰ্থাৎ 1978 চনৰ 2 অক্টোৱৰত প্ৰথম বাৰৰ বাবে প্ৰাপ্তবয়স্ক সাক্ষৰতাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। বিগত 40 বছৰত বহুতো কাৰ্যক্ৰম আৰম্ভ কৰা হৈছিল, যেনে - গ্ৰাম্য নিধি সাক্ষৰতা আঁচনি, ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন, স্বাক্ষৰ ভাৰত অভিযান আদি। এই সমগ্ৰ প্ৰচেষ্টাৰ বিপৰীতে 280 মিলিয়ন প্ৰাপ্তবয়স্ক নিৰক্ষৰ লোক, যিটো বিশ্বৰ প্ৰাপ্তবয়স্ক নিৰক্ষৰ লোকৰ ভিতৰত এক তৃতীয়াংশ। এই বৃহৎ সংখ্যাই বিষয়টোৰ প্ৰতি বিশেষ গুৰুত্ব দিয়াৰ কথাকেই সোঁৱৰাই দিয়ে।

ব্যক্তিবিশেষে বসবাস কৰা সমাজত দৈনন্দিন কাৰ্যৰ বাবে প্ৰয়োজন হোৱা শিক্ষাৰ ভিতৰত পঠন, লিখন আৰু গণনা কাৰ্যৰ মাজতেই প্ৰায়োগিক সাক্ষৰতাৰ অৰ্থ পোৱা যায়। প্ৰায়োগিক সাক্ষৰতা শিক্ষাৰ বিকাশৰ এটা অন্তৰ্নিহিত উপাদান। সাৰ্বজনীন যুৱ আৰু প্ৰাপ্তবয়স্ক শিক্ষা হ'ল প্ৰাপ্তবয়স্ক শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত অবিচ্ছিন্ন আৰু প্ৰাথমিক লক্ষ্য আৰু ই সময়ে সময়ে গুৰুত্ব লাভ কৰি আহিছে।

সমসাময়িক বিশ্বত জীৱনজোৰা শিক্ষা মানে সাক্ষৰ সমাজকে বুজায়। সমাজৰ সকলো অংশৰে শিকনৰ প্ৰয়োজনীয়তাৰ বাবে বিভিন্ন পৰিৱেশ সৃষ্টি কৰিবলৈ প্ৰাথমিক সাক্ষৰতা কাৰ্যক্ৰমে বাটকটীয়া ৰূপে পৰিগণিত হয়। মানুহৰ জীৱনৰ গুণ বা লক্ষণৰ বিকাশ সাধন কৰিবলৈ আৰু জীৱন ধাৰণৰ বাবে জীৱনজোৰা শিক্ষাৰ অতি প্ৰয়োজন। একেদৰে ৰাষ্ট্ৰীয়, মানৱীয়, সামাজিক আৰু অৰ্থনৈতিক বিকাশৰ বাবেও ইয়াৰ প্ৰয়োজনীয়তা আছে। যদি ভাৰতবৰ্ষই বিশ্বৰ সৈতে ফেৰ মাৰিব বা এখন উন্নত ৰাষ্ট্ৰৰূপে পৰিগণিত হ'ব লাগে, তেন্তে স্পষ্ট আঁচনিৰ দ্বাৰা নিৰ্ধাৰিত জীৱনজোৰা শিক্ষা নীতি আৰু কাৰ্যক্ৰমৰ সহায়ত মানৱ সম্পদৰ বিকাশ সম্ভৱ কৰি

তুলিবই লাগিব।

বৃহৎ সংখ্যক অশিক্ষিত লোক, অৰ্থকাৰী জ্ঞানৰ উত্থান, বিশ্বায়নৰ প্ৰত্যাহ্বান যোগাযোগ আৰু তথ্য প্ৰযুক্তিৰ ক্ষীপ্ৰ সম্প্ৰসাৰণ আৰু জীৱন কালৰ বৃদ্ধিয়ে প্ৰাপ্তবয়স্ক শিক্ষা ব্যৱস্থাৰ বৃহৎ পৰিৱৰ্তন সাধিছে। ভাৰতবৰ্ষৰ বিচিত্ৰ আৰু জটিল সমাজ জীৱনৰ বাবে বিভিন্ন সাক্ষৰতা পদ্ধতি প্ৰয়োগ কৰিব লাগিব। জীৱন ধাৰণৰ প্ৰণালী, প্ৰমোদ ব্যৱস্থা, মধ্যৱৰ্তী অৱস্থা আদিৰ ওপৰত দৃষ্টি ৰাখি সাক্ষৰতাৰ কাৰ্যপ্ৰণালী নমনীয়, বিকেন্দ্ৰীকৃত আৰু বিষয়ভিত্তিক হ'ব লাগিব।

ইয়াৰ বাবে নিম্নলিখিত নীতি সূচনা গ্ৰহণ কৰা হৈছে-

1. সাৰ্বজনীন যুৱ আৰু প্ৰাপ্তবয়স্ক সাক্ষৰতাৰ বাবে স্বনিয়োজন গোট, স্বেচ্ছাসেৱী সংগঠন, চৰকাৰ, বিদ্যালয়, কলেজ, শিক্ষা প্ৰতিষ্ঠান, যুৱ আৰু মহিলা সংগঠন আদিৰ উমৈহতীয়া প্ৰচেষ্টাৰ সহযোগত পাঠ্যক্ৰমত ভিন্নমুখী বিষয় অন্তৰ্ভুক্ত কৰি বৰ্তমানে চলি থকা ব্যৱস্থাৰ উন্নতি সাধন কৰা হ'ব।
2. ৰাষ্ট্ৰীয় সাক্ষৰতা মিছনক সৰ্বোচ্চ কৰ্তৃপক্ষ হিচাপে লৈ, ৰাজ্যিক সমিতিৰ ৰাজ্যিক পৰ্যায়ত, লোক শিক্ষা সমিতিক জিলা আৰু ব্লক পৰ্যায়ত আৰু গাঁও পঞ্চায়তক সহায়কাৰী সমিতিৰূপে লৈ সাৰ্বজনীন সাক্ষৰতাৰ উন্নতি সাধন কৰিব লাগে। এই লক্ষ্য পুৰণৰ বাবে ৰাজ্যসমূহে জিলাভিত্তিক কাৰ্যব্যৱস্থা হাতত ল'ব।
3. প্ৰাপ্তবয়স্ক শিক্ষাক নতুন ৰূপত গঢ় দিবলৈ আৰু শক্তিশালী কৰিবলৈ চৰকাৰে বিশেষজ্ঞৰ দ্বাৰা একোখন সৰ্বোচ্চ ক্ষমতাসম্পন্ন সমিতি গঠন কৰি দিব আৰু প্ৰাপ্তবয়স্ক শিক্ষাৰ ফলাফলৰ মূল্যায়ন, দক্ষতাৰ বিকাশ, পূৰ্বশিক্ষা আৰু প্ৰমানপত্ৰৰ সমৰূপতা আদিৰ বাবে কিছুমান বিজ্ঞানসন্মত নীতি নিৰ্ধাৰণ

কৰিব। প্ৰাপ্তবয়স্ক শিক্ষাৰ্থীসকলৰ বাবে অনুদানৰ ব্যৱস্থা কৰিবলৈ আৰু বৃত্তিগত বিকাশ সাধন কৰিবলৈ NLMA অনুদান আয়োগৰ সহযোগী হ'ব।

4. প্ৰাপ্তবয়স্ক শিক্ষাব্যৱস্থাত দক্ষতা বিকাশ, ডিজিটেল বিত্ত আৰু আইনী সাক্ষৰতাকো বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব।

## 4.8 শিক্ষা আৰু নিয়োজনৰ কৌশল

যিসময়ত উন্নত বিশ্বত যুৱ জনসংখ্যা ক্ষীপ্ৰ গতিৰে সংকুচিত হৈ অধিক হাৰত নিৰ্ভৰশীল হৈ পৰিছে, তেনে ক্ষেত্ৰত ভাৰতবৰ্ষ বিশ্বৰ ভিতৰতে যুৱ ৰাষ্ট্ৰ হিচাপে পৰিগণিত হৈছে, য'ত ইয়াৰ মুঠ জনসংখ্যাৰ 54 শতাংশতকৈও অধিক 25 বছৰ বয়সৰ কম। এইটো আশা কৰা হৈছে যে 2022 চনৰ ভিতৰত 104.62 মিলিয়ন নতুন মুখে কৰ্মক্ষেত্ৰত প্ৰৱেশ কৰিব। কিন্তু, কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষাৰ বাবে প্ৰয়োজনীয় আনুষ্ঠানিক সা-সুবিধা এতিয়াও দুখলগা অৱস্থাতেই আছে।

বৃত্তিমুখী শিক্ষাৰ দক্ষতা আৰু বৃত্তিমুখী শিক্ষাৰ সৈতে ছাত্ৰ-ছাত্ৰীৰ উলম্ব আৰু আনুভূমিক বিদ্যায়তনিক পৰিক্ৰমণক সংযুক্ত কৰাৰ পূৰ্বপ্ৰচেষ্টাৰ পদক্ষেপ অলপতে গ্ৰহণ কৰা হৈছে। নিযুক্তিৰ বৃদ্ধি, শিক্ষাৰ সংযুক্তকৰণ আৰু দক্ষতা হ'ল ব্যক্তিগত আৰু অৰ্থনৈতিক বিকাশৰ বাবে অতি প্ৰয়োজনীয়। উচ্চ মানসম্পন্ন বৃত্তিমুখী শিক্ষাৰ মৰ্যাদা বৃদ্ধি আৰু সামাজিক গ্ৰহণযোগ্যতা প্ৰতি বিশেষ দৃষ্টি দিয়া প্ৰয়োজন।

ইয়াৰ বাবে নিম্নলিখিত নীতি সূচনা গ্ৰহণ কৰা হৈছে-

1. কেৱল নিযুক্তিৰ প্ৰয়োজনতেই নহয়, শিল্প-উদ্যোগ প্ৰতিষ্ঠাৰ বাবে প্ৰয়োজনীয় দক্ষতা বৃদ্ধিৰ বাবেও স্কুল অথবা উচ্চ শিক্ষা পদ্ধতিত দক্ষতা বৃদ্ধিৰ কাৰ্যক্ৰম পুনৰ বিবেচনা কৰা প্ৰয়োজন।

2. ৰাষ্ট্ৰীয় দক্ষতা বিকাশ আৰু উদ্যোগ নীতি, 2015 অনুসৰি 25 শতাংশ স্কুল

আৰু উচ্চ শিক্ষাৰ অনুষ্ঠানত দক্ষতা বৃদ্ধিৰ কাৰ্যক্ৰম অন্তৰ্ভুক্ত কৰা হ'ব।

3. মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে নিযুক্তিৰ সুবিধা বৃদ্ধি কৰিবলৈ বৃত্তিমুখী স্কুল প্ৰতিষ্ঠাৰ বিস্তৃত পৰিকল্পনা প্ৰস্তুত কৰা হ'ব।
4. মাধ্যমিক, উচ্চ আৰু কাৰিকৰী শিক্ষাত থকা বৰ্তমানৰ দক্ষতাভিত্তিক কাৰ্যক্ৰম NSQF-ৰ সৈতে সংযুক্ত কৰা হ'ব। বহল সামাজিক গ্ৰহণযোগ্যতা তথা উলম্ব আৰু আনুভূমিক পৰিক্ৰমণৰ বাবে ইয়াৰ লগত মূলসূঁতিৰ শিক্ষাব্যৱস্থাও সংযুক্ত হৈ থাকিব।
5. মূল্যাংকন আৰু পূৰ্বশিক্ষাৰ স্বীকৃতি ব্যৱস্থাৰ উন্নতি সাধন কৰা হ'ব। এই ব্যৱধান আঁতৰাবলৈ এবছৰৰ ভিতৰত চৰকাৰে কোনো এটা প্ৰক্ৰিয়াৰে তেনে দক্ষতাৰ মূল্যাংকন আৰু প্ৰমাণসিদ্ধ কৰিব আৰু আনুষ্ঠানিক শিক্ষা নথকাসকলক তেনে শিক্ষা আৰু প্ৰশিক্ষণ ব্যৱস্থাত প্ৰৱেশৰ সুবিধা দিব, লগতে প্ৰমাণপত্ৰহীন অথচ দক্ষতাসম্পন্ন লোককো গ্ৰহণ কৰা হ'ব।
6. ভাত্তা ভিত্তিক নিযুক্তি অথবা নিজস্ব প্ৰতিষ্ঠান স্থাপনত সহায় কৰিবলৈ খণ্ড দক্ষতা সংসদ আৰু স্কুল, কলেজ কৰ্তৃপক্ষৰ যুটীয়া প্ৰমাণপত্ৰৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন হ'ব।

## 4.9 শিক্ষাত ICT-ৰ ব্যৱহাৰ

1986-92-ৰ পূৰ্বসুৰী শিক্ষানীতিৰ এটি গুৰুত্বপূৰ্ণ উত্তৰণ হৈছে তথ্য আৰু প্ৰযুক্তিৰ প্ৰয়োগ আৰু ই শিক্ষাৰ ক্ষেত্ৰখনলৈ এক নতুন গতি কঢ়িয়াই আনিছে। এই দিশটো সুপৰিচালনা কৰাৰ বাবে সহায়ক হোৱাৰ উপৰিও বিভিন্ন দিশলৈ ই সম্ভাৱনীয়তা কঢ়িয়াই আনিছে, যেনে শিক্ষণ প্ৰশিক্ষণ প্ৰণালীৰ গুণগত মান বৃদ্ধি, শিক্ষাৰ সুযোগ বৃদ্ধি, শিক্ষাক্ষেত্ৰখনৰ সুপৰিচালনাৰ সুযোগ বৃদ্ধি ইত্যাদি। তথ্য প্ৰযুক্তিয়ে ৰিমিডিয়েল

শিক্ষা, শিক্ষক প্ৰশিক্ষণ প্ৰাপ্তবয়স্ক শিক্ষাব্যৱস্থা, দক্ষতা বিকাশ শিক্ষা, উচ্চ শিক্ষাৰ শিকন পদ্ধতিৰূপে কাম কৰিব পাৰে। বিভিন্ন ৰাজ্যত ছাত্ৰ-ছাত্ৰী, বিদ্যালয় আৰু বিদ্যালয় পৰিচালনাৰ মান নিৰীক্ষণৰ বাবে তথ্য প্ৰযুক্তিৰ বিভিন্ন ব্যৱহাৰিক আহিলাৰ সহায় লৈ থকা হৈছে। এনে ধৰণৰ নতুন প্ৰয়াস আৰু সম্পৰীক্ষা এই ক্ষেত্ৰখনত কৰি থকা হৈছে। শিক্ষা ক্ষেত্ৰখনৰ অতি প্ৰয়োজনীয় কথাটো হৈছে এক সু-সংবদ্ধ ৰণকৌশল প্ৰস্তুত কৰা যিয়ে ভাৰতৰ শিক্ষা ক্ষেত্ৰখনত তথ্য-প্ৰযুক্তি ব্যৱহাৰৰ পৰিসৰ বৃদ্ধি কৰিব পাৰে।

এই ক্ষেত্ৰত তলত দিয়া নীতিসমূহ গ্ৰহণ কৰা হ'ব:

1. শিক্ষাৰ সকলো স্তৰ আৰু পৰ্যায়ত তথ্য-প্ৰযুক্তিক অবিচ্ছেদ্য অংগ কৰি তোলাৰ প্ৰয়াস কৰা হৈছে।
2. শিকন আৰু শিক্ষণ প্ৰণালী উজ্জীৱিত কৰাৰ বাবে তথ্য-প্ৰযুক্তিগত পাঠ্যক্ৰমক শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীৰ অপৰিহাৰ্য উপাদান কৰিব খোজা হৈছে।
3. ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ সময়ৰ পৰা বিদ্যালয় এৰা কাললৈকে সমস্ত খতিয়ান অনলাইন পদ্ধতিৰে সংৰক্ষিত কৰাটো বাধ্যতামূলক কৰা হ'ব।
4. শিক্ষক আৰু ছাত্ৰৰ উপস্থিতি, কৃতিত্ব, শিক্ষক আৰু বিদ্যালয় প্ৰশাসনৰ মূল্যায়ন, ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয় প্ৰশাসনৰ তথ্য সংৰক্ষণ আৰু নথি-বৃত্তান্ত পৰিচালনা আদিৰ দৰে কাৰ্যবোৰৰ সম্পাদনত তথ্য-প্ৰযুক্তিগত আহিলা প্ৰয়োগ কৰা হ'ব।
5. বিদ্যালয় পৰিচালনাত তথ্য-প্ৰযুক্তিৰ বহুল প্ৰয়োগৰ কাৰ্যসূচী ৰূপায়নৰ বাবে ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ প্ৰদান কৰিছে। তথ্য-প্ৰযুক্তিগত কাৰ্যবিৱৰণী পদ্ধতি বিদ্যালয় সুপৰিচানাৰ সফলতাৰ এক ফলপ্ৰসু আহিলা হ'ব।

6. তথ্য-প্ৰযুক্তিৰ অন্যান্য কিছুমান আনুসংগিক ব্যৱস্থাপনাগত বিষয়, যেনে, পৰ্যাপ্ত শ্ৰেণীকোঠা, বিদ্যুতশক্তি, নেটৱৰ্ক সংযোগব্যৱস্থা, বিদ্যালয়ৰ প্ৰাংগনৰ নিৰাপত্তা ব্যৱস্থাৰ তত্বাৱধান ইত্যাদি বিষয় এৰাই চলিব নোৱাৰি। শিক্ষাৰ সুযোগ আৰু সা-সুবিধা বৃদ্ধিৰ বাবে গ্ৰহণ কৰা কাৰ্যসূচীৰ অন্তৰ্গত আনুসংগিক উপাদানসমূহ উপলব্ধ কৰাত গুৰুত্ব দিয়া হ'ব।
7. পৰ্যাপ্ত বিদ্যুত সৰবৰাহৰ বাবে শিক্ষানুষ্ঠানত সৌৰশক্তিৰ ব্যৱহাৰক তথ্য-প্ৰযুক্তিৰ বিস্তাৰণ কাৰ্যসূচীৰ অবিচ্ছেদ্য অংগ কৰা হৈছে।
8. MOOK হৈছে তথ্য প্ৰযুক্তিৰ এনে এবিধ ব্যৱহাৰিক আহিলা যি মাধ্যমিক আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত ইয়াক ত্বৰান্বিত কৰিব পাৰে। বিশেষকৈ ব্যয়সাধ্য ৰূপত গুণগত শিক্ষাৰ আহৰণকাৰ্য সহজসাধ্য কৰিব পাৰে।
9. ইতিমধ্যে বিকশিত আৰ্হিসমূহে হ্ৰস্বম্যাদী ৰূপত কাম কৰিব পাৰে। ইতিমধ্যে ব্যৱহৃত আৰ্হি, ব্যৱহাৰিক আহিলাৰ উপৰিও স্থানীয় প্ৰয়োজন পুৰণ কৰিব পৰাকৈ বিশেষ আৰ্হি বা ব্যৱহাৰিক আহিলাৰ বিকাশ সাধন কৰা হ'ব। স্থানীয় প্ৰয়োজন পুৰাব পৰাকৈ উপলব্ধ মুক্ত চফ্টৱেৰৰ আধাৰত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বিভিন্ন প্ৰকাৰৰ চফ্টৱেৰ, ম'বাইল এপৰ বিকাশৰ বাবে উৎসাহিত কৰা হ'ব।

## 4.10 শিক্ষকৰ বিকাশ আৰু পৰিচালনা

শিক্ষকৰ অৰ্হতা আৰু একাত্মতা, শিক্ষাৰ গুণগত মান বৃদ্ধিৰ বাবে অতি প্ৰয়োজনীয় বিদ্যালয়ৰ বিভিন্ন স্তৰৰ শিক্ষকৰ অভাৱ দূৰ কৰিবলৈ বিভিন্ন পদক্ষেপ লোৱা হ'ব। এই ক্ষেত্ৰখনৰ কিছুমান প্ৰধান প্ৰত্যাহ্বান হৈছে মাধ্যমিক বিদ্যালয় পৰ্যায়ৰ গণিত বিজ্ঞান আৰু ভাষাতত্বৰ শিক্ষকৰ অভাৱ। সেৱাৰত শিক্ষকৰ প্ৰাৰম্ভিক আৰু

নিৰৱিচ্ছিন্ন পেচাগত গুণমান বৃদ্ধি, শিক্ষকৰ পেচাগত মৰ্যাদা বৃদ্ধি, শিক্ষণ প্ৰক্ৰিয়াৰ ফলাফল নিশ্চিত কৰাৰ বাবে শিক্ষকৰ একাত্মতা আৰু দায়বদ্ধতা বৃদ্ধি, শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু শিক্ষকৰ গুণগত মান বৃদ্ধি আদি, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অবিৰত প্ৰচেষ্টাৰ পিচতো প্ৰাথমিক আৰু মাধ্যমিক স্তৰৰ শিক্ষকৰ খালী পদৰ সমস্যা, অল্পশিক্ষিত শিক্ষকৰ সমস্যা, শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পেচাদাৰীত্বৰ অভাৱ, শিক্ষকৰ অনীহা, আৰু দায়বদ্ধতাৰ অভাৱ আদি বিষয়বোৰৰ ওপৰত চকু দিয়াৰ প্ৰয়োজন হৈছে। এক বুজন সংখ্যক চৰকাৰী বিদ্যালয়ত পূৰ্ণকালীন প্ৰধান শিক্ষক, অধ্যক্ষ নাই। নেতৃত্বৰ দুৰ্বলতাই শিক্ষক সমাজৰ মাজত বিশৃংখলাৰ জন্ম দি স্থবিৰতাৰ সৃষ্টি কৰে। শিক্ষাৰ গুণগত মানৰ বিকাশ সাধন কৰাৰ বিস্তৃত লক্ষ্যৰে এলানি পদক্ষেপ হাতত লোৱা হ'ব।

এই ক্ষেত্ৰত তলত দিয়া নীতিসমূহ গ্ৰহণ কৰা হ'ব:

1. ৰাজ্য চৰকাৰৰ লগত আলোচনা মৰ্মে এক স্বচ্ছ আৰু অৰ্হতাভিত্তিক মাপকাঠী আৰু নিৰ্দেশনাৰে শিক্ষক নিযুক্তি প্ৰক্ৰিয়া তৈয়াৰ কৰা হ'ব। শিক্ষক, প্ৰধান শিক্ষক আৰু কৰ্তৃপক্ষ নিৰ্বাচন ব্যৱস্থাক উদ্বুদ্ধ কৰাৰ বাবে ৰাজ্য চৰকাৰে স্বায়ত্ব শিক্ষক নিযুক্তি পৰিষদ গঠন কৰিব ।
2. শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু প্ৰধান শিক্ষক, অধ্যক্ষৰ খালী পদসমূহ পুৰণ কৰা হ'ব।
3. শিক্ষক নিযুক্তি প্ৰক্ৰিয়া সমভাৱাপন্ন, সঠিক আৰু স্বচ্ছ কৰাৰ বাবে খালী পদসমূহ ভৰ্তীকৰণ আৰু স্থানান্তৰৰ বিষয় সম্পৰ্কীয় সকলো তথ্য ৰাজহুৱা কৰা হ'ব। দূৰণিবটীয়া আৰু দুৰ্গম এলেকাত স্থানীয়ভাৱে শিক্ষক নিযুক্তি দিয়া হ'ব।

4. এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত বিষয়ভিত্তিক আৰু ৰাজ্যভিত্তিক প্ৰয়োজনীয় শিক্ষকৰ সংখ্যা আৰু অ-প্ৰশিক্ষিত শিক্ষকৰ প্ৰশিক্ষণৰ বিষয় সামৰি এক পৰিকল্পনা যুগুতোৱা হ'ব। ঠিকাভিত্তিক শিক্ষকসকলক পৰ্যায়ক্ৰমে স্থায়ী পদত নিযুক্তি দিয়া হ'ব।

5. শিক্ষকৰ অনুপস্থিতি, খালীপদ আৰু দায়বদ্ধতাৰ বিষয়টো দৃঢ় ৰাজনৈতিক সদিচ্ছা আৰু সমন্বয়তাৰে মোকামিলা কৰা হ'ব। প্ৰাথমিক বিদ্যালয়ৰ ক্ষেত্ৰত শাস্তিপ্ৰদানৰ ক্ষমতা স্কুল পৰিচালনা সমিতিৰ ওপৰত ন্যস্ত থাকিব আৰু উচ্চ প্ৰাথমিক আৰু মাধ্যমিক স্কুলৰ প্ৰধান শিক্ষক, অধ্যক্ষই বিশৃংখলা আৰু অনুপস্থিতিৰ মোকামিলা কৰিব পৰাকৈ বায়মেট্ৰিক যন্ত্ৰ, ম'বাইল ফোন সুবিধা প্ৰদান কৰা হ'ব।

6. কাৰ্যসূচীৰ ফলপ্ৰসূতা বৃদ্ধিৰ বাবে শিক্ষকৰ প্ৰাৰম্ভিক প্ৰস্তুতি আৰু নিৰবিচ্ছিন্ন পেচাদাৰী উত্তৰণৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ব।

7. শিক্ষক প্ৰশিক্ষণ আৰু সামৰ্থ বিকাশৰ সকলো দিশ সামৰি ৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষক শিক্ষণ বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰা হ'ব। NCERT-ৰ অধীনত আঞ্চলিক শিক্ষাকেন্দ্ৰসমূহ বিকশিত কৰাৰ লগতে সেইবোৰক আঞ্চলিক শিক্ষক শিক্ষণ বিশ্ববিদ্যালয়লৈ উন্নীত কৰা হ'ব।

8. শিক্ষণ শিক্ষা প্ৰতিষ্ঠান, যেনে DIET, B.Ed. মহাবিদ্যালয় আদিৰ মূল্যায়ন বাধ্যতামূলক কৰা হ'ব।

9. শিক্ষকে সহ-বিদ্যামাৰ্গৰ কাৰ্যকলাপসমূহ, বিশেষকৈ জীৱন কৌশল, নৈতিক শিক্ষা, শাৰিৰীক শিক্ষা, আৰু কলা আৰু শিল্পৰ গুৰুত্বক বুজি পাবলৈ আৰু স্কুলৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত সেইবিলাকক সংযুক্ত কৰিবলৈ শিক্ষক বিকাশ

কাৰ্যসূচীত এইসমূহ অন্তৰ্ভুক্ত কৰা হ'ব।

10. ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিক্ষক পুৰস্কাৰৰ লগতে বস্তুনিষ্ঠ অনুমাপকেৰে ৰাজ্যিক আৰু জিলা স্তৰতো শিক্ষকৰ পুৰস্কাৰৰ সূচনা কৰা হ'ব। পুৰস্কাৰৰ বাবে শিক্ষকৰ নাম অনুমোদন কৰাত SMCসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।
11. মানসম্পন্ন শিক্ষা প্ৰদান আৰু শিক্ষাৰ্থীৰ শিকন ফলাফল উন্নত কৰিবলৈ শিক্ষকৰ সক্ষমতা, অনুপ্ৰেৰণা আৰু দায়বদ্ধতা বৃদ্ধি কৰাৰ বাবে হাতত লোৱা কাৰ্যসূচীক অগ্ৰাধিকাৰ দিয়া হ'ব।
12. প্ৰতি তিনি বছৰত এবাৰ প্ৰশিক্ষণ/পেচাদাৰী বিকাশ কাৰ্যসূচীত যোগদান কৰাটো কাৰ্যৰত সকলো শিক্ষকৰ বাবে বাধ্যতামূলক কৰা হ'ব। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহে কাৰ্যৰত সকলো শিক্ষকক প্ৰযুক্তিৰ সফল ব্যৱহাৰৰ দ্বাৰা তিনিবছৰৰ ভিতৰত প্ৰশিক্ষণ প্ৰদান কৰিবলৈ প্ৰয়োজনীয় ব্যৱস্থা হাতত ল'ব।
13. চৰকাৰী আৰু ব্যক্তিগত স্কুলৰ শিক্ষকৰ পৰ্যাবৃত্ত মূল্যাংকন বাধ্যতামূলক কৰি তোলাৰ লগতে আৰু ইয়াক তেওঁলোকৰ ভৱিষ্যতৰ পদোন্নতি, বৃদ্ধি মুক্তিৰ লগত সংযুক্ত কৰি তোলা হ'ব। প্ৰতি 5 বছৰত তেওঁলোকে এক মূল্যাংকনত অৱতীৰ্ণ হৈ তাত উত্তীৰ্ণ হ'ব লাগিব আৰু এই মূল্যাংকনে তেওঁলোকৰ বিদ্যায়তনিক কৌশল আৰু বিষয় জ্ঞান পৰীক্ষা কৰিব।
14. প্ৰতিখন ৰাজ্যতে শিক্ষক প্ৰশিক্ষকৰ বাবে এটা পৃথক কেডাৰৰ সূচনা কৰা হ'ব। SCERT, DIET আৰু অন্য শিক্ষক শিক্ষাৰ প্ৰতিষ্ঠানসমূহক শক্তিশালী আৰু সামৰ্থবান কৰি তোলাৰ লগতে সেইবিলাকত থকা বৃহৎ সংখ্যক পদসমূহ ভৰ্তি কৰা হ'ব।

## 4.11 শিক্ষাত ভাষা আৰু সংস্কৃতি

এখন বহুভাষিক সমাজে শিক্ষাত ভাষাৰ ভূমিকাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। তিনিটা ভাষাৰ সূত্ৰ (Three Language Formula - TLF) ভাৰত চৰকাৰে ৰাজ্য চৰকাৰসমূহৰ লগত আলোচনা মৰ্মে তৈয়াৰ কৰি উলিয়াইছিল আৰু ৰাষ্ট্ৰীয় শিক্ষা নীতি 1968-ত ইয়াৰ সূচনা কৰা হৈছিল। 1986/1992 চনৰ নীতিৰ দ্বাৰা বিভিন্ন ৰাজ্যত TLF-ৰ ৰূপায়নত কিছু পৰিৱৰ্তন সাধিত হ'লেও ইয়াক চলাই নিয়া হৈছিল। ভাষা যিহেতু এক অতি সংবেদশীল বিষয়, সেয়েহে কোনো পৰামৰ্শই সকলোকে সুখী কৰিব নোৱাৰে। সময় বাগৰি যোৱাৰ লগে লগে, ৰাজ্যসমূহে স্থানীয় আকাংখ্যা আৰু চয়নৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিবলৈ আৰম্ভ কৰিলে যাতে শিক্ষাৰ্থীয়ে আন্তঃৰাজ্যিক, আন্তঃক্ষেত্ৰীয় আৰু লগতে বিশ্বজনীন সা-সুবিধাৰ বাবে ভাষা কৌশলৰ বিকাশ সাধন কৰে।

নিজৰ মাতৃভাষাত শিক্ষাদান কৰিলে শিক্ষাৰ্থীয়ে অধিক জ্ঞান আহৰণ কৰিব পাৰে। অন্যহাতে, ইংৰাজী ভাষাৰ শিক্ষা আৰু ইংৰাজী মাধ্যমৰ শিক্ষানুষ্ঠানৰ চাহিদা দিনক দিনে অধিক বৃদ্ধি পোৱা দেখা গৈছে। শিক্ষাৰ লক্ষ্য হ'ল শিক্ষাৰ্থীৰ মাজত ভাৰতবৰ্ষৰ সমৃদ্ধ ঐতিহ্য, গৌৰৱময় অতীত, মহান পৰম্পৰা আৰু নানাধৰ্মী সংস্কৃতি সম্পৰ্কে সচেতনতাৰ সৃষ্টি কৰা। ই লগতে সকলো স্তৰৰে শিক্ষাৰ্থীৰ দ্বাৰা এনে মূল্যবোধসম্পন্ন শিক্ষালাভ সম্ভৱ কৰি তোলে যি বিশ্ব নাগৰিক সৃষ্টি আৰু ধাৰণক্ষম বিকাশত সহায়ক হ'ব পৰাকৈ দায়বদ্ধ নাগৰিক, শান্তি, সহিষ্ণুতা, ধৰ্মনিৰপেক্ষতা, ৰাষ্ট্ৰীয় সংহতি, সামাজিক সংসক্তি, সকলো ধৰ্মৰ প্ৰতি পাৰস্পৰিক সন্মান আৰু লগতে সাৰ্বজনীন মূল্যবোধৰ নিশ্চিতি প্ৰদান কৰিব পাৰে।

ইয়াৰ বাবে নিম্নলিখিত নীতিসমূহ বিবেচনা কৰা হৈছে:

1. সকলো ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চলে যদি ইচ্ছা কৰে, তেন্তে পঞ্চম শ্ৰেণী পৰ্যন্ত মাতৃভাষা, স্থানীয় বা আঞ্চলিক ভাষাক মাধ্যম হিচাপে লৈ শিক্ষা প্ৰদান কৰিব।
2. ইংৰাজী ভাষাৰ জ্ঞানে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষাৰ্থীৰ গতিশীলতাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰাৰ লগতে বিশ্বজনীন জ্ঞানৰ জগতখনলৈ প্ৰৱেশ প্ৰদান কৰে। সেয়েহে, ইংৰাজী পঢ়া আৰু লিখাৰ ক্ষেত্ৰত শিশুক দক্ষ কৰি তোলাতো দৰকাৰী। সেইবাবে যদি প্ৰাথমিক পৰ্যায়লৈকে শিক্ষাৰ মাধ্যম মাতৃভাষা বা স্থানীয় ভাষা হয়, তেন্তে দ্বিতীয় ভাষা ইংৰাজী হ'ব আৰু তৃতীয় ভাষাৰ পচন্দ (উচ্চ প্ৰাথমিক আৰু মাধ্যমিক স্তৰত), সাংবিধানিক সুবিধা অনুসৰি, ৰাজ্য আৰু স্থানীয় প্ৰশাসনৰ ওপৰত নিৰ্ভৰ কৰিব।
3. উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহ, বিশেষকৈ কাৰিকৰী আৰু পেচাদাৰী প্ৰতিষ্ঠানসমূহে সকলো শিক্ষাৰ্থীক ভাৰতৰ সমৃদ্ধ ঐতিহ্য, ভাষিক বিবিধতা আৰু সাংস্কৃতিক বৈচিত্ৰ আৰু জ্ঞান ব্যৱস্থাৰ বিষয়ে জানিবলৈ সুযোগ দিব।
4. স্কুলীয়া শিক্ষাত ভাৰতৰ সংস্কৃতি, স্থানীয় আৰু পৰম্পৰাগত জ্ঞানক যথাযোগ্য স্থান প্ৰদান কৰা হ'ব। সমানতা আৰু সমতাৰ মূল্যবোধ, সামাজিক ন্যায়, সমধৰ্মিতা, গণতন্ত্ৰ, দায়বদ্ধতাসম্পন্ন স্বতন্ত্ৰতা আৰু স্বাধীনতা, সমধৰ্মিতাৰ মনোভাৱ আৰু ৰাষ্ট্ৰীয় ঐক্য সৃষ্টি সম্ভৱ কৰি তুলিবলৈ সকলো স্তৰতে নৈতিক শিক্ষা সংযোগ কৰা হ'ব।
5. ভাৰতীয় ভাষাৰ উন্নতি আৰু বিকাশত সংস্কৃতৰ বিশেষ গুৰুত্ব থকাৰ লগতে দেশৰ সাংস্কৃতিক একতালৈ ইয়াৰ অৱদানৰ দিশটো মনত ৰাখি অধিক উদাৰ

পন্থাৰে স্কুল আৰু বিশ্ববিদ্যালয় পৰ্যায়ত সংস্কৃতৰ শিক্ষাৰ বাবে সা-সুবিধা প্ৰদান কৰা হ'ব।

6. শিক্ষা প্ৰতিষ্ঠানসমূহে শিক্ষাৰ্থীসকলৰ মাজত নাগৰিকতাৰ ভাৱনা, নিয়মানুৱৰ্তিতা, সময়ানুৱৰ্তিতা, পৰিচ্ছন্নতা, ভাল ব্যৱহাৰ, জ্যেষ্ঠজন আৰু দুৰ্বল আৰু অনগ্ৰসৰ শ্ৰেণীৰ প্ৰতি সহানুভূতি আৰু দয়া, নাৰীৰ প্ৰতি সন্মান আৰু লগতে আন মানৱীয় দিশৰ বিকাশ সাধন কৰাৰ চেষ্টা কৰিব।

## 4.12 সৰ্বাংগীন শিক্ষাৰ যোগেদি স্ব-বিকাশ

শিক্ষা শিশুৰ সৰ্বাংগীন বিকাশৰ (জ্ঞান-সম্বন্ধীয়ৰ লগতে শাৰিৰীক, সামাজিক-মানসিক) লগত জড়িত হৈ আছে আৰু সেইবাবে কেৱল বিদ্যায়তনিক সফলতাকেই গুৰুত্ব প্ৰদান নকৰি অন্য সকলো দিশক ভালদৰে চাৰি-জাৰি চোৱা উচিত। শিকনৰ ফলাফল আৰু অন্য সহ-বিদ্যামাৰ্গৰ ক্ষেত্ৰসমূহ উন্নত কৰিব তোলাৰ দ্বাৰা এই ব্যৱস্থাই শিশুৰ সৰ্বাংগীন বিকাশ সাধনৰ বাবে বিস্তৃত লক্ষ্য স্থিৰ কৰিছে। এটা কথা বহুলভাৱে প্ৰচলিত যে কেৱল স্বাস্থ্যবান শিশুৱে সাৰ্থকতাৰে শিকিব পাৰে আৰু ভাল স্বাস্থ্যই শিকন প্ৰক্ৰিয়াত প্ৰভাৱ পেলায়। এইটো এটা চিন্তাৰ বিষয় যে বৃহৎ সংখ্যক শিশু অপুষ্ঠি আৰু এনিমিয়াৰ চিকাৰ হয় যি শিকন সমস্যাৰ সৃষ্টি কৰে।

ইয়াৰ বাবে নিম্নলিখিত নীতিসমূহ বিবেচনা কৰা হৈছে:

1. শিশুৰ সৰ্বাংগীন বিকাশৰ বাবে স্কুলৰ পাঠ্যক্ৰম আৰু দৈনন্দিন কাৰ্যসূচীত শাৰিৰীক শিক্ষা, যোগ, খেলা-ধূলা আৰু ক্ৰীড়া, NCC, NSS, কলা শিক্ষা, বাল সংসদৰ লগতে স্থানীয় কলা, শিল্প, সাহিত্য আৰু কৌশল, আৰু লগতে অন্য সহ-বিদ্যামাৰ্গৰ কাৰ্যকলাপসমূহক অবিচ্ছেদ্য অংগ কৰি তোলা হ'ব। স্কুলৰ স্বীকৃতিৰ বাবে এইসমূহৰ সা-সুবিধা এক পূৰ্ব-চৰ্ত হ'ব।

2. স্কুলৰ সকলো সহ-বিদ্যামাৰ্গমূলক কাৰ্যকলাপৰ বাবে চৰকাৰ/পৰিচালনা সমিতিয়ে পুঁজি মুকলি কৰিব।
3. সাধাৰণতে স্বাস্থ্য বিভাগৰ দ্বাৰা পৰিচালিত স্কুল স্বাস্থ্যৰ উপাদানটোৰ ৰূপায়নত শিক্ষা বিভাগ আৰু স্কুলে সহযোগ কৰিব। স্কুলে পৰীক্ষণৰ বাবে এক তথ্য-নথি প্ৰস্তুত কৰাৰ লগতে সময়সূচী মানি চলাতো নিশ্চিত কৰি তুলিব। ডিজিটেল ভাৰতৰ অংশ হিচাপে প্ৰতিটো শিশুৰে স্বাস্থ্যৰ ৰেকৰ্ড আৰু স্থিতি ট্ৰেক আৰু নিৰীক্ষণ কৰিবলৈ এপছ তৈয়াৰ কৰা হ'ব।
4. চলিত মিড-ডে মিল স্কীম (MDMS)-ৰ যোগেদি ৰূপায়িত স্কুল পুষ্টি কাৰ্যসূচীয়ে পুষ্টি প্ৰদান আৰু সামাজিক ন্যায়ৰ প্ৰসাৰত সহায় কৰি আহিছে। মাধ্যমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সামৰি ল'ব পৰাকৈ এই MDM কাৰ্যসূচী সম্প্ৰসাৰিত কৰা হ'ব। শিক্ষকসকলক মিড-ডে মিল ৰন্ধা-বঢ়া আৰু বিতৰণ নিৰীক্ষণৰ দায়িত্ব দি অসুবিধাৰ সৃষ্টি কৰা নহ'ব। এক কেন্দ্ৰীয় পাকঘৰত ৰান্ধি স্কুলসমূহত বিতৰণ কৰাৰ বাবে কোনো বিশ্বাসযোগ্য সামূহিক প্ৰতিষ্ঠানৰ সেৱা লাভ কৰিবলৈ অনুপ্ৰাণিত কৰা হ'ব।

### 4.13 স্কুল মূল্যায়ন আৰু প্ৰশাসন

স্কুলৰ ক্ষেত্ৰত সামাজিক সহযোগ আৰু অভিভাৱকীয় সংলিপ্তিয়ে ইনপুট, প্ৰক্ৰিয়া আৰু আনকি ফলাফলৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। এনে বহু উদাহৰণ আছে যে গ্ৰাম্য বিদ্যালয়ে তেতিয়াহে প্ৰভাৱশালী ৰূপত কাম কৰে যেতিয়া স্থানীয় সমাজ সক্ৰিয় হয় আৰু স্কুলৰ কাৰ্যপ্ৰণালীত অংশগ্ৰহণ কৰে। স্কুলত অধিক দক্ষ প্ৰশাসনীয় গাঁথনি, লক্ষ্য-নিৰ্ণয় আৰু প্ৰত্যয় জন্মোৱাৰ মাজত এক সমতা, উত্তম পৰিচালনা অভ্যাসৰ বাবে প্ৰধান শিক্ষকৰ লগতে জিলা আৰু খণ্ড পৰ্যায়ৰ শিক্ষা

বিষয়াসকলৰ প্ৰশিক্ষণ, স্কুলৰ দক্ষতাক অধিক সুক্ষ্মভাৱে নিৰীক্ষণ আৰু সহায়ৰ প্ৰশিক্ষণ, স্কুলৰ দক্ষতাক উন্নত কৰিবলৈ সামূহিক সম্পদসমূহৰ উচিত ব্যৱহাৰ আৰু চেষ্টাৰ অভাৱ অনুভৱ কৰা হৈছে। একেদৰে, শিক্ষা আৰু সহ-বিদ্যামাৰ্গৰ ক্ষেত্ৰ, পৰিগাঁথনি, শিক্ষক ব্যৱস্থাপন, স্কুলৰ নেতৃত্ব, শিক্ষালাভৰ ফলাফল আৰু ছাত্ৰ আৰু তেওঁলোকৰ পিতৃ-মাতৃ/অভিভাৱকৰ সন্তুষ্টিকে ধৰি স্কুলৰ কাৰ্যপদ্ধতিৰ সকলো দিশক সামৰি এক স্কুলৰ মান মূল্যায়ন পদ্ধতি তৈয়াৰ কৰি উলিওৱাৰ প্ৰয়োজন অনুভৱ কৰি অহা হৈছে। পৰিৱৰ্তনশীল পৰিস্থিতিৰ মূখামুখি হোৱাৰ বাবে স্কুল ব্যৱস্থাক সক্ষম কৰি তুলিবলৈ, আৰু লগতে প্ৰয়োজনত শুধৰণি কাযপ্ৰণালীৰ সূত্ৰপাত ঘটাবলৈ যথাযোগ্য দায়বদ্ধতাৰ সৈতে স্বতন্ত্ৰতাৰ যথাযোগ্য ফ্ৰেমৱৰ্কৰ ওপৰত আধাৰিত স্কুল পৰিচালনাৰ এটা মডেল অতিশয় প্ৰয়োজনীয়।

তলত দিয়া নীতিগত পদক্ষেপসমূহ গ্ৰহণ কৰা হ'ব:

1. স্কুলৰ মান, শিক্ষকৰ পেচাদাৰী সক্ষমতা, স্কুলৰ নেতৃত্ব আৰু স্কুলৰ পৰিচালনাৰ লগতে স্ব-পৰীক্ষণ আৰু দক্ষতা মূল্যাংকনৰ বাবে বিভিন্ন মাপাংক আৰু সূচকৰ সৈতে স্কুলৰ মানদণ্ডৰ ফ্ৰেমৱৰ্ক সমগ্ৰ দেশজুৰি ব্যৱহাৰ কৰা হ'ব। তাৰপিছত এই ফ্ৰেমৱৰ্কৰ ভিত্তিত স্কুল মূল্যায়ন কৰি গ্ৰেড প্ৰদান কৰি স্থান নিৰূপণ কৰা হ'ব।
2. স্কুল সমিতিসমূহৰ মান্য পৰীক্ষণৰ বাবে এটা তন্ত্ৰৰ সূত্ৰপাত ঘটোৱা হ'ব।
3. RTE আইনৰ ভিতৰত থাকি স্কুল পৰিচালনা সমিতি (SMC)-ৰ ৰূপায়নৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰসমূহে নীতিগত ফ্ৰেমৱৰ্কৰ ভিন্নতা দূৰ কৰিবলৈ চেষ্টা কৰাৰ লগতে ৰূপায়ন আৰু নিৰীক্ষণ নিৰ্দেশনাৱলী প্ৰদান কৰিব।

4. SMCসমূহৰ সীমাবদ্ধতাৰ বাবে ৰাজ্যিক চৰকাৰসমূহে নিৰ্বাচন প্ৰক্ৰিয়া, সঘনতা, কাৰ্যকাল, ভূমিকা আৰু দায়বদ্ধতা আৰু সিবিলাকৰ কাৰ্যপন্থা সম্পৰ্কে স্পষ্ট নিৰ্দেশনা প্ৰদান কৰিব। ৰাজ্যই SMCসমূহৰ বাবে আবণ্টন বৃদ্ধি কৰাৰ প্ৰয়াস কৰাৰ লগতে স্কুল বিকাশ আঁচনি (SDP) যাতে সফলভাৱে ৰূপায়িত হয়, আৰু তাৰবাবে স্কুলে যাতে অনুদান সময়মতে লাভ কৰে তাৰ প্ৰতি লক্ষ্য ৰাখিব। SDPসমূহক জিলা পৰ্যায়ত বাজেট প্ৰস্তুত আৰু পৰিকল্পনাৰ লগত সংযুক্ত কৰি তোলা হ'ব।
5. উদাহৰণৰ দ্বাৰা এটা কথা প্ৰমাণ কৰিব পাৰি যে কিছুমান স্কুলে অন্যবিলাকতকৈ ভাল প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱাৰ মূলতে হ'ল অধ্যক্ষ বা প্ৰধান শিক্ষকৰ যোগ্য নেতৃত্ব। যোগ্যতা আৰু বুদ্ধিমত্তাৰ ওপৰত নিৰ্ভৰ কৰি অতি কমেও 5 বছৰৰ শিক্ষণ অভিজ্ঞতা থকা অন্য শিক্ষকসকলৰ মাজৰ পৰা অধ্যক্ষ আৰু প্ৰধান শিক্ষকৰ এটা পৃথক কেডাৰ সৃষ্টি কৰা হ'ব আৰু প্ৰধান শিক্ষক আৰু অধ্যক্ষৰ খালী থকা পদসমূহ সময়ানুসৰি পূৰ কৰা হ'ব।
6. উন্নীত স্কুল প্ৰশাসনৰ বাবে স্কুলৰ নেতৃত্বৰ সংজ্ঞা অধিক সামগ্ৰিক ৰূপলৈ প্ৰসাৰিত কৰা দৰকাৰ। এই সংজ্ঞাই এজন স্কুল শিক্ষকৰ ভূমিকা আৰু দায়বদ্ধতা নিৰ্ণয়, স্কুল নেতৃত্বৰ দক্ষতা ফ্ৰেমৱৰ্কৰ বৰ্ণনা, অধ্যক্ষ/প্ৰধান শিক্ষকৰ চয়নৰ বাবে শক্তিশালী আৰু স্বচ্ছ প্ৰক্ৰিয়াৰ আৰম্ভণি আৰু স্কুল নেতৃত্বৰ বাবে সূচনা কাৰ্যসূচী, কেৰিয়াৰ উন্নতিৰ বাবে উচিতভাৱে নিৰ্ধাৰিত পথৰ সৈতে নিৰবিচ্ছিন্ন পেচাদাৰী বিকাশৰ সুযোগক সামৰি লয়।
7. স্কুলৰ বিদ্যায়তনিক দক্ষতা আৰু ইয়াৰ উন্নতিৰ বাবে অধ্যক্ষ/প্ৰধান শিক্ষক দায়বদ্ধ হ'ব। শিক্ষা বিভাগে অধ্যক্ষ/প্ৰধান শিক্ষকৰ নুন্যতম সেৱা-কাল

নিৰ্ধাৰণ কৰিব।

**4.14 উচ্চ শিক্ষাৰ প্ৰশাসনীয় সংস্কাৰ**

যোৱা কেইবছৰমানত ভাৰতৰ উচ্চ শিক্ষা খণ্ডই অভূতপূৰ্ব বিস্তাৰ লাভ কৰাৰ লগতে বৈচিত্ৰপূৰ্ণ হৈ পৰিছে। এই খণ্ডৰ অপৰিকল্পিত বিস্তাৰে মানদণ্ড বৃদ্ধি আৰু বাহাল ৰখাৰ ক্ষেত্ৰত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। উচ্চ শিক্ষাত প্ৰশাসন আৰু প্ৰবিধানৰ বিষয় দুটা হ'ল পৰস্পৰ-সংযোগী। সেয়েহে, উপ-খণ্ডত প্ৰশাসন আৰু প্ৰবিধান সম্পৰ্কীয় যিকোনো ধাৰণাৰ বাবে ইতিমধ্যে বাহাল থকা সংবিধিবদ্ধ স্থিতি প্ৰাসংগিক কৰি তোলা দৰকাৰ।

উচ্চ শিক্ষাত প্ৰভাৱশালী প্ৰশাসন নিশ্চিত কৰিবলৈ তলত দিয়া নীতিগত পদক্ষেপসমূহ গ্ৰহণ কৰা হ'ব:

1. নতুন জ্ঞান ক্ষেত্ৰ/বিষয়/কাৰ্যক্ষেত্ৰৰ লগতে বিশ্ব স্তৰত শিক্ষা, পাঠ্যক্ৰম আৰু মূল্যায়ন সম্পৰ্কীয় সংস্কাৰ চিনাক্ত কৰাত মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ক সহায় কৰিবলৈ প্ৰতি পাঁচ বছৰে বিদ্যায়তনিক বিশেষজ্ঞৰে এক শিক্ষা আয়োগ গঠন কৰা হ'ব। এই আয়োগে বিশ্ব স্তৰত সংঘটিত হোৱা পৰিৱৰ্তন আৰু ৰাষ্ট্ৰীয় আকাংখ্যাৰ প্ৰতি গুৰুত্ব সহকাৰে লক্ষ্য ৰাখিব।
2. উচ্চ শিক্ষাৰ পৰিচালনা সমিতিসমূহৰ গঠন আৰু চয়নৰ বাবে নিৰ্দিষ্ট আৰু স্বচ্ছ নিৰ্দেশনাৱলী মানি চলি সেইবিলাকক একাধিক-হিতাধিকাৰীসম্পন্ন কৰি তোলা হ'ব। সেইবিলাকত উদ্যোগ আৰু প্ৰাক্তন ছাত্ৰসমূহৰ প্ৰতিনিধিত্ব থাকিব।
3. স্নাতক, স্নাতকোত্তৰ আৰু ডক্টৰেল অধ্যয়ন সংযুক্ত কৰি এক বিশ্ববিদ্যালয় প্ৰণালী তৈয়াৰ কৰাৰ দিশত আগবঢ়া হ'ব। ইয়াৰ ফলত শিক্ষকে স্নাতক আৰু স্নাতকোত্তৰ, এই দুয়োটা স্তৰতে সাল-সলনি কৰি শিক্ষাদান কৰিব পাৰিব আৰু

ফলস্বৰূপে শিক্ষণ আৰু গৱেষণাৰ মাজত সহযোগিতা বৃদ্ধি পাব। বিশ্ববিদ্যালয়সমূহৰ প্ৰকৃতি একক-বিষয় নিৰ্দিষ্ট নহৈ একাধিক-বিষয়যুক্ত হ'ব।

4. ৰাষ্ট্ৰই 1968 আৰু 1986/92 চনৰ নীতিৰ অনুমোদন অনুসৰি এক ভাৰতীয় শিক্ষা সেৱা (IES), যিটো ইয়াতো উল্লেখ কৰা হৈছে, ৰূপায়নৰ বাবে যথোপযুক্ত চেষ্টা চলাব। IES এটা ভাৰতীয় সেৱা হ'ব আৰু HRD-এ ইয়াৰ কেডাৰ নিয়ন্ত্ৰকৰ ভূমিকা পালন কৰিব। IES আৰম্ভ নোহোৱা পৰ্যন্ত, ৰাজ্যসমূহৰ সমৰ্থনত বিভিন্ন ৰাজ্যৰ শিক্ষা খণ্ডত থকা বিদ্যায়তনিক আৰু প্ৰশাসনীয় পদসমূহত UPSC-ৰ দ্বাৰা এককালীন বিশেষ নিযুক্তিৰ অন্তৰ্বৰ্তী পদক্ষেপ গ্ৰহণ কৰা হ'ব।

5. চৰকাৰী আৰু লগতে ব্যক্তিগত স্কুল/প্ৰতিষ্ঠান বিপক্ষে মোকৰ্দমা নিষ্পত্তি আৰু ৰাজহুৱা অভিযোগৰ সমাধানৰ বাবে কেন্দ্ৰ আৰু ৰাজ্যসমূহত পৃথক শিক্ষা ন্যায়পীঠ গঠন কৰা হ'ব। উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়ধীশে এই ন্যায়পীঠসমূহৰ নেতৃত্ব ল'ব। গোচৰৰ দ্ৰুত নিষ্পত্তিৰ বাবে সংক্ষিপ্ত প্ৰক্ৰিয়া গ্ৰহণ কৰিবলৈ এই ন্যায়পীঠসমূহৰ ক্ষমতা থাকিব।

6. গণতন্ত্ৰৰ স্বাৰ্থ বিস্তাৰ কৰি তোলা আৰু গণতান্ত্ৰিক ব্যৱস্থা, প্ৰশাসন, প্ৰক্ৰিয়াৰ লগতে বিতৰ্ক, আলোচনা আৰু চিন্তাৰ বৈচিত্ৰক শক্তিশালী কৰি তোলাত ছাত্ৰ সংগঠনসমূহে পালন কৰা ধনাত্মক ভূমিকাক চৰকাৰে শলাগ লৈছে আৰু তাৰবাবে উৎসাহিত কৰি যাব। যি কি নহওক, এটা কথা লক্ষ্য কৰা হৈছে যে একোটা প্ৰতিষ্ঠানৰ চৌহদৰ অধিক সংখ্যক ঐক্যনাশক কাৰ্যকলাপ আৰু বিৰোধসমূহ বহিৰাগত আৰু এনে ছাত্ৰই নেতৃত্ব লয় যি নামভৰ্তি কৰা পাঠ্যক্ৰমৰ বাবে ধাৰ্য কৰা সময়তকৈ বহু বেছি বছৰ ছাত্ৰ হিচাপে নামভৰ্তি

হৈ থাকে। বহিৰাগত আৰু ছাত্ৰজীৱন সমাপ্ত কৰাসকলক ছাত্ৰাবাসত বাস কৰা আৰু প্ৰতিষ্ঠানৰ সা-সুবিধাৰ অপব্যৱহাৰ কৰাৰ পৰা বাৰণ কৰাৰ লগতে ছাত্ৰ-ৰাজনীতিত সক্ৰিয় ভূমিকা পালন কৰা আৰু বিদ্যায়তনিক কাৰ্যকলাপত বাধা সৃষ্টি কৰাৰ পৰা দূৰত ৰাখিবলৈ এক অধ্যয়ন হাতত লোৱা হ'ব।

7. সকলো HEI-এ এক কাৰ্যক্ষম অভিযোগ নিৰায়ম ব্যৱস্থাৰ সূচনা কৰিব আৰু কোনো ছাত্ৰ, শিক্ষক আৰু প্ৰতিষ্ঠানৰ বিৰুদ্ধে দণ্ডাত্মক গোচৰ তৰাৰ আগতে নৈসৰ্গিক ন্যায় পন্থা গ্ৰহণ কৰিব য'ত অপৰাধীৰ মনোস্থিতি আৰু দ্বিতীয় পক্ষৰ বক্তব্য শুনাটো গুৰুত্বপূৰ্ণ।

8. বৰ্তমানে চলি থকা অধিভূক্তকৰণ পদ্ধতি জাৰী ৰখা হ'ব, কিন্তু অধিভূক্ত মহাবিদ্যালয়ৰ সংখ্যা সৰ্বাধিক 100-ত সীমাবদ্ধ কৰা হ'ব। নিজৰ অধীনত 100 খনতকৈ অধিক মহাবিদ্যালয় থকা বিশ্ববিদ্যালয়সমূহক প্ৰয়োজন অনুসৰি পুনঃগঠন কৰা হ'ব।

**9.** ৰাজহুৱা মঞ্জুৰীপ্ৰাপ্ত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ উৎকৰ্ষতা বৃদ্ধি কৰিব পৰা কাৰ্যকলাপৰ বাবে উৎসাহজনক অনুদানৰ লগতে মান-আধাৰিত মঞ্জুৰীৰ সূত্ৰপাত ঘটোৱা হ'ব। ৰাজহুৱা অনুদান লাভ কৰা সকলো প্ৰতিষ্ঠানে আৰ্থিক আৰু প্ৰশাসনীয় দায়বদ্ধতাৰ সৈতে স্বতন্ত্ৰতা নিশ্চিত কৰিবলৈ নিৰ্দিষ্ট লক্ষ্যবিন্দু আৰু সময়সীমাৰ সৈতে পৰিপেক্ষা আঁচনি প্ৰস্তুত কৰিব।

## 4.15 উচ্চ শিক্ষাৰ প্ৰবিধান

শিক্ষাব্যৱস্থাত থকা প্ৰধান ৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহ সিবিলাকৰ স্থাপনৰ সময় অনুসৰি গাইগুটীয়া লক্ষ্য আৰু উদ্দেশ্যৰ সৈতে বিভিন্ন সময়ত স্থাপন কৰা হৈছিল। সময় বাগৰি যোৱাৰ লগে লগে আৰু উচ্চ শিক্ষা খণ্ডত হোৱা নব্য বিকাশৰ বাবে উচ্চ

শিক্ষা খণ্ডৰ ভৱিষ্যতৰ প্ৰয়োজনীয়তাক মনত ৰাখি নিয়ন্ত্ৰণ ব্যৱস্থা সমীক্ষা কৰাৰ লগতে অধিক প্ৰাসংগিক কৰি তোলাৰ প্ৰয়োজন আহি পৰিছে। উচ্চ শিক্ষাৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ লগত সম্পৰ্কিত বহুতো প্ৰত্যাহ্বানক সাৱধানেৰে সমাধান দিশত লৈ যোৱাৰ প্ৰয়োজন আছে। স্বতন্ত্ৰতা আৰু দায়বদ্ধতাৰ মাজত সুস্থ সমতা সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা আছে। ৰাজ্য চৰকাৰ আৰু বিশ্ববিদ্যালয়সমূহেও নিজৰ অধিক্ষেত্ৰৰ ভিতৰত থকা উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহক দিক-দৰ্শন কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

তলত দিয়া নীতিগত পদক্ষেপসমূহ গ্ৰহণ কৰা হ'ব:

1. ৰাষ্ট্ৰীয় উচ্চ শিক্ষা বৃত্তি কাৰ্যসূচীৰ পৰিচালনা কৰিবলৈ এটা স্বতন্ত্ৰ ব্যৱস্থা স্থাপন কৰা হ'ব।
2. উচ্চ মানৰ পাৰিসাংখ্যিক বিশেষজ্ঞতা আৰু প্ৰৱন্ধন তথ্য পদ্ধতিৰে সৈতে কেন্দ্ৰীয় ডাটা সংগ্ৰহ, সংকলন আৰু একত্ৰীকৰণ এজেন্সি ৰূপে এটা কেন্দ্ৰীয় শৈক্ষিক পৰিসংখ্যা এজেন্সি (Central Educational Statistics Agency – CESA) স্থাপন কৰা হ'ব যিটোক পদ্ধতিগত বিশ্লেষণ, লোকবল পৰিকল্পনা আৰু ভৱিষ্যতৰ গতি শুদ্ধকৰণত ব্যৱহাৰ কৰিব পৰা যাব। লগতে CESA-এ উপলব্ধ পৰিগাঁথনি, নতুন নিৰ্মাণ আৰু উন্নীতকৰণ আদিৰ দৰে বিভিন্ন মাপদণ্ডৰ ওপৰত ভিত্তি কৰি HEIসমূহৰ জিঅ'-টেগিঙৰ সমাধান বিকাশ কৰিব।
3. উচ্চ শিক্ষাৰ ৰাজ্যিক পৰিষদসমূহক অনুমোদনপ্ৰাপ্ত মান্যতাপ্ৰদান এজেন্সিসমূহৰ লগত পৰামৰ্শ কৰি বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহ বিদ্যায়তনিক মানদণ্ড এক নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে নিৰীক্ষণ কৰাৰ লক্ষ্য ধাৰ্য কৰা হ'ব।

4. অধিক স্বচ্ছতাৰ বাবে নামভৰ্তি, মাচুল, শিক্ষক, কাৰ্যসূচী, পৰীক্ষাৰ ফলাফল, নিয়োগ, প্ৰশাসন, বিত্ত, ব্যৱসায়িক বুজা-বুজি, ব্যৱস্থাপন সম্পৰ্কে মান্য তথ্যৰ ঘোষণা নিশ্চিত কৰাৰ লগতে বিদ্যায়তনিক আৰু সহযোগমূলক গৱেষণা কাৰ্যকলাপৰ এক প্ৰতিবেদন আৰু সেই প্ৰতিষ্ঠানৰ লগত সম্বন্ধীয় অন্য প্ৰাসংগিক তথ্য প্ৰদৰ্শন কৰিবলৈ প্ৰতিটো উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰে একোটা নিজস্ব বেৱছাইট থাকিব।

## 4.16 উচ্চ শিক্ষাত মানদণ্ড নিশ্চিতকৰণ

বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহে অনুপযুক্ত পৰিগাঁথনি আৰু সা-সুবিধা, বৃহৎ সংখ্যক খালী পদ, নিম্নমানৰ শিক্ষক, অপ্ৰচলিত শিক্ষণ পদ্ধতি, নিম্নগামী গৱেষণা মান ইত্যাদিকে সামৰি বহু সমস্যাৰ সন্মুখীন হৈছে। লগতে এই খণ্ডত ব্যাপক ভৌগলিক, লিংগ আৰু সামাজিক অসমতা লক্ষ্য কৰিব পাৰি। এই সমস্যাসমূহ হ'ল নিম্নমানৰ উচ্চ শিক্ষাৰো প্ৰতিফলন। মান নিশ্চিতকৰণৰ অংশ হিচাপে, প্ৰতিষ্ঠানসমূহে এতিয়া NAAC বা NBA-ৰ দ্বাৰা স্বীকৃতি লাভ কৰাটো বাধ্যতামূলক হৈ পৰিছে। বিশ্ববিদ্যালয়ৰ বিশ্ব ৰেংকিঙত মাত্ৰ কেইটামান উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানেহে স্থান লাভ কৰিবলৈ সক্ষম হোৱাটো এটা চিন্তাৰ বিষয়। বিশ্ববিদ্যালয়ৰ বিশ্ব ৰেংকিং গৱেষণা আৰু শিক্ষণৰ ক্ষেত্ৰত আনুষ্ঠানিক প্ৰদৰ্শন, শিক্ষকসকলৰ প্ৰতি সন্মান, কৰ্মচাৰীৰ মাজত সন্মান, সম্পদৰ উপলব্ধতা, আন্তঃৰাষ্ট্ৰীয় শিক্ষাৰ্থী আৰু কাৰ্যকলাপৰ আদান-প্ৰদানৰ মূল্যাংকনৰ ওপৰত আধাৰিত। শেহতীয়াকৈ, মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ে অভিযান্ত্ৰিক, মেনেজমেন্ট, ফাৰ্মাচী, স্থাপত্যবিদ্যা, বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ক সামৰি আমাৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহক ৰেংকিং প্ৰদান কৰিবৰ বাবে নেচনেল ইন্সটিউট ৰেংকিং ফ্ৰেমৱৰ্ক (NIRF) স্থাপন আৰম্ভ কৰিছে।

তলত দিয়া নীতিগত পদক্ষেপসমূহ গ্ৰহণ কৰা হ'ব:

1. আন্তঃৰাষ্ট্ৰীয় স্তৰৰ মান নিশ্চয়তাকৰণ ব্যৱস্থাৰ অধ্যয়নৰ বাবে এক বিশেষজ্ঞ সমিতিৰ গঠন কৰা হ'ব। ই উত্তম দক্ষতাসম্পন্ন পদ্ধতি ব্যৱহাৰ কৰা দেশসমূহে সৰ্বোত্তম কাৰ্যসূচীৰ দ্বাৰা লাভ কৰা অভিজ্ঞতাৰ সুব্যৱহাৰ কৰিব আৰু NAAC আৰু NAB পুনঃগঠনৰ লগে লগে প্ৰণালী, স্থিতিমাপ আৰু অনুমাপকৰ পুনৰ বিচাৰ কৰাৰ পৰামৰ্শ প্ৰদান কৰিব।
2. এই বিশেষ ৱেবছাইট যোগেদি প্ৰতিটো প্ৰতিষ্ঠানৰ মূল্যাংকন/প্ৰত্যায়ন সাধাৰণ জনতাৰ বাবে উপলব্ধ কৰা হ'ব যাতে শিক্ষাৰ্থী আৰু অন্য হিতাধিকাৰীসকলক জ্ঞাত চয়ন প্ৰক্ৰিয়াৰ বাবে সক্ষম কৰি তুলিব পৰা যায়।

## 4.17 মুক্ত আৰু দূৰৱৰ্তী শিক্ষণ ও MOOC

মুক্ত আৰু দূৰৱৰ্তী শিক্ষা (ODL) বৰ্ধিত প্ৰৱেশাধিকাৰ, কৌশল বিকাশ, ক্ষমতা নিৰ্মাণ, প্ৰশিক্ষণ, নিয়োগযোগ্যতা, আৰু জীৱন-জোৰা শিক্ষা লাভ কৰাৰ এক গুৰুত্বপূৰ্ণ প্ৰণালী হিচাপে স্বীকৃত আৰু গৃহীত। ই ODL-ৰ অধীনত প্ৰায় 40 লাখ শিক্ষাৰ্থী নামভৰ্তিকৰণৰ জৰিয়তে ভাৰতত শিক্ষাৰ প্ৰসাৰত লেখত ল'বলগীয়া অৱদান আগবঢ়াইছে। ৰাজহুৱা আৰু ব্যক্তিগত এই দুইধৰণৰ প্ৰতিষ্ঠানে নানা প্ৰকাৰৰ দূৰৱৰ্তী শিক্ষা প্ৰদান কৰি আছে। এই প্ৰতিষ্ঠানসমূহে এনে শিক্ষাৰ্থীসকলক উপযুক্ত উপায় প্ৰদান কৰে যিসকলে নিজৰ চাকৰি বা অন্য কাৰণৰ বাবে শ্ৰেণীত নিয়মীয়াকৈ উপস্থিত থাকিব নোৱাৰে। বৰ্তমান ভাৰতত উচ্চ শিক্ষাৰ ক্ষেত্ৰত মূলতঃ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুক্ত বিশ্ববিদ্যালয় আৰু ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়সমূহৰ বিপৰীতে ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় সংস্থাই (NIOS) বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত মুক্ত আৰু দূৰৱৰ্তী শিক্ষা প্ৰদান কৰি আছে। যি কি নহওক, দূৰৱৰ্তী শিক্ষাৰ মানদণ্ডত

বহু কিছু সমস্যা আছে, যাৰ বাবে ODL পদ্ধতিৰ সংস্কাৰ সাধনৰ নিতান্তই প্ৰয়োজন।

বৃহৎ সংখ্যক মুক্ত অনলাইন পাঠ্যক্ৰমসমূহে (MOOC) তুলনামূলকভাৱে কম খৰচতে আধুনিক পাঠ্যক্ৰমসমূহলৈ এক মুক্ত প্ৰৱেশাধিকাৰ প্ৰদান কৰে। বিভিন্ন উচ্চ শিক্ষা প্ৰতিষ্ঠান/বিশ্ববিদ্যালয়সমূহে মুক্ত শিক্ষণ আধাৰ প্ৰস্তুত কৰি নিজৰ পাঠ্যক্ৰমসমূহ অনলাইন উপলব্ধ কৰিবলৈ আৰম্ভ কৰিছে। শিক্ষাৰ্থীৰ আকাংখ্যা আৰু জ্ঞানৰ নিৰবিচ্ছিন্ন নবীকৰণৰ বাবে MOOC-ৰ চাহিদা ভৱিষ্যতে বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। MHRD-এ এক ৱেব পৰ্টেল- ষ্টাডি ৱেবছ অফ একটিভ-লাৰ্নিং ফৰ ইয়ং এচপায়াৰিং মাইণ্ড (SWAYAM) আৰম্ভ কৰাৰ আঁচনি হাতত লৈছে, য'ত বিভিন্ন বিষয়ৰ ওপৰত বৃহৎ সংখ্যক মুক্ত অনলাইন পাঠ্যক্ৰমসমূহ (MOOC) উপলব্ধ হ'ব। MOOCসমূহৰ প্ৰচাৰ, সমন্বয়-সাধন, নিয়ন্ত্ৰণ আৰু মান বৰ্তাই ৰখাৰ লগতে স্বীকৃতিপ্ৰদান আৰু সংগৃহীত ক্ৰেডিটৰ স্থানান্তৰণৰ বাবে এক পদ্ধতিৰ বিকাশ কৰিবলৈ এটা প্ৰতিষ্ঠানৰ সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা অনুভৱ হৈ আহিছে।

তলত দিয়া নীতিগত পদক্ষেপসমূহ গ্ৰহণ কৰা হ'ব:

1. ODL/MOOCসমূহৰ লগত জড়িত প্ৰক্ৰিয়াৰ প্ৰচাৰ, ইবিলাকৰ সমন্বয়-সাধন, নিয়ন্ত্ৰণ আৰু মান বৰ্তাই ৰখাৰ বাবে এটা স্বতন্ত্ৰ সংস্থা স্থাপন কৰা হ'ব। ই পদ্ধতিগত বিকাশ আৰু ODL/ MOOC-ৰ নিয়ন্ত্ৰণৰ বাবে নীতি-নিয়ম, মানদণ্ড আৰু নিৰ্দেশনাসূচী প্ৰস্তুত কৰিব। ইয়াৰোপৰি এই সংস্থাই MOOC-ৰ যোগেদি লাভ কৰা ক্ৰেডিটৰ সংগ্ৰহ আৰু স্থানান্তৰৰ লগতে ডিগ্ৰী প্ৰদান আৰু স্বীকৃতিপ্ৰদানৰ বাবে এটা প্ৰক্ৰিয়াৰ বিকাশ সাধন কৰিব।
2. ODL/ MOOC ম'ডত পাঠ্যক্ৰম আৰু কাৰ্যসূচী প্ৰদান কৰা সকলো প্ৰতিষ্ঠানে

দফা-1-ত উল্লিখিত স্বতন্ত্ৰ সংস্থাই নিৰ্ণয় কৰি উলিওৱা নীতি-নিয়ম, মানদণ্ড অনুসৰি স্থানীয় প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰি কাৰ্যসূচীৰ বিকাশ আৰু সেইবিলাকৰ মানদণ্ড নিশ্চিত কৰি তোলাৰ লগতে স্বীকৃতি আৰু ডিগ্ৰী প্ৰদানৰ বাবে ক্ৰেডিটৰ সংগ্ৰহ সম্ভৱ কৰি তুলিব।

3. ODL/MOOCসমূহৰ মানদণ্ড নিশ্চিতকৰণ, প্ৰচাৰ, সৃজনীশীলতা, পুনঃগঠন আৰু সিবিলাকৰ পাঠ্যক্ৰম আৰু কাৰ্যসূচীসমূহৰ আধুনিকীকৰণৰ বাবে ODL/MOOC প্ৰদান কৰা সকলো বিশ্ববিদ্যালয়/প্ৰতিষ্ঠানৰ মান্যতা পৰীক্ষা কৰিবলৈ এটা মান্যতা নিৰ্ধাৰণ পদ্ধতিৰ সূচনা কৰা হ'ব।

4. সকলো ODL প্ৰতিষ্ঠানে শিক্ষাৰ্থী সহায় সেৱাৰ সূচনা কৰিব আৰু ইয়াত পাঠ্যক্ৰমৰ উন্মোচন, সংগ্ৰহণ, মুক্ত শৈক্ষিক সম্পদসমূহ (OER), MOOC, 24x7 সহায় সেৱা, টিউটৰিং আৰু কাউন্সিলিং সেৱা, ৱেবিনাৰৰ ব্যৱস্থা, আলোচনা ফ'ৰাম, ৱেবকাষ্টিং, গ্ৰন্থাগাৰৰ সুবিধা, ভাৰ্চুৱেল পৰীক্ষাগাৰ, ই-শিক্ষণ মডিউল, অনলাইন কাৰ্যসূচীৰ বিতৰণ, ঘৰুৱা কাম আৰু কাৰ্যদক্ষতা সম্পৰ্কে সময়ানুসৰি মতামত প্ৰদান, অনলাইন পৰীক্ষা, ফলাফল ঘোষণা, অভিযোগৰ প্ৰতিবিধানক সামৰি লোৱা হ'ব।

5. বৃত্তিগত শিক্ষাৰ সম্ভাৱনীয় চাহিদা পূৰণ কৰিবৰ বাবে ৰাষ্ট্ৰীয় মুক্ত শিক্ষা সংস্থাই (NIOS) কৌশল বিকাশ আৰু এণ্টাৰপ্ৰেনিঅ'ৰশ্বিপ মন্ত্ৰালয়ৰ লগত লগ লাগি নিজকে পুনৰ সংজ্ঞাবদ্ধ কৰি তুলিব। NIOS-ৰ ব্যৱস্থাপনা, নিৰীক্ষণ আৰু চোৱা-চিতাৰ সৈতে সম্বন্ধীয় বিষয়সমূহ উচিতভাৱে পৰ্যালোচনা কৰা হ'ব।

## 4.18 শিক্ষাৰ আন্তঃৰাষ্ট্ৰীয়কৰণ

বিশ্বায়নৰ যুগত আন্তঃৰাষ্ট্ৰীয়কৰণ, নিত্য-নতুন জ্ঞানৰ সৃষ্টি আৰু প্ৰয়োগ হ'ল উচ্চ শিক্ষাৰ এক এৰাব নোৱাৰা অংগ। আন্তঃৰাষ্ট্ৰীয়কৰণে শিক্ষাৰ্থী, গৱেষক আৰু শিক্ষকৰ তৎপৰতা; বিদ্যায়তনিক পদ্ধতি আৰু সংস্কৃতিৰ ৰপ্তানি/আমদানি; গৱেষণা সহযোগিতা; জ্ঞানৰ হস্তান্তৰ আৰু সক্ষমতা নিৰ্মাণ; পাঠ্যক্ৰম আৰু শৈক্ষিক ফলাফলৰ আন্তঃৰাষ্ট্ৰীয়কৰণ; সীমান্ত-অতিক্ৰমি কাৰ্যসূচীৰ বিতৰণ; আৰু ভাৰ্চুৱেল তৎপৰতা আৰু ডিজিটেল শিক্ষাক সামৰি লয়।

উচ্চ শিক্ষাৰ আন্তঃৰাষ্ট্ৰীয়কৰণে অনেক সুবিধা প্ৰদান কৰে। সেইবিলাকৰ ভিতৰত হ'ল HEI-সমূহৰ ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় দৃশ্যমানতা আৰু পৰিলেখ বৃদ্ধি, উচ্চ শিক্ষাৰ উপলব্ধতা বৃদ্ধি, শিক্ষাৰ্থীৰ বাবে বৰ্ধিত প্ৰৱেশাধিকাৰ, জ্ঞান অৰ্থনীতিৰ বাবে সমৰ্থন, ডুৱেল ডিগ্ৰীৰ বিকাশ, নতুন বিদ্যায়তনিক পৰিবৱেশৰ বৈচিত্ৰ সাধন আৰু সৃষ্টি।

তলত দিয়া নীতিগত পদক্ষেপসমূহ গ্ৰহণ কৰা হ'ব:

1. বিশ্বৰ শীৰ্ষৰ 200 খন বিশ্ববিদ্যালয়ৰ ভিতৰত নিৰ্বাচিত বিদেশী বিশ্ববিদ্যালয়সমূহক ভাৰতীয় বিশ্ববিদ্যালয়সমূহৰ সৈতে একজোঁট হৈ ভাৰতত তেওঁলোকৰ উপস্থিতি নিশ্চিত কৰিবলৈ অনুপ্ৰাণিত কৰা হ'ব। প্ৰয়োজন হ'লে এক আইন প্ৰণয়নৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হ'ব। প্ৰয়োজনীয় নীতি/নিয়মাৱলী প্ৰস্তুত কৰা হ'ব যাতে বিদেশী বিশ্ববিদ্যালয়সমূহে ভাৰতত শিক্ষা লাভ কৰা ভাৰতীয় শিক্ষাৰ্থীসকলক ডিগ্ৰী প্ৰদান কৰাটো সম্ভৱপৰ হৈ উঠে আৰু এই ডিগ্ৰীসমূহ সেই বিশ্ববিদ্যালয়সমূহৰ নিজা ৰাষ্ট্ৰসমূহতো মান্য ৰূপে গণ্য কৰা হয়।
2. যিহেতু আন্তঃৰাষ্ট্ৰীয়কৰণ এটা দ্বি-মুখী প্ৰচেষ্টা, সেয়েহে প্ৰয়োজন হ'লে উপযুক্ত

আইন প্ৰণয়ন কৰি বা ইতিমধ্যে থকা আইন/সংবিধিৰ সংশোধন ঘটাই ভাৰতীয় প্ৰতিষ্ঠানসমূহকো বিদেশত শিক্ষণ চৌহদ প্ৰতিষ্ঠা কৰিবলৈ অনুমতি প্ৰদান কৰা হ'ব।

3. বিদেশত ভাৰতীয় শিক্ষাৰ্থীসকলৰ গ্ৰহণযোগ্যতা বৃদ্ধি কৰিবলৈ আৰু আন্তঃৰাষ্ট্ৰীয় শিক্ষাৰ্থীক আকৰ্ষণ কৰিবলৈ ভাৰতীয় HEIসমূহক আন্তঃৰাষ্ট্ৰীয় স্তৰৰ লগত ফেৰ মাৰি পাঠ্যক্ৰমৰ আন্তঃৰাষ্ট্ৰীয়কৰণ কৰিবলৈ উৎসাহিত কৰা হ'ব যাতে সেইসমূহ বিশ্বৰ শীৰ্ষ স্তৰৰ প্ৰতিষ্ঠানসমূহৰ সমপৰ্যায়ৰ হৈ উঠে। যিহেতু আন্তঃৰাষ্ট্ৰীয় শিক্ষাৰ্থীসমূহ সাংস্কৃতিক আৰু ভাৰত সম্পৰ্কীয় অধ্যয়নৰ বাবেহে ভাৰতলৈ আহে, সেয়ে আন্তঃৰাষ্ট্ৰীয় শিক্ষাৰ্থীৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ এই ক্ষেত্ৰসমূহৰ বিকাশ সাধন কৰা হ'ব।

4. HEIসমূহে ভাষা অসম্পূৰ্ণতা আৰু/বা পাঠ্যক্ৰমৰ উচ্চ মানৰ বাবে হ'ব পৰা সমস্যা দূৰ কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় শিক্ষাৰ্থীৰ বাবে ভাষা আৰু সংযোগী পাঠ্যক্ৰম প্ৰদান কৰিব।

5. ভাৰতীয় HEIসমূহত বিদেশী শিক্ষকক যোগদান কৰাৰ বাবে উৎসাহিত কৰিবলৈ ভাৰতীয় প্ৰতিষ্ঠানসমূহত বিদেশী শিক্ষকৰ যোগদান সম্পৰ্কীয় নীতি-নিয়মসমূহ সমীক্ষা কৰা হ'ব। বিদেশী শিক্ষাৰ্থী/শিক্ষকে মুখামুখি হোৱা ভিছা, পঞ্জীয়ন/বাস কৰাৰ সময় বৃদ্ধি আৰু কৰ সম্পৰ্কীয় নীতি-নিয়মসমূহৰ লগত যুক্ত উদ্বেগ আৰু সমস্যা উপযুক্ত ৰূপত সমাধান কৰা হ'ব।

6. চৰকাৰী মঞ্জুৰীপ্ৰাপ্ত HEIসমূহে অতিৰিক্ত অৰ্থিক সমল লাভ কৰাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয়কৰণক এক উপাদান ৰূপে অন্তৰ্ভুক্ত কৰা হ'ব।

7. চৰকাৰে এনে ৰাষ্ট্ৰসমূহৰ সৈতে আলোচনা-বিলোচনা আৰম্ভ কৰিব যি HEI

আৰু অধ্যয়নৰ কাৰ্যসূচীৰ অনুমোদন/স্বীকৃতি-প্ৰদান/মূল্যাংকন আৰু মান নিশ্চিতকৰণৰ বাবে এক পুংখানুপংখ, সবল আৰু প্ৰত্যয়যোগ্য পদ্ধতিৰ ব্যৱহাৰ কৰি আহিছে। তেনে ৰাষ্ট্ৰসমূহৰ লগত লগ লাগি এটা গোট গঠন কৰিবলৈ প্ৰয়াস কৰা হ'ব যি এই গোটৰ সদস্য ৰাষ্ট্ৰৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহে প্ৰদান কৰা অৰ্হতাসমূহক স্বীকৃতি প্ৰদান কৰিব।

৪. ক্ৰমান্বয়ে বৰ্ষ-আধাৰিত স্বীকৃতিৰ পৰা ক্ৰেডিট-আধাৰিত স্বীকৃতিলৈ পৰিৱৰ্তন কৰিবৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব।

**4.19 উচ্চ শিক্ষাৰ লগত জড়িত শিক্ষকৰ বিকাশ**

উচ্চ শিক্ষা ব্যৱস্থাৰ দ্ৰুত বিস্তাৰৰ লগত ফেৰ মাৰিবলৈ শিক্ষণ আৰু শিক্ষকৰ মানদণ্ড বৃদ্ধি কৰাটো অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। মানসম্পন্ন শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত সৰ্বোৎকৃষ্ট প্ৰতিভাৰ শিক্ষণ পেচাত যোগদান, শিক্ষণ আৰম্ভ কৰাৰ আগতে প্ৰয়োজনীয় প্ৰাৰম্ভিক প্ৰস্তুতি, নিৰবিচ্ছিন্ন পেচাদাৰী বিকাশ নিশ্চিত কৰিবলৈ অধিক গুৰুত্ব আৰোপ কৰা উচিত। এখন বিশ্ববিদ্যালয়ৰ দক্ষ ব্যৱস্থাপন জ্যেষ্ঠ প্ৰৱন্ধন কৰ্মচাৰীসকলৰ পেচাদাৰী দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰে। উপাচাৰ্য, পঞ্জীয়ক আৰু অন্য জ্যেষ্ঠ প্ৰৱন্ধন কৰ্মচাৰীসকলক নিযুক্তি প্ৰদানৰ বৰ্তমানৰ ব্যৱস্থা নানা সমস্যাযুক্ত আৰু ই HEIসমূহৰ মসৃণ কাৰ্য-সম্পাদনৰ ওপৰত প্ৰভাৱে পেলোৱা দেখা গৈছে। জটিল ব্যৱস্থাপনা-সম্পৰ্কীয় সমস্যাসমূহ সমাধানৰ বাবে শিক্ষা খণ্ডত মানসম্পন্ন নেতৃত্বৰ লগতে বিশ্বাসনীয় পেচাদাৰী ব্যক্তিৰ অতি প্ৰয়োজন।

তলত দিয়া নীতিগত পদক্ষেপসমূহ গ্ৰহণ কৰা হ'ব:

1. আন্তঃৰাষ্ট্ৰীয় স্তৰত প্ৰখ্যাত বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠানসমূহৰ নিযুক্তি, পদোন্নতি আৰু ধাৰণ প্ৰক্ৰিয়াৰ অধ্যয়নৰ বাবে বিশেষজ্ঞৰ এটা টাস্ক ফোৰ্চ গঠন কৰা

হ'ব আৰু তাৰ লগে লগে HEIসমূহত বুদ্ধিগত আৰু বিদ্যায়তনিক উৎকৰ্ষতা নিশ্চিত কৰিবলৈ পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

2. শিক্ষণ পেচাৰ প্ৰতি যুৱ প্ৰতিভাক আকৃষ্ট কৰিবৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত এক অভিযান আৰম্ভ কৰা হ'ব। শিক্ষণ পেচালৈ যুৱ প্ৰতিভাক আকৃষ্ট কৰিবৰ বাবে M.Phil আৰু Ph.D গৱেষকৰ দৰে গৱেষণা শিক্ষাৰ্থীৰ পেশাগত উন্নতি নিশ্চিত কৰা হ'ব আৰু তেওঁলোকক বিদ্যায়তনিক সহায়ক বা বিদ্যায়তনিক সহযোগী ৰূপে মনোনীত কৰা হ'ব।

3. নতুনকৈ নিযুক্তিপ্ৰাপ্ত শিক্ষকৰ বাবে 3-6 মহীয়া সূচনা কাৰ্যসূচীৰ অনুষ্ঠিত কৰিবৰ বাবে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক প্ৰশিক্ষণ একাডেমী স্থাপন কৰা হ'ব। HE প্ৰতিষ্ঠানত আনুষ্ঠানিকভাৱে শিক্ষণৰ দায়িত্ব গ্ৰহণ কৰাৰ আগতে নতুনকৈ নিযুক্তিপ্ৰাপ্ত শিক্ষকসকলে শিক্ষণৰ এখন চাৰ্টিফিকেট লাভ কৰাটো বাধ্যতামূলক হ'ব। সূচনা কাৰ্যসূচীত শিক্ষণ আৰু গৱেষণা পদ্ধতিসমূহ (ফ্লিপ শ্ৰেণীকোঠা, সহযোগাত্মক অধ্যয়ন, কোনো ঘটনাৰ সম্বন্ধীয় দৃষ্টিকোণ), ICT-ৰ ব্যৱহাৰ, পাঠ্যক্ৰমৰ গঠন আৰু নিৰ্ধাৰণ, লিংগ আৰু সামাজিক বৈচিত্ৰ সম্পৰ্কীয় সংবেদশীলতা, পেচাদাৰী নৈতিকতা, সৰ্বোৎকৃষ্ট অভ্যাসৰ আদান-প্ৰদান, তেওঁলোকৰ অধ্যয়ন ক্ষেত্ৰৰ সাম্প্ৰতিক গতি-বিধি সম্পৰ্কীয় জ্ঞানৰ নবীকৰণ ইত্যাদি অন্তৰ্ভুক্ত হৈ থাকিব। এই সূচনা কাৰ্যসূচীৰ পিছত প্ৰতিষ্ঠানৰ সংস্কৃতিৰ লগত পৰিচিত হ'বলৈ আৰু নিজৰ ভূমিকা আৰু দায়ৱদ্ধতাৰ বিষয়ে সচেতন হ'বলৈ তেওঁলোকৰ বিশ্ববিদ্যালয়ত 4-6 সপ্তাহ জোৰা এটা দিক-দৰ্শন কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব।

4. প্ৰযুক্তিগত বিকাশ, জ্ঞানৰ নব্য-নতুন পৰিধি আৰু শিক্ষাৰ্থীৰ পৰিৱৰ্তিত

পৰিচয়ৰ বাবে এজন শিক্ষকৰ পৰিচয়তো এক অসাধাৰণ পৰিৱৰ্তন সংঘটিত হৈছে। এই পৰিৱৰ্তিত প্ৰসংগত, স্ব-অধ্যয়ন, ব্যৱহাৰিক আৰু সহযোগাত্মক অধ্যয়নৰ লগত শিক্ষাৰ এক সংমিশ্ৰিত ম'ডেল গ্ৰহণ নিশ্চিত কৰি তুলিবলৈ শিক্ষক আৰু শিক্ষাৰ্থীৰ ভূমিকাক পুনঃসংজ্ঞাবদ্ধ কৰা হ'ব। লগতে মূল্যায়ন আৰু পৰীক্ষা ব্যৱস্থাতো সংস্কাৰ সাধনৰ প্ৰয়োজন হ'ব।

5. শিক্ষকৰ বিদ্যায়তনিক দক্ষতা মূল্যায়ন কৰিবলৈ সহকৰ্মীৰ সমীক্ষাৰে সৈতে এটা ব্যৱস্থাৰ সূচনা কৰা হ'ব যাতে ৰাজহুৱা পুঁজি লাভ কৰা প্ৰতিষ্ঠানসমূহৰ বিদ্যায়তনিক দায়বদ্ধতা নিশ্চিত কৰিব পাৰি।

6. পাৰ্শ্বিক প্ৰৱেশ আৰু প্ৰস্থানৰ অনুমতি প্ৰদান আৰু অতিৰিক্ত শিক্ষক হিচাপে কাম কৰিবলৈ বিশেষ অস্থায়ী নিযুক্তি/ডেপুটেচনত উৎসাহিত কৰাৰ দ্বাৰা উদ্যোগ আৰু চৰকাৰৰ দৰে অন্য ক্ষেত্ৰৰ বিশেষজ্ঞৰ শিক্ষাদানৰ জগতত (আৰু ইয়াৰ বিপৰীত দিশতো) যোগদান সম্ভৱ কৰি তুলিবলৈ উপযুক্ত চয়ন আৰু নিযুক্তি নীতিৰে সৈতে এক যথাযথ পদ্ধতিৰ সৃষ্টি কৰা হ'ব।

7. HEIসমূহৰ জ্যেষ্ঠ শিক্ষক আৰু প্ৰশাসনৰ লগত জড়িত কৰ্মচাৰীৰ বাবে কম-দিনীয়া কাৰ্যসূচী প্ৰদান কৰিবলৈ খ্যাতিসম্পন্ন HEIসমূহক নেতৃত্ব বিকাশ কেন্দ্ৰ স্থাপন কৰিবলৈ উৎসাহিত কৰা হ'ব। উচ্চ স্তৰীয় পৰিচালন পদৰ বাবে নিৰ্বাচনত এয়া বাধ্যতামূলক কৰি তোলা হ'ব। প্ৰশাসনীয় আৰু পৰিচালনাৰ কৌশলৰ বিকাশ সম্ভৱ কৰি তুলিবৰ বাবে এই নেতৃত্ব কাৰ্যসূচীয়ে সিদ্ধান্ত গ্ৰহণ মডিউল, সংবেদনশীলতা মডিউল, বিত্তীয় প্ৰক্ৰিয়া আৰু প্ৰণালী, বিদ্যায়তনিক, বিত্তীয় আৰু মানৱসম্পদৰ পৰিচালনা, মতবিৰোধ সমাধান, দুৰ্বল শ্ৰেণীৰ প্ৰতি সংবেদনশীলতা ইত্যাদিক সামৰি ল'ব।

**4.20 গৱেষণা, সৃষ্টিশীলতা আৰু নব্য জ্ঞান**

বিশ্বত গৱেষণা পত্ৰিকাৰ প্ৰকাশৰ ক্ষেত্ৰত যোৱাটো দশকত ভাৰতৰ প্ৰতিনিধিত্ব সামগ্ৰিকভাৱে বৃদ্ধি পালেও, গৱেষণাৰ মানদণ্ড এতিয়াও গুৰুত্বপূৰ্ণ স্তৰত উপনীত হ'বলৈ সক্ষম হোৱা নাই। কিছু ক্ষেত্ৰত শ্ৰেষ্ঠত্ব বাদ দি বাকী প্ৰণালীটো এতিয়াও মধ্যম অৱস্থাতেই আছে বুলি ক'ব পাৰি। আমাৰ প্ৰতিষ্ঠানসমূহত গৱেষণাৰ পৰিৱেশ সহায়ক অনুভৱ নকৰাৰ বাবেই গৱেষণা কৰিব খোজা শিক্ষাৰ্থী আৰু শিক্ষকে বিদেশলৈ যোৱাত অগ্ৰাধিকাৰ দিয়ে। উচ্চ মানসম্পন্ন গৱেষণাক অনুপ্ৰাণিত কৰিবলৈ দেশত উপযুক্ত পৰিবেশৰ সৃষ্টি কৰা দৰকাৰ। উচ্চ শিক্ষাৰ সহায়ক হ'ব পৰাকৈ এক প্ৰশাসনীয় আৰু বিদ্যায়তনিক পৰিৱেশ সৃষ্টি কৰাৰ দ্বাৰা দেশত গৱেষণা আৰু সৃষ্টিশীলতাৰ বাবে এক সক্ষম পৰিৱেশৰ সূচনা কৰা প্ৰয়োজন। এক নম্ৰ শক্তি হিচাপে ভাৰতক বিকাশ কৰি তুলিবলৈ জ্ঞান সমাজৰ বাবে প্ৰয়োজনীয় শিক্ষাৰ নতুন শিতানৰ সৃষ্টিক অগ্ৰাধিকাৰ দিয়াৰ প্ৰয়োজন আছে।

তলত দিয়া নীতিগত পদক্ষেপসমূহ গ্ৰহণ কৰা হ'ব:

1. অনাগত দশকটোত, উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত গৱেষণাৰ উৎকৰ্ষতা বৃদ্ধি আৰু সৃষ্টিশীলতাক অনুপ্ৰাণিত কৰিবলৈ ৰাজহুৱা আৰু ব্যক্তিগত দুয়োটা খণ্ডতে কমেও 100 টা নতুন উৎকৰ্ষতা কেন্দ্ৰ/বিভাগ স্থাপন কৰা হ'ব। ব্যক্তিগত ন্যাস, সমাজসেৱী আৰু প্ৰতিষ্ঠানক এনে উৎকৰ্ষতা কেন্দ্ৰ স্থাপন কৰিবলৈ স্বাধীনতা প্ৰদান কৰা হ'ব।
2. প্ৰকৃত সমস্যাসমূহৰ আলোচনা সম্ভৱ কৰি তুলিবৰ বাবে ৰাষ্ট্ৰীয় শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসন বিশ্ববিদ্যালয় (NUEPA)-ৰ গৱেষণা কাৰ্যক্ৰমৰ এক স্পষ্ট পুনঃদিশনিৰ্ণয়ৰ পদক্ষেপ হাতত লোৱা হ'ব।

3. এক নম্ৰ শক্তি হিচাপে ভাৰতৰ স্থান আধিক সুদৃঢ় কৰি তুলিবলৈ নব্য জ্ঞানৰ বিকাশ আৰু প্ৰয়োগ আৰু উচ্চ শিক্ষাৰ পাঠ্যক্ৰমত সেইবিলাক অন্তৰ্ভুক্ত কৰাৰ বাবে উপযুক্ত পদক্ষেপ হাতত লোৱা হ'ব।
4. সৃষ্টিশীলতা, সৃজনীশক্তি আৰু এণ্টাৰপ্ৰেনিঅ'ৰশ্বিপক অনুপ্ৰাণিত কৰিবলৈ, অহা 5 বছৰৰ ভিতৰত HEIসমূহত আৰু 100 টা উদ্ভাৱন কেন্দ্ৰ মুকলি কৰা হ'ব।
5. আন্তঃবিষয়ক গৱেষণা আৰু অধ্যয়নক বিশেষ গুৰুত্ব দি নব্য জ্ঞানৰ প্ৰসাৰ নিশ্চিত কৰিবলৈ মানৱ সম্পদৰ বিকাশৰ বাবে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু নেটৱৰ্কক আদৰণি জনোৱা হ'ব।

## 4.21 শিক্ষাত বিত্তীয় অনুদান

ভাৰতৰ ক্ষেত্ৰত শিক্ষাক ৰাজহুৱা সম্পদ হিচাপে গণ্য কৰা উচিত আৰু এই খণ্ডত অধিক ৰাজহুৱা বিনিয়োগৰ প্ৰয়োজন আছে। যিসমূহ দেশত শিক্ষা ব্যৱস্থাক অধিক পৰিমাণে ব্যক্তিগতকৰণ কৰা হৈছে, সেই দেশসমূহ অৰ্থনৈতিক আৰু সামাজিকভাৱে উন্নত হৈ উঠিবলৈ সক্ষম নহৈ লাভৰ পৰিৱৰ্তে লোকচানৰহে সন্মুখীন হৈছে বুলি প্ৰমাণ কৰিবলৈ বহু উদাহৰণ আছে। আনহাতে, শিক্ষাক ৰাজহুৱা সম্পদ হিচাপে গণ্য কৰা দেশসমূহে বজাই ৰাখিব পৰা অধিক সামাজিক কল্যাণৰ দ্বাৰা লাভান্বিত হোৱাত সক্ষম হৈছে। 1968 আৰু 1986/92 চনৰ ৰাষ্ট্ৰীয় নীতিয়ে শিক্ষাত ৰাষ্ট্ৰীয় ব্যয় GDP-ৰ 6% হোৱা উচিত বুলি উল্লেখ কৰিছিল। যি কি নহওক, শিক্ষাত প্ৰকৃত ব্যয়ৰ পৰিমাণ কেতিয়াও এই পৰ্যায়ত উপনীত হ'বলৈ সক্ষম হোৱা নাই আৰু যোৱা কেইবছৰমানত এই ব্যয় 3.5%-ৰ ওচৰে-পাজৰে আছে। এই তথ্যই আকাংখিত লক্ষ্যত উপনীত হ'বলৈ শিক্ষা খণ্ডৰ বাবে আৰ্থিক বণ্টন বৃদ্ধি কৰাৰ

প্ৰয়োজনীয়তাকে সূচাইছে।

তলত দিয়া নীতিগত পদক্ষেপসমূহ গ্ৰহণ কৰা হ'ব:

1. চৰকাৰে দীৰ্ঘদিন ধৰি অপূৰ্ণ হৈ থকা, শিক্ষা খণ্ডত বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰি GDP-ৰ কমেও 6%-ত উপনীত হোৱাত প্ৰাথমিকতা প্ৰদান কৰি উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব।
2. চৰকাৰৰ এই প্ৰচেষ্টাক সমৰ্থন কৰি সমাজসেৱা আৰু কৰ্প'ৰেট খণ্ডৰ দায়বদ্ধতাৰ জৰিয়তে ব্যক্তিগত প্ৰদানকাৰীয়ে শিক্ষা খণ্ডত কৰা বিনিয়োগক উৎসাহিত কৰা হ'ব। শিক্ষা খণ্ডত ব্যক্তিগত বিনিয়োগক লাভদায়ক কৰি তুলিবৰ বাবে চৰকাৰে কৰ ৰেহাই আৰু শিক্ষাক পৰিগাঁথনিৰ সংজ্ঞাৰ ভিতৰত অন্তৰ্ভুক্ত কৰাৰ দৰে পদক্ষেপ গ্ৰহণ কৰিব। মূলতঃ প্ৰধান কাৰ্যকলাপসমূহৰ বাবে ৰাজহুৱা অনুদান অব্যাহত ৰখা হ'ব আৰু তাৰ বিপৰীতে অন্য কাম-কাজ ব্যক্তিগত অনুদান যোগেদি সম্পন্ন হ'ব পাৰে। অৰ্থনৈতিক সম্পদসমূহক সংগঠিত কৰাৰ এক গুৰুত্বপূৰ্ণ কৌশল হিচাপে শিক্ষা প্ৰতিষ্ঠানসমূহত R&D আৰু অন্য মানৱ উন্নীতকৰণ কাৰ্যকলাপৰ বাবে ব্যক্তিগত অনুদান আৰু FDI-ক আকৰ্ষণ কৰা চেষ্টা কৰা হ'ব।
3. যিহেতু নতুন প্ৰতিষ্ঠান স্থাপনৰ বাবে বৃহৎ পৰিমাণৰ আৰ্থিক পুঁজিৰ প্ৰয়োজন, সেয়ে নতুন প্ৰতিষ্ঠান স্থাপন কৰাৰ সলনি ইতিমধ্যে কাৰ্যক্ষম হৈ থকা প্ৰতিষ্ঠানৰ ধাৰণক্ষমতা বৃদ্ধিৰ চেষ্টা কৰা হ'ব।
4. চৰকাৰৰ পৰা বিত্তীয় অনুদান লাভ কৰা HEIসমূহে নিজৰ আয় বৃদ্ধি কৰিবলৈ অন্য পন্থা যেনে, প্ৰাক্তন শিক্ষাৰ্থীৰ বৰঙণি, বৃত্তিদানৰ দৰে অনুদান, অনগ্ৰসৰ শ্ৰেণীৰ মাচুল ৰেহাই দি বাকীসকলৰ টিউচন মাচুলৰ বৃদ্ধি আৰু

ব্যক্তিগত বিনিয়োগৰ দৰে পন্থা গ্ৰহণ কৰা উচিত।

5. আৰ্থিকভাৱে অনগ্ৰসৰ শ্ৰেণীৰ বাবে থকা বৰ্তমানৰ শৈক্ষিক ঋণৰ আঁচনি অধিক কাৰ্যকৰী কৰাৰ লক্ষ্যৰে এই আঁচনিক সপাৰ্শ্চিকৰ বাবে ৰেহাই, নিম্ন সুতৰ হাৰ, বৰ্তমানৰ এবছৰৰ ঋণ-স্থগিত সময়ৰ পৰিৱৰ্তে দুবছৰ/চলিত ঋণ-স্থগিত সম্ভৱ কৰি তুলিবলৈ সংশোধিত কৰা হ'ব।
6. উৎকৰ্ষতা আৰু দক্ষতা বৃদ্ধিৰ বাবে অনুপ্ৰাণিত কৰিবলৈ, উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহত দক্ষতা-আধাৰিত অনুদানৰ ব্যৱস্থা লাগু কৰা হ'ব।

## অধ্যায়-5

# ৰূপায়ণ আৰু সমাকৰণ

ৰাষ্ট্ৰীয় শিক্ষা নীতি, 2016-এ বহু নতুন দিশ আৰু পদক্ষেপৰ উল্লেখ কৰিছে আৰু ইয়াক 1968, 1986/92 চনৰ শিক্ষা নীতিসমূহৰ ক্ৰমাগতৰূপে গ্ৰহণ কৰা উচিত। এটা কথা মনত ৰখাটো একান্ত প্ৰয়োজনীয় যে অভিপ্ৰেত লক্ষ্য আৰু কাৰ্যকৰী কৰিবলগীয়া কৌশলসমূহক শৈক্ষিক দৃশ্যপটৰ পৰিৱৰ্তন সাধন কৰিব পৰা বাস্তৱিকতালৈ ৰূপান্তৰিত কৰি তুলিবলৈ কেন্দ্ৰ আৰু ৰাজ্যসমূহে সহযোগিতামূলক যুক্তৰাজ্যৰ মনোভাৱেৰে একেলগে কাম কৰাৰ দৰকাৰ হ'ব।

শিক্ষা খণ্ডৰ লগত একাধিক হিতাধিকাৰী জড়িত হৈ থকাৰ লগতে তেওঁলোকৰ প্ৰত্যেকৰে গুৰুত্বপূৰ্ণ অৱদান আছে যি সকলো স্তৰত শিক্ষাৰ মান বৃদ্ধি কৰি শিক্ষাক সুলভ, সৰ্বব্যাপী কৰি তোলাৰ দৰে প্ৰশংসনীয় লক্ষ্যত উপনীত কৰাৰ প্ৰক্ৰিয়াত সহায়ক হ'ব পাৰে। তাৰোপৰি এই হিতাধিকাৰীসকলৰ অৱদানে আমাৰ শিক্ষাৰ্থীসকলক সৱল কৰি তুলি সঁচা বিশ্ব-নাগৰিক হোৱাত সহায় কৰাৰ উপৰিও এখন নিত্য-গতিশীল জ্ঞান সমাজৰ প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'ব পৰাকৈ যথাযোগ্য জ্ঞান, কৌশল আৰু মনোভাৱেৰে সজ্জিত কৰি তুলিব পাৰে।

পিছৰ পৰ্যায়ত এক বিস্তৃত ৰূপায়ণ কৌশল প্ৰস্তুত কৰা হ'ব যি পূৰ্বৰ অধ্যায়ত বৰ্ণনা কৰা প্ৰতিটো দিকৰ বাবে কাৰ্য্যৰ পৰিকল্পনা (Framework For Action - FFA) নিৰ্ণয় কৰিব। এটা কথা উল্লেখ কৰাটো প্ৰাসংগিক হ'ব যে এই নীতিত যিবিলাক বিষয় উল্লেখ কৰা হৈছে সেয়া কঠোৰ বা অপৰিৱৰ্তনীয় নহয়, এইসমূহ হ'ল অভিপ্ৰেত দিশৰ এক অভিক্ষেপহে মাথো। আশা-আকাংখ্যা আৰু স্থানীয় অৱস্থাৰ বিবিধতাৰ লগতে প্ৰাসংগিকতা আৰু সাম্প্ৰতিক পৰিস্থিতিৰ বাবে হিতকৰ হোৱাকৈ এক নিৰ্দিষ্ট মাত্ৰাৰ পৰিৱৰ্তন আশা কৰা হৈছে। সেইবিলাকৰ ওপৰত যথাযোগ্য

গুৰুত্ব আৰোপ নকৰিলে ৰূপায়ণ কঠিন বা অসাধ্যজনক হৈ পৰিব পাৰে।

সাৰ্থক ৰূপায়নৰ বাবে কোনো উপযুক্ত পদ্ধতি ব্যৱহাৰ নকৰাৰ বাবেই যে পূৰ্বৱৰ্তী নীতিৰ অনুমোদনসমূহ কাৰ্যকৰী নহ'ল সেয়া দেখুৱাবলৈ যথেষ্ট প্ৰমাণ আছে। এনে পৰিস্থিতিক পৰিহাৰ কৰি চলিবলৈ প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে নিজৰ ক্ষেত্ৰীয়, সামাজিক আৰু সাংস্কৃতিক প্ৰয়োজনীয়তাৰ লগত থাপ খুৱাকৈ একোটা কাৰ্য্য পৰিকল্পনা (FFA) প্ৰস্তুত কৰাটো কাম্য আৰু যথোযোগ্য হ'ব। ইয়াৰ ফলস্বৰূপে পৰিমাপযোগ্য লক্ষ্য আৰু অভিষ্ট গুণগত ফলাফল লাভ কৰাৰ বাবে আনুষ্ঠানিক ব্যৱস্থাপনা, স্পষ্ট কাৰ্যদক্ষতা সূচকসহ প্ৰশাসনীয় প্ৰক্ৰিয়া নিৰ্ধাৰণ কৰাটো সহজ হৈ পৰিব।

গণতান্ত্ৰিক বিকেন্দ্ৰীকৰণ আৰু বৃহত্তৰ সামাজিক অংশগ্ৰহণত এইটোও সমানে গুৰুত্বপূৰ্ণ যে কাৰ্যকৰী কৰাৰ কৌশল নিৰ্ধাৰণৰ এই প্ৰক্ৰিয়াত প্ৰত্যেক জিলা, খণ্ডই নিজৰ FFA প্ৰস্তুত কৰি তোলাৰ দ্বাৰা তৃণমূল স্তৰ পৰ্যন্ত বিয়পি পৰিব।

একেদৰে, প্ৰতিটো শৈক্ষিক প্ৰতিষ্ঠানে কাৰ্যৰ এক সুক্ষ্ম-স্তৰীয় কাৰ্যকৰী আঁচনি প্ৰস্তুত কৰি উলিওৱাটো প্ৰয়োজনীয় হ'ব।

অৰ্থনৈতিক সমলে সদায় পৰিকল্পিত ফলাফল লাভৰ ক্ষেত্ৰত এক প্ৰত্যাহ্বানৰ সৃষ্টি কৰি আহিছে আৰু সেইবাবে সমগ্ৰ চৰকাৰী ব্যৱস্থা, ব্যক্তিগত খণ্ড আৰু অন্য সকলো অনা চৰকাৰী এজেন্সি আৰু সামগ্ৰিকভাৱে সমগ্ৰ দেশে শিক্ষাৰ বাবে প্ৰয়োজনীয় সম্পদ, সহায় আগবঢ়োৱাৰ ৰাষ্ট্ৰীয় দায়বদ্ধতাৰ দায়িত্ব গ্ৰহণ কৰিব। ফলস্বৰূপে, ব্যয় নিয়ন্ত্ৰণ আৰু দায়িত্ব গ্ৰহণৰ সংস্কৃতিয়ে শিক্ষা ব্যৱস্থাৰ কামকাজক আগুৱাই নিব।

ৰূপায়ন কাৰ্যসূচীৰ ৰূপৰেখা তৈয়াৰ কৰোতে শিক্ষা আৰু শিশুৰ যত্ন, পুষ্টি, স্বাস্থ্য, খেলা-ধূলা, পৰিচ্ছন্নতা আৰু জলসম্পদৰ দৰে অন্য সেৱাসমূহৰ মাজত প্ৰয়োজনীয় যোগসূত্ৰ স্থাপন কৰা হ'ব যাতে ফলাফলত সাম্যতা বৰ্তি থাকে। একাধিক প্ৰাসংগিক এজেন্সি আৰু কাৰ্যবাহী ব্যক্তিসকলৰ মাজত আৰু লগতে শিক্ষা আৰু অন্য বিভাগসমূহৰ মাজতো অধিক সমন্বয়-সাধনৰ প্ৰয়োজন আছে। তদনুসাৰে, যথাযোগ্য সমন্বয়-সাধন কাৰ্যসূচী প্ৰস্তুত কৰি উলিওৱা হ'ব।

অতীতৰ অভিজ্ঞতাৰ পৰা শিক্ষা লাভ কৰি যথাযোগ্য নিৰীক্ষণ পদ্ধতি, তন্ত্ৰ আৰু ব্যৱস্থাৰ পৰিকল্পনা কৰাৰ বাবে প্ৰতিটো কাৰ্যকৰী শাখাই প্ৰয়াস কৰাৰ দৰকাৰ হ'ব যাতে কাৰ্যকৰী কৰিবলগীয়া প্ৰতিটো বিষয়ৰ ফলাফল প্ৰাপ্ত কৰাৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ পৰ্যাবৃত্ত পৰীক্ষণ আৰু মূল্যায়ন হাতত ল'ব পাৰি। নিৰীক্ষণ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ ক্ষেত্ৰত সুক্ষ্মৰ পৰা বৃহৎ পৰ্যায়লৈ সমাধা কৰা হ'ব। ই এনে এটা সক্ষম আৰু পদ্ধতিগত প্ৰক্ৰিয়া প্ৰদান কৰিব, যি সৰ্বোৎকৃষ্ট ফলাফলৰ বাবে ৰূপায়ন কৌশলৰ সংশোধন, পুনঃপৰীক্ষা সম্ভৱ কৰি তুলিব। লগতে ই এই নীতিত উল্লিখিত পৰিকল্পনাৰ ৰূপায়ণ আৰু লক্ষ্য প্ৰাপ্তিক বিফল কৰি পেলাব পৰা পদ্ধতিগত খেলিমেলিক ৰোধ কৰিব।

আমাৰ দেশৰ আকাৰ, বৈচিত্ৰ আৰু আয়তন, সৃষ্টি হ'বলগীয়া শৈক্ষিক উপ-পৰিগাঁথনি, জ্ঞান আৰু তথ্য আধাৰিত সমাজৰ গতিশীল প্ৰকৃতিলৈ লক্ষ্য ৰাখি এটা কথা ক'ব পাৰি যে প্ৰত্যাহ্বান কেৱল ওপৰত উল্লিখিতসমূহতে সীমিত নাথাকে, বৰঞ্চ ক্ৰমাগতভাৱে ভূমুকি মাৰিয়েই থাকিব আৰু ইয়াৰ সুচাৰু সমাধানৰ বাবে পৰ্যাবৃত্ত সমীক্ষাৰ দৰকাৰ হ'ব। গতিকে, এই অনাগত ৰাষ্ট্ৰীয় আৰু বিশ্বজনীন প্ৰৱণতাসমূহৰ সৈতে সমতা বজাই ৰাখিবলৈ এই নীতিৰ এক পাচঁ-বছৰীয়া সমীক্ষা সম্পন্ন কৰা হ'ব।